# Assam
# Legislative Assembly
# Debates

## *OFFICIAL REPORT*

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

**VOL. II**

No. 16

**The 3rd April, 1986**

*PRINTED AT BHASKAR PRINTERS, KACHARIBASTI*
*DISPUR, GUWAHATI-5, 1989*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

( BUDGET SESSION. )

Vol. II, No. 16

The 3rd April, 1986

CONTENTS


| | | Pages |
|---|---|---|
| 1. | Questions | 1 |
| 2. | Miscellaneous | 49 |
| 3. | Calling Attention | 53 |
| 4. | Matter Under Rule 301 | 54 |
| 5. | Government Bill | 60 |
| 6. | Private Members Resolution | 70 |
| 7. | Adjournment | 83 |

# Proceedings of the Budget Session of the Assam Legislative Assembly Assembled after the Eighth General Elections under the Sovereign Democratic Republican Constitution of India

The House met in the Assembly Chamber, Dispur, Guwahati, on Thursday the 3rd April 1986 with the Hon'ble Speaker in the Chair, 14 ( Fourteen ) Ministers, 7 Seven Ministers of State, and 88 ( Eighty eight) Members present.

## STARRED

### Questions and Answers

( To which oral replies were given )

Date : 3rd April, 1986

বি ঃ নাম পাঠৰী পশুচিকিৎসালয়

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

*৩৫৪। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগাওঁ জিলাৰ নাম পাঠৰী পশু চিকিৎসালয়খন বৰ্ত্তমান কেনে অৱস্থাত আছে জনাবনে ?

(খ) বৰ্ত্তমান এই চিকিৎসালয়ত থকা চিকিৎসকৰ সংখ্যা কিমান ?

(গ) অন্যান্য কাৰ্য্যালয় সহায়ক বা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ সংখ্যা কিমান ?

শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৫৪। (ক)—নাম পাঠৰীত কোনো পশু চিকিৎসালয় বা পশুচিকিৎসা উপকেন্দ্ৰ নাই। মাজ পাঠৰীতহে এখন পশুচিকিৎসা উপকেন্দ্ৰ আছে। এই উপকেন্দ্ৰটো আগতে খাগৰীজান উন্নয়ন খণ্ডৰ অধিনত ৰাইজৰ সহযোগত কৰা হৈছিল। কিন্তু উপকেন্দ্ৰৰ কাৰণে কোনো ঘৰ নোহোৱাত শ্ৰীদেবেন বৰা নামৰ এজন মানুহৰ ঘৰতে উপকেন্দ্ৰৰ কাম চলি আছে।

(খ)—মঞ্জুৰী হোৱা চিকিৎসকৰ পদ নাই। অন্য চিকিৎসালয়ৰ পৰা এজন ক্ষেত্ৰ সহায়কৰ দ্বাৰা কাম চলাই থকা হৈছে।

(গ)—এজনো নাই।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা—অধ্যক্ষ মহোদয়, ৰাইজৰ মাজত এটা অভিযোগ উঠিছে যে, এই চিকিৎসালয় বনাবৰ কাৰণে বিগত চৰকাৰৰ দিনত কিছু টকা মঞ্জুৰী দিয়া হৈছিল। সেইটো মন্ত্ৰী মহোদয়ে জানে নেকি ?

শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্যৰ উত্তৰত মই জনাও যে, ইয়াৰ আগৰ মন্ত্ৰী সভাত বিভাগীয় মন্ত্ৰী গৰাকীয়ে এই মঞ্জুৰীটো অন্য এটা উপকেন্দ্ৰলৈ স্থানান্তৰিত কৰিছে।

শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নেকি যে, কিমান পশুচিকিৎসালয় কেন্দ্ৰ অন্য মানুহৰ ভাড়া ঘৰত চলি আছে ? আৰু মন্ত্ৰী মহোদয়ে আশ্বাস দিব নেকি যে অনতিপলমে এই পশুচিকিৎসালয়ৰ কাৰণে গৃহ নিৰ্মান কৰা হব ? এইটো মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী —অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনৰ বিত্তিয় বছৰত এই উপকেন্দ্ৰ সমূহ পোন পতিয়াকৈ কৰাৰ কাৰণে বিবেচনা কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্মা—অধ্যক্ষ মহোদয়, এই উপকেন্দ্ৰটো চিফটিং কৰা হৈছিল বুলি কৈছে। What is the cause behind shifting of such sub-centres ?

শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে আগৰ মন্ত্ৰী সভাৰ দিনত কিছুমান অনিয়ম কৰা হৈছিল,

সেইটো মই স্বীকাৰ কৰিছো কিন্তু এতিয়া সেই অনিয়ম বিলাক যাতে নহয় তাৰ ব্যৱস্থা লম।

শ্ৰীজয়নাথ শৰ্মা—অধ্যক্ষ মহোদয়, যিহেতুকে মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে যে অনিয়ম হোৱা বুলি এইসকলো বিলাক তদন্ত কৰি বিহীত ব্যৱস্থা লোৱাৰ কাৰণে মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰিব নেকি ?

শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই বিভাগৰ লগত আলোচনা কৰিম।

শ্ৰীশেখ আব্দুল হামিদ—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, বহুত পশুচিকিৎসালয় ব্যক্তিগত ভাড়া ঘৰত চলি আছে, এনেকুৱা অৱস্থাত কিমান পশুচিকিৎসালয় চলি আছে ? পশুচিকিৎসালয় বিভাগে পশুচিকিৎসা সমূহ সঠিক ভাবে পৰিচালনা কৰিব পৰা নাই। এতিয়া মোৰ প্ৰশ্নটো হ'ল চিকিৎসালয় সমূহৰ কাৰণে ঘৰ নিৰ্মানৰ ক্ষেত্ৰত কি ব্যৱস্থা চৰকাৰে লৈছে, মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী)—অধ্যক্ষ মহোদয়, প্ৰকৃততে কথা হ'ল বিত্তিয় বছৰটোত বিভাগীয় বাজেটত টকা অতি কম। তথাপি সকলো বিলাক বিবেচনা কৰি চাই এই চিকিৎসালয় সমূহ উন্নতিকৰণ কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছো।

## বি : মন্ত্ৰী সভাৰ সদস্য সকলৰ আচবাব

শ্ৰীদেৱকুমাৰ বৰাই সুধিছে :

* ৩৫৫। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) আগৰ মন্ত্ৰী সভাৰ সদস্য সকলক তেওঁলোকৰ চৰকাৰী বাস গৃহত ব্যৱহাৰ কৰিবলৈ দিয়া সকলোবোৰ আচবাব পত্ৰ চৰকাৰক পুনৰ চমজাই দিলেনে ?

(খ) যদি দিলে, তেনে হিচাবতকৈ কিবা আচবাব পত্ৰ কম পালে, নেকি ?

(গ) যদি কমকৈ পাইছে তেন্তে কি কি আচবাব পত্ৰ কম পালে, আৰু সেইবোৰৰ মূল্য কিমান ?

(ঘ) যি সকল মন্ত্ৰীয়ে কমাই দিলে সেই সকলৰ নাম জনাবনে আৰু ঘূৰাই নোপোৱা সামগ্ৰীবোৰ ঘূৰাই পোৱাৰ কিবা ব্যৱস্থা চৰকাৰে লৈছে নেকি ?

শ্ৰীভৃগু কুমাৰ ফুকন ( সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৫৫। (ক)—আগৰ মন্ত্ৰী সভাৰ সদস্যই তেওঁলোকক চৰকাৰী বাসভৱনত ব্যৱহাৰ কৰিবলৈ দিয়া আচবাব পত্ৰ কিছু পৰিমাণে ঘূৰাই দিয়া নাই ।

(খ) (গ)—ঘূৰাই দিয়া আচবাব পত্ৰ পৰীক্ষা কৰি যি আচবাব কমকৈ পোৱা হৈছে তাৰ মূল্য সহ এটা তালিকা সদনৰ মেজত ৰখা হ'ল ।

(ঘ)—আচবাব কমাই দিয়া প্ৰথম মন্ত্ৰী ও ৰাজ্যিক মন্ত্ৰী সকলৰ নামৰ তালিকা ইয়াৰ লগত গাঠি দিয়া হ'ল। ঘূৰাই নোপোৱা সমগ্ৰী বোৰৰ বিষয়ে চৰকাৰে বিবেচনা কৰি আছে ।

শ্ৰীদেব কুমাৰ বৰা—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ উত্তৰত জনাইছে সেই পৰিপ্ৰেক্ষিতত মোৰ পৰিপূৰক তিনিটা প্ৰশ্ন আছে । প্ৰথমটো হ'ল, মন্ত্ৰী সকলৰ নাম সদনত মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ? দ্বিতীয়টো হ'ল কিমান কিমান টকা দিবলৈ আছে ? তৃতীয়টো হ'ল সামগ্ৰি কি কি আৰু কাৰ কাৰ নামত আছিল আৰু নোহোৱা হৈছে। মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহ মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মাননীয় সদস্যই কৰা প্ৰশ্নৰ উত্তৰ দিবলৈ লৈ জানিব বিচাৰিছো যে সদনৰ পৰম-পৰাগত ভাব উত্তৰ দিবলৈ যাওতে অপ্ৰিয় সত্য কথাও জৰিত থাকিব পাৰে । তাৰ বাবে যাতে কোনেও দুখ নকৰে । মন্ত্ৰী সকলৰ নাম হৈছে— শ্ৰীহিতেশ্বৰ শইকীয়া প্ৰাক্তন মুখ্যমন্ত্ৰী, ৪,৯৬৭'০১ টকা । শ্ৰী মঃ ইদ্ৰিছ প্ৰাক্তন মন্ত্ৰী ২,৫৪৪'৯৪ টকা, শ্ৰীকেশব চন্দ্ৰ গগৈ প্ৰাক্তন মন্ত্ৰী, ৫৫১'৮০ টকা, শ্ৰীবনেন্দ্ৰ নাথ বসুমতাৰী প্ৰাক্তন মন্ত্ৰী ৬১৭'২০ টকা, শ্ৰীউপেন্দ্ৰ চন্দ্ৰ দাস প্ৰাক্তন মন্ত্ৰী ৪,২৭৪'৯৪ টকা, শ্ৰীধনী ৰাম ৰংপি প্ৰাক্তন মন্ত্ৰী ৩২৫'৮০ টকা, শ্ৰীজেহেৰুল ইছলাম প্ৰাক্তন মন্ত্ৰী ৩,২৮০'৮৮ টকা, শ্ৰীজগন্নাথ সিংহা প্ৰাক্তন মন্ত্ৰী ৪,৫৮২'৬০ টকা, শ্ৰীমুকুত শৰ্মা প্ৰাক্তন মন্ত্ৰী ৪,৯১৭'০০ টকা শ্ৰীজগদীশ চৌধুৰী প্ৰাক্তন মন্ত্ৰী ৬৪'৫০ টকা, শ্ৰীতিলক গগৈ প্ৰাক্তন মন্ত্ৰী ২,৪৭৮'৬৫ টকা, শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী প্ৰাক্তন মন্ত্ৰী ৮,৬০১'৯০ টকা শ্ৰীসাধন ৰঞ্জন চৰকাৰ প্ৰাক্তন মন্ত্ৰী ৩,৮৯০'৯৬ টকা । শ্ৰীআব্দুল মুহিম মজুমদাৰ প্ৰাক্তন মন্ত্ৰী ১৭৭'০০ টকা, শ্ৰীদীপক মূৰ্ম্মু প্ৰাক্তন মন্ত্ৰী

৯,০৫৮·০৮ টকা, শ্ৰীগোবিন্দ চন্দ্ৰ লাংঠাচা প্ৰাক্তন মন্ত্ৰী ১,৬৯২·৬০ টকা শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী প্ৰাক্তন মন্ত্ৰী ৩,৪৫৭·৯১ টকা; শ্ৰীপদুম বাহাদুৰ চৌহান প্ৰাক্তন ৰাজ্যিক মন্ত্ৰী ৩,৮৮৪·৮০ টকা, শ্ৰীজীৱ কান্ত গগৈ প্ৰাক্তন ৰাজ্যিক মন্ত্ৰী ১৪০.০০ টকা, শ্ৰীমিথিয়াচ টুহু প্ৰাক্তন ৰাজ্যিক মন্ত্ৰী ৮৭২·০০ কটা, শ্ৰীনেপান দাস প্ৰাক্তন ৰাজ্যিক মন্ত্ৰী ৩৬৯·৯০ টকা, শ্ৰীলুইচ ইচলাৰি প্ৰাক্তন ৰাজ্যিক মন্ত্ৰী, ২,৯১১·২৮ টকা, শ্ৰীৰামেশ্বৰ ধানোৱাৰ প্ৰাক্তন মন্ত্ৰী ४,৪৬৪·৬০ টকা। মুঠ ৬৮,১২৬·৩৩ টকা।

শ্ৰীজয়নাথ শৰ্মা—সামগ্ৰীবোৰ কি কি আছিল সদনত জনাই দিব নেকি?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী, সাধাৰণ প্ৰশাসন মন্ত্ৰী)—অধ্যক্ষ মহোদয়, সামগ্ৰীবোৰ প্ৰায় একে ধৰণৰ গতিকে এজনৰ বিপৰীতে কি কি সামগ্ৰী আছিল পঢ়ি দিলেই যথেষ্ট হব যেন পাওঁ।

(ভইচ: হব হব)

মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ বিপৰীতে চোফাচেট, কপাহী কুচন দুখন, পেগ টেবুল এখন, চোফা চেটৰ পিচৰ কভাৰ দুখন, উলৰ কাৰ্পেট এখন, আলমীৰা চেফৰ ওপৰত চানমাইকা কৰা এটা, ৰাইটিং টেবুল ড্ৰয়াৰ থকা সোঁহাতে এখন, বেতৰ ইজি চেয়াৰ চাৰিখন, হাত থকা চেয়াৰ বেতৰ চিত তিনিখন, হাত নথকা চেয়াৰ দুখন, আৰ্মবেঞ্চ হাত নথকা চেয়াৰ সাতখন, ষ্টিল চেয়াৰ হাত নথকা দুখন, ডানল' পিল' তুলি এখন, দৰ্জাৰ পৰ্দা তেৰখন, খিৰিকিৰ পৰ্দা পোন্ধৰখন, নেট পৰ্দা এঘাৰখন, টুল এখন, মেপৰ ফ্ৰেম এখন, ইমাৰজেন্সি লাইট এটা ইত্যাদি।

শ্ৰীআব্দুল মুহিম মজুমদাৰ—শ্ৰীআব্দুল মুহিম মজুমদাৰৰ নামত এশ সাতসত্তৰ টকা কিহৰ বাবে আছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীভৃগুকুমাৰ ফুকন (গৃহ আৰু সাধাৰণ প্ৰশাসন মন্ত্ৰী)—অধ্যক্ষ মহোদয়, তেখেতৰ নামত এশ সাতসত্তৰ টকা ধৰা হৈছে খিৰিকিৰ পৰ্দা দুখন আৰু নাইলন নেটৰ পৰ্দা খিৰিকিৰ পাচ খনৰ বাবে।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ—অধ্যক্ষ মহোদয়ে, বিভাগৰ পৰা আমাক এই কথা জনোৱা নাছিল। এইটো সদনলৈ অহাৰ আগতে আমাক জনাব লাগিছিল।

Shri Altaf Hussain Mazumdar—Mr. Speaker, Sir, we know

these articles are provided to the Ministers and these articles are received by the personal staff of the Ministers. When some articles get damaged or broken replacements are made and the broken ones are taken away by the concerned department and these also have to be shown in the record and properly accounted for: In all fairness such loss of articles should not be imputed on the personal character of a Minister. Further we have come across certain cases in which though it has been shown that a certain Minister has not returned a certain article of furniture these are now seen in one of the cottages being used by another person entitled to such articles of furniture. So, to clarify the whole matter will the Hon'ble Minister in charge. G. A. D. send letters to the concerned Ministers giving details so that this can be explained whether these were handed over when they left their official residences and who are those using these articles now.

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহ আৰু সাধাৰণ প্ৰশাসন মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মন্ত্ৰী সকলে দায়িত্ব লোৱাৰ পিচত চৰকাৰী ঘৰত সোমোৱাৰ সময়ত কি কি সামগ্ৰী দিয়া হয়, চমজি লয় আৰু এৰি অহাৰ সময়তো কি কি সামগ্ৰী এৰি আহে বা কি সামগ্ৰী নষ্ট হৈছে সেইটো লক্ষ্য কৰি অহাটোও এটা দায়িত্ব। এইটো চৰকাৰৰ ফালৰ পৰা বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীজয়নাথ শৰ্মা—অধ্যক্ষ মহোদয়, এতিয়া প্ৰশ্ন হৈছে মন্ত্ৰীসভাৰ লোক সকল দায়িত্বশীল লোক আৰু তেনে লোকৰ হাতৰ পৰা তেখেতসকলৰ কাৰণে জিম্মাত দিয়া বস্তু এনেকৈ নোহোৱা হলে এই কেচটো চুৰি কেচত পৰিব নে ডকাইটি কেচত পৰিব ? এই কথাটো মই আপোনাৰ পৰা জানিব বিচাৰিছো। গোটেই বস্তু বিলাক নোহোৱা হোৱাৰ কাৰণে চৰকাৰী

দায়িত্বত থকা লোকসকলৰ হাতৰ পৰা চৰকাৰী বস্তু নোহোৱা হোৱা কাৰণে তেখেতসকলক কি দোষত দোষী কৰা হয় এইটো জনাব লাগে?

মাননীয় অধ্যক্ষ—এইটো ব্যৱস্থা কৰা হব বুলি গৃহমন্ত্ৰীয়ে কৈছেই।

Re: Kadobil, Jingabil and Gelabil Irrigation Schemes

Shri Silvius Condpan asked:

*356. Will the Minister, Irrigation be pleased to State—

(a) When will the Kadobil, Jingabil and Gelabil irrigation schemes under Mangaldoi division be started and what is the target for its completion?

(b) Whether the Government will take up Phuloguri, Kukurbhuka, Dimapur, Paglanadi schemes under Mangaldoi division for implementation during 1986-87?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

৩৫৬। (ক) কাদাবিল জলসিঞ্চন আঁচনিখন ১৯৮৫ চনৰ মাৰ্চ মাহত আৰম্ভ হয় আৰু ১৯৮৭ চনৰ মাৰ্চ মাহত শেষ হোৱাৰ সম্ভাৱনা আছে।

২। জিঙ্গাবিল জলসিঞ্চন আঁচনিখনৰ কাম ১৯৮৬ চনৰ চেপ্তেম্বৰ পৰা আৰম্ভ হব আৰু ১৯৮৮ চনৰ মাৰ্চ মাহত শেষ কৰিব পৰা যাব বুলি ভবা হৈছে।

৩। গেলাবিল গভীৰ নলীনাদ আঁচনিৰ কাম ১৯৮৬ চনৰ মাৰ্চ মাহত আৰম্ভ হৈছে আৰু ১৯৮৮ চনৰ মে মাহত সম্পূৰ্ণ কৰাৰ কথা।

(খ)—বিত্তীয় মঞ্জুৰীৰ সন্তোষজনক পৰিস্থিতি মহকুমাভিত্তিক জলসিঞ্চনৰ ন্যূনতা সাপেক্ষে আৰু কাৰিকৰি আৰু আৰ্থিক দিশৰ পৰা অনুকুল সাপেক্ষে এই আঁচনিসমূহ হাতত লোৱাৰ কথা বিবেচনা কৰা হব।

শ্ৰীছিলভিয়াচ কন্দপান—অধ্যক্ষ মহোদয়, এই কাদাবিল আৰু জিংগাবিল জলসিঞ্চন আঁচনি দুখন বন বিভাগৰ ভিতৰত দিবলগীয়া হোৱা কাৰণে দুবছৰ ধৰি বন বিভাগৰ পৰা সন্মতি (ক্লিয়াৰেন্স) নোপোৱাৰ কাৰণে জলসিঞ্চন বিভাগৰ বিষয়াসকলে এই আঁচনি কাৰ্য্যকৰী কৰাত অসুবিধা

পাইছে, সেইটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ, (জলসিঞ্চন মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই বিষয়ে আমি অনুসন্ধান কৰি চাব লাগিব। অনুসন্ধানৰ পিচত সেইমতে ব্যৱস্থা লোৱা হব।

বিঃ কোম্পানীৰ অধীনৰ চাহ বাগিছা

শ্ৰীদূৰ্গা দাস বড়োয়ে সুধিছে :

*৩৫৭। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক)—George Willumson Assam Ltd. and Meclin Nagar নামৰ কোম্পানীৰ অধীনত অসমত কিমানখন চাহ বাগিছা আছে জনাবনে ?

(খ) উক্ত কোম্পানীৰ অধীনত দৰকাৰ হোৱা বিভিন্ন সামগ্ৰী বোৰৰ যোগান ঠিকা আনকি চাকৰিৰ ক্ষেত্ৰত থলুৱা লোকে শতকৰা ১০ ভাগ সুবিধা পাব লাগে বুলি কলিকতাৰ মুখ্য কাৰ্য্যালয়ৰ পৰা দিয়া নিৰ্দ্দেশৰ কথা জানে নেকি ?

(গ) যদি জানে, সেই ক্ষেত্ৰত কি ব্যৱস্থা হাতত লম বুলি সিদ্ধান্ত কৰিছে ?

(ঘ) যদি নেজানে ইয়াৰ ওপৰত অনুসন্ধান কৰি যথোচিত ব্যৱস্থা হাতত লব নে ?

শ্ৰীবাকি প্ৰসাদ টেলেঙ্গা ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৫৭। (ক)—অসমত জৰ্জ উইলিয়ামচন কোম্পানী ১৭ খন আৰু মেকলিন মেগৰ কোম্পানীৰ ৯ খন চাহ বাগিছা আছে।

(খ)—নাজানো।

(গ)—প্ৰশ্ন নুঠে।

(ঘ)—এই বিষয়টো শ্ৰম বিভাগৰ পৰিধিৰ বাহিৰত।

শ্ৰীদূৰ্গাদাস বড়ো—মাননীয় অধ্যক্ষ মহোদয়, অসমৰ চাৰি সীমাৰ ভিতৰত থকা জুৰ্জ উইলিয়ামচন অসম লিমিটেড আৰু মেকমিলন মেগৰ নামৰ কোম্পানীৰ অধিনত ক্ৰমে ১৭ আৰু ৯ খন চাহ বাগিছা আছে। এই বাগিছা বিলাকত থলুৱা লোক সকলক যি সকল সৰু সৰু ব্যৱসায়ী বা চাকৰীৰ ক্ষেত্ৰত এই কোম্পানী সমূহত মাত্ৰ শতকৰা ১০ ভাগ লোককহে সুবিধা দিয়া হব বুলি তেওঁলোকৰ কলিকতীয়া অফিছৰ পৰা নিৰ্দ্দেশ আহিছে এই

সন্দৰ্ভত মন্ত্ৰী মহোদয়ে কিবা জানে নেকি ?

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা ( শ্ৰম মন্ত্ৰী )—এই বিষয়ে অনুসন্ধান কৰিব লাগিব।

শ্ৰীজয় নাথ শৰ্মা—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা (খ) ৰ প্ৰশ্নৰ সম্পৰ্কত এটা কথা জানিব বিচাৰিছো—এই কোম্পানী দুটাত অসমৰ থলুৱা মানুহৰ নিযুক্তি কেনেকুৱা অৱস্থাত আছে মন্ত্ৰী মহোদয়ে জানে নে ? যদি নেজানে তেনেহলে তাত থলুৱা লোকৰ নিযুক্তিৰ কাৰণে বিহীত ব্যৱস্থা কৰিবনে ?

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা—অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীশৰ্মা ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কব বিচাৰিছো এই বিষয়টো শ্ৰম বিভাগৰ পৰিধিৰ বাহিৰত। তথাপি তেনেকুৱা কিবা খুটি-নাটি উলিয়াব পাৰিলে নিশ্চয় অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰাৰ চেষ্টা কৰিব লাগিব।

শ্ৰীপদ্ম নাথ কৈৰী—যিবিলাক সামগ্ৰী এই কোম্পানীক যোগান ধৰা হৈছে সেইবিলাক থলুৱা লোকৰ দ্বাৰা যোগান ধৰা হৈছে নে ? নে এ বি আই টিএ নিজে যোগান দিয়ে?

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা—এই বিষয়ে জ্ঞাত হোৱা নাই।

শ্ৰীনৰেণ তাঁতী—অধ্যক্ষ মহোদয়, যেতিয়াই চাহ বাগিছাৰ বিষয়ে কিবা প্ৰশ্ন আহিছে তেতিয়াই মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ে যে দৃষ্টিগোচৰ হোৱা নাই। পৰবৰ্ত্তী অধিবেশন বিলাকত যাতে এনেকুৱা কথা শুনিবলৈ নাপাওঁ। এতিয়া কথা হ'ল শ্ৰম মন্ত্ৰীয়ে নাজানো বুলি কলে নহব অসম টি একচন কমিটি আবিটা আদিৰ লগত মন্ত্ৰী মহোদয় ওতঃপ্ৰোতভাৱে জৰিত। গতিকে কোনে যোগান দিছে কব লাগে।

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো বেলেগে প্ৰশ্ন দিলে ভাল হয়। মাননীয় শ্ৰীদূৰ্গা দাস বড়োৱে সোধা প্ৰশ্নটোৰ লগত এই প্ৰশ্নৰ কোনো সংহতি নাই। এই বিষয়ে মাননীয় সদস্য শ্ৰীনৰেণ তাঁতীয়ে বেলেগে প্ৰশ্ন আনিলে উত্তৰ দিবলৈ চেষ্টা কৰিম ?

শ্ৰীনৰেণ তাঁতী—অধ্যক্ষ মহোদয়, এই বিষয়ে সম্পৰ্ক নাই, সেই বিষয়ে সম্পৰ্ক নাই এই বিলাক কব নালাগে। এবটি পি এফ টি এচোচিয়েচন, একচন কমিটি এই বিলাকৰ ইটোৰ লগত সিটোৰ সম্বন্ধ আছে। মন্ত্ৰী মহোদয়ে নাজানো বুলি কেনেকৈ কয় ?

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা—প্ৰশ্নটো আছিল জৰ্জ উইলিয়ামচন লিমিটেড আৰু মেকলিন মেগৰ সম্পৰ্কত। এই প্ৰশ্নৰ লগত মাননীয় সদস্যৰ প্ৰশ্নৰ কোনো সম্পৰ্ক নাই। কোনোবা সদস্যই যদি এই প্ৰশ্নৰ সংহতি ৰাখি প্ৰশ্ন কৰে তেনেহলে উত্তৰ দিম।

শ্ৰীনৰেণ তাঁতী—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এতিয়া নাজানো বুলি কৈছে। আমাৰ নিজৰ চৰকাৰ বুলি বাৰু বেলেগ কথা (সদনত হাঁহিৰ ৰোল উঠে) কিন্তু পৰবৰ্ত্তী চেচন বিলাকত ঠিককৈ উত্তৰ দিব লাগিব।

শ্ৰীদূৰ্গা দাস বড়ো—অধ্যক্ষ মহোদয়, মই শ্ৰম মন্ত্ৰীক ধন্যবাদ জনাইছো। জৰ্জ উইলিয়ামচন লিমিটেড আৰু মেকলিন মেগৰকে ধৰি অসমৰ চাৰি সীমাৰ ভিতৰত যিমান বিলাক চাহ বাগিছা আছে সেইবিলাকত থলুৱা প্ৰাৰ্থী নিযুক্তিৰ ক্ষেত্ৰত অসম চৰকাৰে হস্তক্ষেপ কৰি বিহীত ব্যৱস্থা লোৱাৰ চেষ্টা কৰিব নে?

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো সম্পৰ্কত মাননীয় সদস্য সকলে আৰু কিছুমান প্ৰশ্ন পঠাইছে, যিবোৰ ইয়াৰ লগত সম্পৰ্ক নাই (আৰু লগে লগে হাঁহিছেও)। দুখৰ কথা কবলৈ হলে মই এই কথা নিশ্চয় কম—অসমত বসবাস কৰা ৫০ লাখ চাহ মজদুৰ সেই সকলে চাহ বাগিছা সমূহত কাম কৰে। অসমত উদ্যোগৰ নামত থকা চাহ বাগিছা সমূহৰ ওপৰত মেনেজমেণ্টৰ নিজৰে যি চিনাকি—(ভইচঃ আপুনি বিবৃত্তি দিব নোৱাৰে, এইটো প্ৰশ্নোত্তৰ কাল, প্ৰশ্নটোৰ উত্তৰ দিব পাৰে)

মাননীয় অধ্যক্ষ—এতিয়া প্ৰশ্ন নং ৩৫৮, প্ৰশ্নকৰ্তা শ্ৰীদীনবন্ধু চৌধুৰী।

বি: সমবায় আন্দোলন

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে:

*৩৫৮। মাননীয় সমাবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম সমবায় আন্দোলনৰ উন্নতি কল্পে পৰামৰ্শ আগবঢ়াবলৈ ১৯৭৮ চনত শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্যক সভাপতি হিচাপে লৈ গঠিত কমিটিয়ে (The Committee of Co-operation) চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল

কৰিছে নে ?

(খ) যদি দাখিল কৰিছে, কেতিয়া ?

(গ) উক্ত কমিটিলৈ দাখিল কৰা প্ৰতিবেদন আৰু আগবঢ়োৱা পৰামৰ্শৱলী চৰকাৰে কাৰ্য্যকৰী কৰিছে নে ?

(ঘ) যদি কাৰ্য্যকৰী কৰা নাই, কিয় কৰা নাই ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৫৮। (ক)—হয়, কৰিছে।

(খ)—১৯৭৯ চনৰ ৬ চেপ্তেম্বৰ তাৰিখে।

(গ)—কৰা নাই।

(ঘ)—পৰীক্ষা কৰি থকা হৈছে।

শ্ৰীদীনবন্ধু চৌধুৰী—মাননীয় অধ্যক্ষ মহোদয়, এই কমিটিৰ পৰামৰ্শৱলী পোৱা ৮ বছৰ পাৰ হৈ গ'ল, এতিয়া আকৌ কাৰ্য্যকৰী কৰাত কিমান বছৰৰ প্ৰয়োজন হব মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে প্ৰশ্ন তুলিছে। কাৰ্য্যকৰী কৰাত আৰু কিমান বছৰ লাগিব। আমি কাৰ্য্যভাৰ লোৱা মাত্ৰ ৩ মাহ হ'ল কাৰ্য্যভাৰ লোৱাৰ পাছত এইটো প্ৰথমেই বিবেচনা কৰা হৈছে।

শ্ৰীদীন বন্ধু চৌধুৰী—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কমিটিৰ প্ৰতিবেদন বিবেচনা কৰাতেই বছৰ পাৰ হৈ গ'ল। এইটো অকল অসম আন্দোলনক দায় দোষ জাপি দি এৰি দিয়া হৈছে নে বিষয়া সকলৰ হেমাহীৰ কাৰণে এইটো হৈছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই জনাব বিচাৰিছো যে ১৯৭৮ চনতে শ্ৰীগৌৰী শংকৰ ভট্টাচাৰ্য্যৰ সভাপতিত্বত ৬ জনীয়া কমিটি এখন গঠন কৰা হৈছিল। সমবায় সমিতি সমূহৰ কাম কাজ চাবৰ কাৰণে। তেখেত সকলে ১৪ টা পৰামৰ্শ প্ৰস্তাৱ আকাৰে পঠিয়াইছে আৰু তেওঁলোকৰ ৯ টা বৈঠক বহে আৰু ৬-৯-১৯৭৯ তাৰিখে তেওঁলোকে প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদন চৰকাৰক দাখিল কৰাৰ পাছত প্ৰতিবেদনৰ বিভিন্ন দফাৰ পৰামৰ্শৱলীৰ ওপৰত পঞ্জীয়কৰ পৰামৰ্শ বিচৰা হৈছে। তেওঁৰ মতামত বিচাৰি লিখা হৈছে ১৬-৪-৮৪

তাৰিখে। গতিকে বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীদীন বন্ধু চৌধুৰী—কমিটি গঠন কৰাৰ পৰা প্ৰতিবেদন দাখিল কৰালৈ কিমান টকা এই সংক্ৰান্তত খৰছ কৰা হ'ল মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী)—এই সম্পৰ্কে তথ্য বৰ্তমান মোৰ হাতত নাই।

## Re: Appointment of College Teachers

Shri Binai Khungur Basumatary asked:

* 359 Will the Minister, Education be pleased to state—

(a) Whether it is true that the students union of Kokrajhar College abstained from classes on 7th February 1986 in protest of non-appointment of College teachers?

(b) Whether it is also true that some appointments were suddenly cancelled?

(c) If so, why were the appointment cancelled?

(d) The steps proposed by the Government to fill all the vacancies in colleges of the State?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে:

৩৫৯। ক)—হয়।

(খ)—এজন শিক্ষকৰ নিযুক্তি বাতিল কৰা হৈছিল।

(গ)—অৰ্থনীতি বিভাগৰ প্ৰবক্তা পদ এটাৰ বাবে আবেদন কৰা এজন প্ৰাৰ্থীয়ে কোকোৰাঝাৰ কলেজত শ্ৰীবিমল কুমাৰ চন্দক নিয়োগ কৰাৰ বিষয়ে এখন আপত্তি দৰ্খাস্ত দাখিল কৰিছিল। উক্ত বিষয়ত অনুসন্ধান কৰা হয় আৰু শ্ৰীচন্দকৰ নিযুক্তি বাতিল কৰা হয়।

(ঘ)—শিক্ষক নিযুক্তিৰ বিষয়ত কলেজ পৰিচালনা সমিতিয়ে সকলো নিয়ম নীতি ৰক্ষা কৰি প্ৰস্তাৱ দাখিল কৰিলে চৰকাৰে অনুমোদন জনায়।

Shri Binai Khungur Basumatary—Mr. Speaker, Sir, when was this appointment cancelled?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, নিৰ্দিষ্ট তাৰিখতো এতিয়া মোৰ মনত নাই। কিন্তু আবেদনখন পোৱাৰ লগে লগে বিচাৰ আদেশটো বাতিল কৰা হয়।

Only one approval of appointment, that is the case of Shri Bimal Kumar Chandak, Lecturer in the Department of Economics has been cancelled by the Department on receipt of a representation against the approval of appointment of Shri Chandak. A latter and tetegram have been sent to this effect. The Governing Body's resolution is examined whether the college authorities selected the teaching and non-teaching staff by proper advertisement, constituting a Selection Committee by its Governing Body supported by appropriate resolution in favour of the selected person by the Governing Body. If all these are made as per procedure, the Director approves the appointment.

Shri Binai Khungur Basumatary—Sir, has there been any such case, when a person was selected and appointed but subsequently on the basis of a challenge the said appointment was cancelled ? Has there been any other repeat performance on this line ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত কলেজে সকলো নিয়ম নীতি ৰক্ষা কৰিয়েই প্ৰস্তাৱ দাখিল কৰে। তথাপিও যদি সেই প্ৰস্তাৱত কিবা বিসঙ্গতি থাকে তেন্তে চৰকাৰে তাক পৰীক্ষা কৰি ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

Shri Charan Narzary—Mr. Speaker Sir, may I know from the Hon. Education Minister as to whether the representation of the Kokrajhar College Students' Union

and that to the Hon. Minister of Education by me, has been considered ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )—অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে মোক দিয়া আবেদন পত্ৰখন অনুসন্ধানৰ কাৰণে বিভাগীয় কৰ্তৃপক্ষলৈ পঠোৱা হৈছে।

Shri Binai Khungur Basumatary Sir, I have with me a letter from the Principal of the College which goes counter to the statement given by the Education Minister. The Principal of the College in this letter has informed the confirmation of the appointment by Governing Body. Therefore, Sir, will the Minister Incharge kindly reconsider that the appointment is made as per rule ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো বিষয়ৰ ওপৰত মোৰ দৃষ্টি আকৰ্ষণ কৰিছে সেইটো পৰীক্ষা কৰি চোৱা হব।

বি: উপদেষ্টা সমিতি

শ্ৰীজয় নাথ শৰ্মাই সুধিছে :

*৩৬০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ উপদেষ্টা সমিতি এখন আছে নেকি ?

(খ) আছে যদি, এই সমিতিৰ গঠন পদ্ধতি আৰু কৰ্ম পদ্ধতি কেনেকুৱা আৰু যোৱা দুই বছৰত এই সমিতিৰ কি কি বিষয়ৰ ওপৰত কেইবাৰ বৈঠক বহিছে জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামীয়ে ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৬০। (ক)—হয়, এখন উপদেষ্টা সমিতি আছে।

(খ)—এই সমিতিখন অসম চৰকাৰে তলত উল্লেখ কৰা বিষয় সমূহৰ ওপৰত ৰাজ্য চৰকাৰক উপদেশ দিয়াৰ বাবে গঠন কৰি দিয়ে।

(১) পুৰণি, দুষ্প্ৰাপ্য আৰু মূল্যবান গ্ৰন্থসমূহ তালিকাভুক্ত কৰি ৰক্ষনা-বেক্ষণ কৰা।

(২) অসমৰ বিভিন্ন ঠাইত সিচৰিত হৈ থকা মূল্যবান পুৰণি সাঁচিপাতৰ পুথি সমূহৰ অনুসন্ধান আৰু সংগ্ৰহ কাৰ্য্য চলোৱা।

(৩) বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত থকা দুষ্প্ৰাপ্য কিতাপ সমূহ প্ৰকাশ কৰা,

(৪) সৰ্ব্বভাৰতীয় প্ৰদৰ্শনী আৰু আলোচনা চক্ৰ আদিত এই বিভাগৰ দুষ্প্ৰাপ্য পুথি আৰু সাঁচিপতীয়া পুথিসমূহ প্ৰদৰ্শন কৰা।

(৫) ডেকা চামৰ মাজত এই বিভাগৰ পৰা সা-সুবিধা আগবঢ়াই বুৰঞ্জীমূলক গবেষণাৰ বাবে উৎসাহ জগোৱা।

(৬) ইয়াৰ বাহিৰেও বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ উন্নতি কল্পে লাগতিয়াল ব্যৱস্থা লোৱা।

যোৱা দুই বছৰত এই সমিতিখনৰ বৈঠক দুবাৰ বহিছে। প্ৰকাশন উপ-সমিতিখনৰ বৈঠক এবাৰ বহে।

এই বৈঠকত পূৰ্ব্বৱৰ্ত্তী বৈঠকৰ প্ৰস্তাৱ সমূহ গৃহীত কৰা, সচিৱৰ বছৰেকীয়া প্ৰতিবেদন বিভাগৰ প্ৰকাশন, বিভাগৰ গৱেষণা আঁচনি আদি বিষয়ত আলোচনা কৰা হয়।

শ্ৰীজয় নাথ শৰ্মা—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে দিয়া উত্তৰত মোৰ এটা প্ৰশ্ন সুধিব লগা হল—যোৱা ২ বছৰত এই সমিতিখনৰ বৈঠক মাত্ৰ দুবাৰহে বহিল। এই দুবাৰ বৈঠকতে সকলো কাম ঠিকমতে কৰিব পাৰিলেনে? বৰ্তমান এই সমিতিখনৰ সদস্য সকল কোন কোন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে এই উপদেষ্টা কমিটিখন যোৱা ৫-১২-৮৩ তাৰিখে গঠন কৰি দিয়ে। বৰ্তমান সমিতিৰ সদস্য সকল হল।

| | | |
|---|---|---|
| ১। | শিক্ষামন্ত্ৰী, অসম— | সভাপতি |
| ২। | আয়ুক্ত শিক্ষা বিভাগ— | সদস্য |
| ৩। | সঞ্চালক, জাতীয় অভিলেক্ষ্যাগাৰ, নতুন দিল্লী— | সদস্য |
| ৪। | গ্ৰন্থাগাৰিক, কেন্দ্ৰীয় পুথিভড়াল | ” |

৫। মুখ্য কার্য্যবাহী বিষয়া, উত্তৰ কাছাৰ পাহাৰ জিলা হাফলং সদস্য
৬। ডঃ এচ, এন, শৰ্মা, ৰিহাবাৰী— ,,
৭। প্ৰঃ যোগেন ফুকন, গুৱাহাটী বিশ্ববিদ্যালয়— ,,
৮। ডঃ ধৰ্মেশ্বৰ চুতীয়া, প্ৰবক্তা, সংস্কৃত কলেজ— ,,
৯। শ্ৰীপ্ৰকৃতীষ চন্দ্ৰ বৰুৱা, গৌৰীপুৰ জিলা, ধুবুৰী— ,,
১০। শ্ৰীভূবন চন্দ্ৰ সন্দিকৈ, গান্ধী নগৰ, তেতেলীয়া, পোঃ সোণাপুৰ— ,,
১১। ডঃ এচ, পি, দে, প্ৰবক্তা কাছাৰ কলেজ— ,,
১২। সঞ্চালক, বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ, গুৱাহাটী— ,,

মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ লগত একমত যে অসমৰ ঐতিহ্য ৰক্ষা কৰা এই কমিটিখনৰ বৈঠক খৰতকীয়া হোৱা প্ৰয়োজন। ময়ো ইয়াৰ গতিশীলতা বৃদ্ধি কৰাৰ প্ৰয়োজন অনুভৱ কৰিছো। ১৯৮৩ চনত গঠন হোৱা সমিতিখনৰ বৈঠক তুবাৰহে বহিছে। এই সমিতিখন কাৰ্য্যক্ষম কৰি তুলিবৰ কাৰণে আমাৰ নতুন চৰকাৰে ব্যৱস্থা লব।

শ্ৰীজয় নাথ শৰ্মা—অধ্যক্ষ মহোদয়, 'খ' প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে জনাইছে যে এই বিভাগে ডেকা চামৰ মাজত সা-সুবিধা আগবঢ়াই বুৰঞ্জীমূলক গৱেষণাৰ বাবে উৎসাহ যোগাব। ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈ ডেকা চামক এই বিভাগে বুৰঞ্জী মূলক গৱেষণাৰ বাবে কিমান সুবিধা দিছে আৰু বুৰঞ্জী মূলক কিমান কিতাপ এই বিভাগে প্ৰকাশ কৰিছে জনাব-নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )—অধ্যক্ষ মহোদয়, মোৰ হাতত সম্প্ৰতি এই তথ্য নাই। কিন্তু এইটো ঠিক যে এই বিভাগটো সিমান কাৰ্য্যক্ষম হৈ উঠা নাই। মই প্ৰথমতে অনুসন্ধান কৰিয়েই লক্ষ্য কৰিছো যে ইয়াৰ মূল উদ্দেশ্য আৰু লক্ষ্যত উপনীত হবলৈ হলে বিশেষ ভাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী—অধ্যক্ষ মহোদয়, অসমৰ এই বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ কাৰ্য্যালয়টো কটন কলেজৰ চৌহদত পৰি থকা দেখিছো। মন্ত্ৰী মহোদয়ে জনাব নেকি এই বিভাগে এতিয়ালৈকে কিমান বুৰঞ্জী মূলক কিতাপ ছপা কৰি উলিয়াইছে আৰু ইয়াৰ কাৰণে কিমান টকা

খৰচ হৈছে ? নে এই বিভাগটো ভেকোভাওনা হিচাবেহে ৰখা হৈছে ?

শ্রীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্রী ) অধ্যক্ষ মহোদয়, এই বিষয়ে বেলেগ প্রশ্ন কৰিলে উত্তৰ দিবলৈ ভাল হব ।

Ro : Flying Club in Assam

Shri Ganesh Kutum asked :

* 361. Will the Minister, Education be pleased to State—

(a) Whether there is any Flying Club in Assam under the control of Government of Assam ?

(b) If so, the number of trainees has been receiving training and the total number of Air Crafts under its possession ?

শ্রীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্রী ) য়ে উত্তৰ দিছে :

৩৬১। (ক)—হয়। অসম চৰকাৰৰ অধীনত এটি উৰণ সংঘ থকাটো সঁচা। ইয়াক অসম উৰণ সংঘ ( পৰিসীমিত ) নামে জনা জায়। এইটোৱে সমগ্র উত্তৰ পূৰ্ব্বাঞ্চলৰ একমাত্র উৰণ সংঘ ।

(খ)—অসমৰ উৰণ সংঘৰ অধীনত বৰ্ত্তমান ৩৫ ( পয়ত্রিশ ) জন ছাত্রই উৰণ প্রশিক্ষণ লৈ আছে । ছাত্র সকলৰ প্রশিক্ষণৰ বাবে দুখন পুষ্পক আকাশী যান আছিল । কিন্তু ক্রমে ৩-৮-৮১ আৰু ২৯-৭-৮৫ তাৰিখে দুর্ঘটনাত পতিত হোৱাৰ ফলত বৰ্ত্তমান নিষ্কাম হৈ পৰি আছে । উক্ত পুষ্পক আকাশী যান দুখনৰ ভিতৰত এখনৰ মেৰামতিৰ বাবে আৰু প্রায় ১১ লাখ ( এঘাৰ লাখ ) টকা মূল্যৰ এখন অত্যাধুনিক "চেছ্‌না—১৫২" নামৰ নতুন আকাশী যান কিনাৰ বাবে প্রস্তুতি/চেষ্টা চলাই থকা হৈছে।

Shri Binai Khungur Basumatari—Sir, may I know who is the Chief Pilot Instructor of the flying club ?

শ্রীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্রী )—অধ্যক্ষ মহোদয়, মই এতিয়া গোটেই 'মেনেজমেন্ট' টোৰ বিষয়ে কব লাগিব ।

Mr. Speakar—Who is the Pilot Instructor ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )—অধ্যক্ষ মহোদয়, প্ৰশ্নটো যি ধৰণেৰে সুধিছে সেই ধৰণৰ তথ্যখিনি মই ইয়ালৈ লৈ অহা নাই।

Shri Binai Khungur Basumatari—North East India has very good potential of fliers and some of us who were in service had good experience and we have good standard. Now recently Govt. of India has declared scholarships. Whether the Assam Flying Club is trying to get those scholarships from Govt. of India ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই আগৰ প্ৰশ্নৰ উত্তৰতে কৈ দিছো যে আমাৰ 'এডমিনিষ্ট্ৰেটিভ' ষ্টাফৰ চিফ পাইলটৰ প'ষ্টটো ভেকেণ্ট আছে, এচিচটেণ্ট পাইলট হ'ল আৰ, ইছলাম আৰু ফ্লাইং পাইলত হ'ল পি চি দলে আৰু দ্বিতীয় প্ৰশ্নৰ উত্তৰত কও যে এই বিষয়ত ট্ৰেইনি সকলক সা-সুবিধা দিয়াৰ কথাটো মই পিচত জনাব পাৰিম।

Shri Binai Khungur Basumatari—Sir, a serious thing has happened. Without the Chief Pilot Instructor the trainees cannot be allowed to fly aircraft alone. So. as long as there is no Chief Pilot Instructor, continuance of the club is useless and meaningless. So, will the Govt. employ early the Chief Pilot Instructor ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )—অধ্যক্ষ মহোদয়, আগৰ যি দুখন আকাশী যান আছিল সেই দুখন এতিয়া নাই। নতুনকৈ কিনাৰ পূৰ্বেই এই ব্যৱস্থা লোৱা হব।

শ্ৰীগনেশ কুটুম—অধ্যক্ষ মহোদয়, যি ৩৫ গৰাকী প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষন দিয়া হৈছে সেই সকল অসমীয়া নে বাহিৰৰ পৰা অহা ছাত্ৰ।

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )—অধ্যক্ষ মহোদয়, উপযুক্ততাৰ ভিত্তিত তেওঁলোকক দিয়া হয় আৰু এন, চি, চি কেডেটৰ পৰাও তেওঁলোকক চিলেক্ট কৰা হয়।

শ্ৰীগনেশ কুটুম—অধ্যক্ষ মহোদয়, মই সুধিছো ৩৫ গৰাকী ছাত্ৰ অসমীয়া ছাত্ৰ

নে বাহিৰৰ ছাত্ৰ।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)—অধ্যক্ষ মহোদয়, প্ৰত্যেক জন ট্ৰেইনিৰ স্থান আৰু ঠিকনা মোৰ হাতত নাই, পিচত জনাম।

বিঃ খেলাধূলাৰ বাবদ টকা খৰচ

কুমাৰ দীপক দাসে সুধিছে :

* ৩৬২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) খেলাধূলাৰ বাবে ১৯৮০ চনৰ পৰা এতিয়ালৈকে কিমান টকা খৰচ কৰা হ'ল?

(খ) খেলাধূলাৰ মানদণ্ড উন্নত কৰাৰ কাৰণে কিবা নতুন আঁচনি আছে নেকি?

(গ) যদি আছে, আঁচনিবোৰ কি জনাবনে?

(ঘ) বৰপেটা অঞ্চলত খেলাধূলাৰ মানদণ্ড উন্নত কৰাৰ কাৰণে ষ্টেডিয়াম আদি নিৰ্মানৰ আঁচনি আছে নেকি?

(ঙ) যদি নাই, চলিত বিত্তীয় বছৰটোও এনে আঁচনি লব পৰা যাবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৬২। (ক)—১৯৮০ চনৰ পৰা এতিয়ালৈকে খেলা-ধূলাৰ বাবে মুঠ পৰিকল্পনাত ৭৫ লাখ টকা খৰচ কৰা হৈছে।

(খ)—আছে। ক্ৰীয়া মহাবিদ্যালয় NIS কেন্দ্ৰী স্থাপন, মিনি ষ্টেডিয়াম আৰু স্পটচ হোষ্টেল আদি আঁচনি গ্ৰহণ কৰা হৈছে।

(গ)—ওপৰত (খ) প্ৰশ্নৰ উত্তৰ সাঙুৰি দিয়া হল।

(ঘ)—তেনেকুৱা আঁচনি বৰপেটা অঞ্চলৰ বাবে গ্ৰহণ কৰা হোৱা নাই। কিন্তু এই বিত্তীয় বছৰটোৰ ভিতৰত জালাহ আৰু গবৰ্দ্ধন উন্নয়ন খণ্ডত মিনি ষ্টেডিয়াম নিৰ্মানৰ বাবে আঁচনি চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঙ)—ওপৰৰ প্ৰশ্নোত্তৰত সাঙুৰি লোৱা হৈছে।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী—অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নেকি যে কিছুমান গ্ৰাম্য ষ্টেডিয়ামৰ কাৰণে পইচা-পাতি গ্ৰাণ্ট কৰা হৈছিল সেইবোৰ এতিয়াও পোৱা নাই যেনে চামতা, জাগ্ৰা মোৰ সমষ্টিৰে আজি বিভিন্ন ষ্টেডিয়ামে পইচাটো পোৱা নাই। মুখ্যমন্ত্ৰীয়ে

এইটো অনুসন্ধান কৰি জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )—এই সম্পৰ্কে চোৱা হৈছে, ৰিৰ্পট অহা নাই।

কুমাৰ দীপক দাস—অধ্যক্ষ মহোদয়, এতিয়ালৈকে যিমানখিনি টকা খৰচ কৰা হৈছে, তাৰ বেচি অংশ খেলা-ধুলাৰ নামত খৰচ কৰা হোৱা নাই। এই অভিযোগ ইতিমধ্যে উঠিছে। তদন্ত কৰাৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী )—তেনে অভিযোগ বৰ্ত্তমানলৈকে পোৱা নাই।

কুমাৰ দীপক দাস— অধ্যক্ষ মহোদয়, জিলা ভিত্তিত যি বিলাক খেলাৰ প্ৰতিযোগিতা, যেনে ভলীবল, ফুটবল আদি, তাৰ পৰিচালনাৰ কাৰণে যিমানখিনি টকা দিয়া হয় সেই টকা যথেষ্ট কম, এই টকাটো বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিবনেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, এতিয়ালৈকে এনে অভি-যোগ মোৰ হাতত পৰাহি নাই।

শ্ৰীপদ্মনাথ কৈৰী—অধ্যক্ষ মহোদয়, চাহবাগান সমূহটো তেনে ধৰণৰ ষ্টেডিয়ামৰ ব্যৱস্থা কৰিবনেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )—বিষয়টো বিবেচনাধীন হৈ আছে।

শ্ৰীদেবেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, প্ৰতিখন গাওঁ পঞ্চায়তত ১ লাখ কৈ টকা দিয়াৰ কথা, এতিয়ালৈকে যি কেইখন পঞ্চায়ত বাকী আছে, সেই কেইখনটো দিয়াৰ ব্যৱস্থা কৰিবনেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, তেখেতে কথাটো লোকৰ পৰা শুনিছে বোধ হয়, কথাটো সঁচা নহয়।

কুমাৰ দীপক দাস—অধ্যক্ষ মহোদয়, খেলাধুলাৰ নামত যিটো টকা দিয়া হৈছে, সেইটো কম হৈছে বুলি দৰ্খাষ্ট দিছে, তাৰ এটা ব্যৱস্থা লব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, পইচা কম হৈছে বুলি দৰ্খাষ্ট অহা নাই, আৰু লাগে বুলিহে দৰ্খাষ্ট অহিছে।

বি: বিহপুৰীয়াত মহকুমা গঠন

শ্ৰীকেশৰাম বৰাই সুধিছে :

* ৩৬৩। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাইজে কৰা দাবী অনুসৰি উত্তৰ লক্ষীমপুৰৰ বিহপুৰীয়াত এটা মহকুমা গঠন কৰাৰ ব্যৱস্থা চৰকাৰে লৈছেনে ?

(খ) যদি লৈছে, কেতিয়া ইয়াৰ কাৰ্য্যকাৰী ব্যৱস্থা গ্ৰহণ কৰিব জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৬৩। (ক)—লক্ষীমপুৰ জিলাৰ বিহপুৰীয়াও এটা মহকুমা গঠন কৰাৰ ব্যৱস্থা চৰকাৰে বৰ্ত্তমান লোৱা নাই।

(খ)—প্ৰশ্ন নুঠে।

শ্ৰীকেশৰাম বৰা :— মাননীয় অধ্যক্ষ মহোদয়, বিহপুৰীয়াত মহকুমা হিচাবে ঘোষণা কৰাৰ সকলো ব্যৱস্থা থকাৰ পিচতো প্ৰশাসনীয় অসুবিধালৈ লক্ষ্য ৰাখি সোনকালে বিহপুৰীয়াক মহকুমা হিচাবে ঘোষণা কৰাৰ কথাটো বিবেচনা কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, বিহপুৰীয়াত মহকুমা কৰিবৰ কাৰণে ৰাইজৰ পৰা বহুতো আবেদন পোৱা হৈছে। এই সম্পৰ্কে লক্ষীমপুৰ জিলাৰ মহকুমাধিপতিক উত্তৰ অসমৰ উপায়ুক্ত তেজপুৰৰ জৰিয়তে এটা ৰিপোৰ্ট দাখিল কৰিবলৈ অনুৰোধ কৰা হৈছে।

শ্ৰীজয়নাল আবেদ্দিন :— অধ্যক্ষ মহোদয়, জানুৱাৰী মাহৰ অধিবেশনতো মহকুমা গঠন সম্পৰ্কে আলোচনা কৰা হৈছিল। আৰু তেতিয়া কোহলী কমিটিৰ প্ৰতিবেদন অনুসৰি বিবেচনা কৰা হব বুলি কৈছিল। এতিয়া সেই বিবেচনা পুনৰ কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, এই সম্পৰ্কে চৰকাৰে বিবেচনা কৰি আছে। আৰু কোহলী কমিটিৰ ৰিপোৰ্ট অধ্যয়ন কৰি আছে। অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীবলোভদ্ৰ তামুলী :— অধ্যক্ষ মহোদয়, বোকাখাটকো মহকুমা হিচাবে ঘোষণা কৰা কথাটো কাগজে পত্ৰে ওলাইছে। ইয়াৰ নামো কাজিৰঙা মহকুমা দিব বুলি ওলাইছে। চৰকাৰে এই বিষয়ে কিবা চিন্তা কৰিছেনে।

শ্ৰীভৃগু কুমাৰ ফুকন : ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, এইটো এটা সুকীয়া প্ৰশ্ন।

Re : Construction of bridges and buildings

Shri Karnendu Bhattacharjee asked :

* 364. Will the Minister, Rural Development be pleased to state—

(a) Whether the Government is aware of the fact that constructions of bridges, buidings etc. in Cachar district under P. W. D. Flood Control, Rural Development Departments have been affected I stopped due to non availabilty of timber ?

(b) If so, factors leading to this searcity and the steps the Government proposes to take to meet the shortage ?

Shri Lalit Chandra Rajkhowa ( Minister, Rural Development ) replied :

364. (a)—Yes, work has been affected.

(b)—Due to non-availability of timber following closure of several Saw Mills. Government is trying to obtain supply of timber.

Shri Karnendu Bhattacharjee : Hon'ble Mr. Speaker, Sir, from the last three months there is no timber. Government have taken some steps to supply them. But the Government is not taking any action to see that they are actually supplied and the bridges are constructed. So I want a specific answer from the hon'ble Minister whether government will take prompt action to supply timber.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী )— মাননীয় সদস্য গৰাকীয়ে যি প্ৰশ্ন কৰিছে এই সম্পৰ্কত আমাৰ চৰকাৰৰ তৰফৰ পৰা অৰ্থাৎ ফৰেষ্ট বিভাগৰ তৰফৰ পৰা কাঠ বন্ধ কৰাৰ ক্ষেত্ৰত এটা পলিচি লোৱা হৈছিল। এই পলিচি যোৱা জানুৱাৰী মাহৰ ২৬ তাৰিখে লোৱা হৈছিল। আৰু এইটো

এই কাৰণেই লোৱা হৈছিল যে, অবৈধভাবে কাঠ বাহিৰলৈ গৈছিল। আৰু যোৱা ৭ মাৰ্চ তাৰিখত এইটো খুলি দিয়া হৈছে। ইতিমধ্যে কাঠবিলাক চাপ্লাই দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গোটেই কথাটোত ফৰেষ্ট বিভাগ জৰিত হৈ আছে। গতিকে এই বিভাগৰ লগত আলোচনা কৰি আমাৰ যিবিলাক কাম হোৱা নাই এই কামবিলাক কৰাৰ ব্যৱস্থা কৰিব লাগিব।

Shri Binai Khungur Basumatary : Sir, all the bridges in my area are wooden and all of them are damaged. Now will the Forest Department supply timber to repair these wooden bridges ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা : ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, এইটো নিজৰ এৰিয়াৰ কথা কৈছে। ফৰেষ্ট বিভাগৰ লগত আলোচনা কৰি আমি যিখিনি কাম হোৱা নাই সেইখিনি কৰাৰ ব্যৱস্থা কৰিম।

বি : বুৰীসুতী নদীৰ জলসিঞ্চন আঁচনি

শ্ৰীগণেশ বড়োৱে সুধিছে :

* ৩৬৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

বঙাইগাওঁ জলসিঞ্চন বিভাগৰ ডিভিজনেল অফিচৰ তলত বুৰীসুতী নদীৰ জলসিঞ্চন আঁচনিৰ কাম কেতিয়া আৰম্ভ হব অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৬৫। সপ্তম পৰিকল্পনাৰ ভিতৰত এই আঁচনি আৰম্ভ হোৱাৰ সম্ভাৱনা নাই।

শ্ৰীগণেশ বড়ো :— অধ্যক্ষ মহোদয়, বুৰীসুতী জলসিঞ্চন আঁচনিৰ কাম কেতিয়া আৰম্ভ কৰিব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই অলপ বহলাই কব বিচাৰিছো। বুৰীসুতী মানাহ নদীৰ এখন প্ৰধান উপনদী। এই নদীৰ দুয়োপাৰ সামৰি কোকৰাঝাৰ জিলাৰ মানিকপুৰ, বাবু বজাৰ ব্লক আৰু বৰপেটা জিলাৰ গোবৰ্দ্ধন ব্লকৰ লাৰুগাওঁ, কাগুনাগাওঁ, বৰগাওঁ, পানবাৰী, চুলীয়কাটা আৰু পাটকাটা গাওঁ প্ৰমুখ্য কৰি ৬৮ খন গাৱঁৰ

মুঠ অনুমানিক ৭০০০ হেক্টৰ মাটিৰ ( জি, চি, এ ), প্ৰায় ৬০০০ হেক্টৰত ( চি, চি, এ ) পানী যোগানৰ সুবিধা হোৱাকৈ প্ৰায় ১৪০০,০০ লাখ টকাৰ এটা মজলীয়া প্ৰকল্পৰ আচনিৰ কাৰণে ১৯৮৩ চনৰ নৱেম্বৰ মাহত প্ৰাৰম্ভিক ভাবে এখন আচঁনি প্ৰস্তুত কৰা হৈছিল, কিন্তু কেন্দ্ৰীয় জল আয়োগৰ অধ্যয়ন তথা অনুমোদনৰ কাৰণে আৰু অধিক তথ্যৰ প্ৰয়োজন হোৱাত বিশদ অনুসন্ধান সাপেক্ষে এই আচঁনিৰ ( প্ৰজেক্ট ৰিপৰ্ট ) প্ৰস্তুতিৰ কাম সত্বহতে চলি আছে।

পৰিকল্পনা আয়োগৰ ওৱৰ্কিং গ্ৰুপৰ লগত হোৱা আলোচনা মৰ্ম্মে ৭ম পৰিকল্পনাৰ ১ম তিনিটা বছৰত কোনো ধৰণৰ নতুন বৃহত্ বা মজলীয়া আচঁনি হোৱাৰ থল নাই। সেই ক্ষেত্ৰত এই মজলীয়া আচঁনি অনুমোদনৰ বাবে সপ্তম পৰিকল্পনাৰ শেষৰ ভাগত প্ৰাক্কলনটো কেন্দ্ৰীয় জল আয়োগৰ হাতত পেচ কৰা হব।

বি : স্থায়ী চাহ শ্ৰমিক

শ্ৰীনবেন তাঁতীয়ে সুধিছে :

*৩৬৬। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কিমান স্থায়ী চাহ শ্ৰমিক আছে আৰু কিমান অস্থায়ী চাহ শ্ৰমিক আছে ?

(খ) অসমত থকা অস্থায়ী চাহ শ্ৰমিক বিলাকক স্থায়ী কৰাৰ কিবা ব্যৱস্থা লৈছেনে ?

(গ) যদি লৈছে, কেনে ধৰণৰ ব্যৱস্থা লৈছে জনাবনে ?

(ঘ) যদি নাই লোৱা, কিয় নাই লোৱা জনাবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেংগা ( শ্ৰম বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৬৬। (ক)—স্থায়ী— ৪,২৭,১২২ জন। অস্থায়ী— ৬৯,৬৩৫ জন।

(খ)— লৈছে।

(গ)—বাগিছাত যাতে স্থায়ী শ্ৰমিকৰ সংখ্যা কোনোপধ্যে হ্ৰাস নহয় তাৰ ব্যৱস্থা লবলৈ শ্ৰমদপ্তৰৰ ক্ষেত্ৰ বিষয়া সকলক নিৰ্দেশ দিয়া আছে। আৰু প্ৰয়োজন সাপেক্ষে আইন অনুযায়ী ব্যৱস্থা লবলৈও কোৱা হৈছে। চালি-

চীকৰণৰ মাধ্যমেৰেও শ্ৰমিক স্থায়ীকৰণ কৰা হয়। চাহ মালিক সংস্থা, শ্ৰমিক সংঘ আৰু চৰকাৰৰ প্ৰতিনিধিৰ দ্বাৰা গঠিত ৰাজ্যিক 'টেণ্ড্ৰিং লেবাৰ কমিটিৰ' সভাত এই বিষয়টো আলোচনা হয়।

(ঘ)—প্ৰশ্ন নুঠে।

শ্ৰীনৰেন তাঁতি —অধ্যক্ষ মহোদয়, মোৰ এই প্ৰশ্নৰ উত্তৰত অলপহে কৈছে। নহলে বাকী প্ৰশ্ন বিলাকত দৃষ্টি গোচৰ হোৱা নাই বুলিয়েই কয়। যি হওক, প্ৰশ্নটোৰ উত্তৰ দিয়াত মই মন্ত্ৰীমহোদয়ক ধন্যবাদ জনাইছো। মই আমাৰ অধ্যক্ষ মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যে, চাহবাগিছাৰ ক্ষেত্ৰত বহুতো প্ৰশ্ন কৰা হ'ল, কিন্তু উত্তৰ পোৱা নাই। গতিকে আমাৰ প্ৰশ্ন বিলাকৰ উত্তৰ পৰবৰ্ত্তী অধিবেশনত পাব লাগে। এতিয়া আমাৰ যি অস্থায়ী শ্ৰমিক ব্যৱস্থা লোৱা হৈছে সেই বিষয়ে অলপ মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেংগা : ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, যুক্তিসংগত প্ৰশ্নৰ উত্তৰ যুক্তিসংগতভাবে দিব লাগে। গছৰ ফললৈ দলিয়ালে ফল পৰে। চাহ বাগানৰ চাহ মজদুৰৰ ওপৰত থকা আইন কানুনৰ ওপৰত প্ৰশ্ন কৰিলে উত্তৰ দিব পাৰি, যিবিলাকৰ আইন নাই তেনে প্ৰশ্নৰ উত্তৰ দিয়াত অসুবিধা হয়।

## Undiposed starred Questions
## Dated 3rd April, 1986

### বি : চাহ ৰাগিছাৰ স্কুল চৰকাৰীকৰণ

শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে :

* ৩৬৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজ্যৰ চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয় সমূহ চৰকাৰীকৰণ কৰাৰ কিবা প্ৰস্তাৱ আছে নেকি ?

(খ) বাগিছাত বসবাস কৰা জনসংখ্যা অনুযায়ী প্ৰাথমিক ৰিদ্যালয়ৰ সংখ্যা বঢ়াৱনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৬৭। (ক)—ৰাজ্যৰ চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয় সমূহ জাজী সাপেক্ষে আৰু পৰ্য্যায়ক্ৰমে প্ৰাদেশীকৰণ কৰাৰ কথা চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঘ)—উপযুক্ত জৰীপ সাপেক্ষে বিবেচনা কৰা হব।

বিঃ ডি, আৰ ডিৰ চাৰচিডিৰ টকা

শ্ৰীৰসিদুল হকে সুধিছে :

* ৩৬৮। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চৰকাৰে এই কথা জানেনে যে ডি, আৰ, ডিৰ, জৰিয়তে দিয়া ঋণৰ ক্ষেত্ৰত চাবচিডিৰ টকা ঋণ গ্ৰহিতাক নিদি বিভাগীয় কৰ্মচাৰী সকলেই ভগাই লয় ?

(খ) যদি নেজানে, তেন্তে চৰকাৰে এই বিষয়ে অন্ততঃ নগাওঁ জিলাৰ জুৰিয়া উন্নয়ন খণ্ডৰ এলেকাধীন ঋণ গ্ৰহিতা সকলৰ মাজত এটা তদন্ত চলোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৬৮। (ক) তেনে কোনো অভিযোগ বৰ্ত্তমানে চৰকাৰে পোৱা নাই।

(খ) মাননীয় সদস্যই দিয়া তথ্য অনুযায়ী ইতিমধ্যে তদন্ত কৰিবলৈ দিয়া হৈছে।

বিঃ মাছমৰীয়ালোকৰ ৰক্ষণাবেক্ষণ

শ্ৰীকামাখ্যাচৰণ চৌধুৰীয়ে সুধিছে :

* ৩৬৯। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) হাজো সমষ্টিত খিলঞ্জীয়া মাছমৰীয়া অনুসূচীত জাতিৰ লোকসকলে মাছ মাৰিয়েই জীৱিক নিৰ্বাহ কৰাটো চৰকাৰে জানেনে ?

(খ) হাজো অঞ্চলত স্বাভাৱিক বিল খালবোৰ প্ৰাকৃতিক অৱস্থা বা অইন কাৰণতেই শুকাই যোৱাৰ ফলত এই খিলঞ্জীয়া মাছমৰীয়া সকল ব্যৱসায় হীন হৈ পৰাটো চৰকাৰে জানেনে ?

(গ) যদি জানে, এই লোকসকলক ৰক্ষণাবেক্ষণ দিয়াৰ বাবে কি ব্যৱস্থা লৈছে ?

শ্ৰীনীলমণি দাস ( মীন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৬৯। (ক) হয়, জানে।

(খ) নাজানে, যিহেতু স্বাভাবিক বিল খালবোৰ মীন বিভাগৰ অধীনত নাই।

(গ) মৎস্য পালন বিভাগৰ আঁচনি সমূহৰ যোগেৰে।

বিঃ বনগাওঁ হিচাপে স্বীকৃতি

শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ

* ৩৭০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

গোলাঘাট জিলাৰ উৰিয়াম ঘাট অঞ্চলৰ ১৪ আৰু ১৫ নং বনাঞ্চলৰ বাসিন্দা সকলক বনগাওঁ হিচাবে স্বীকৃতি দিয়া হব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৭০। তেনে ধৰণৰ কোনো সিদ্ধান্ত লোৱা নাই।

Re : Dalgaon, Kharupetia, Sailabala and Bechimari High Schools.

Shri Abdul Jabbar asked :

* 371. Will the Minister of Education be pleased to State—

(a) Whether the Dalgaon Kharupetia Sailabala and Bechimari High Schools are going to be raised to Higher Secondary Schools in the current year ?

(b) If so, the Laboratory conditions of Kharupetia Higher Secondary Schools ?

Shri Brindaban Goswami ( Minister, Education ) replied :

৩৭১। (ক) এই ক্ষেত্ৰত কোনো সিদ্ধান্ত এতিয়ালৈকে লোৱা হোৱা নাই।

(খ) খাৰুপেটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পদাৰ্থবিদ্যা, ৰাসায়ণ আৰু জীৱবিদ্যাৰ বিজ্ঞানাগাৰৰ যাৱতীয় বিজ্ঞানৰ সা-সজুলি আছে। বিজ্ঞানাগাৰৰ ব্যৱহাৰিক শ্ৰেণীৰ বাবদ দুটি কোঠাহে বিদ্যালয়

খনত আছে। আৰু এটি অতিৰিক্ত কোঠাৰ প্ৰয়োজন আছে।

বিঃ গুৱাহাটী মহানগৰী বানপানীৰ পৰা উদ্ধাৰ

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

* ৩৭২। माननीय পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—বাৰিষা গুৱাহাটী মহানগৰী বানপানীৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ বাবে বৈজ্ঞানিক ভিত্তিত কিবা আঁচনি কৰাৰ কথা চৰকাৰৰ আছেনে ?

শ্ৰীচহিদুল আলম চৌধুৰী ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৭২। আছে।

Re . Small Tea gardens established in Tinsukia Subdivision

Shri Dleswar Tanti Asked :

* 373. Will the Minister, Labour be pleased to state—

(a) Whether the Government is aware that a large number of Small Tea Gardens have been established in Tinsukia Sub-Division recently ?

(b) If so, the names of the gardens and who are the owners ?

c) Whether all the above mentioned new gardens are paying minimum wages (illigible by plantation workers) to their workers ?

শ্ৰীবাকি প্ৰসাদ টেলেঙ্গা ( শ্ৰম বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৭৩। (ক) তিনিচুকীয়া মহকুমাৰ অধিনত ৩ খন চাহ বাগিছা খোলাৰ কথা চৰকাৰে জানে।

(খ) খেতো চাহ বাগিছাৰ মালিক ঈশ্বৰ দাস এণ্ড ব্ৰাডাৰ্চ, ডাকঘৰ তিনিচুকীয়া। বৃন্দাবন চাহ বাগিছাৰ মালিক শ্ৰীৰাধাকৃষ্ণ আগৰৱালা মাৰফৎ ভাৰত হাৰ্ডওৱেৰ ষ্টোৰ, ডাকঘৰ তিনিচুকীয়া আৰু কেদাৰ-গুৰী চাহ বাগিচাৰ মালিক ঘনশ্যাম আগৰৱালা আৰু অন্যান্য-সকল, ডাকঘৰ ডুমডুমা।

(গ) ত্রিপক্ষিক চুক্তি অনুযায়ী মজুৰী দিছে।

বি: মৰাপাট কল

শ্ৰীআব্দুল জলিলে সুধিছে :

* ৩৭৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শিলঘাটৰ অসম সমবায় মৰাপাট কলটোৰ কাম পুনৰ আৰম্ভ হৈছেনে ?

(খ) যদি হৈছে, কোন তাৰিখৰ পৰা উৎপাদন আৰম্ভ হৈছে আৰু দৈনিক উৎপাদন কিমানকৈ হৈছে ?

(গ) এই মৰাপাট কলত মুঠ কিমান জন কৰ্মচাৰী আৰু বিষয়াই কাম কৰে ?

(ঘ) এই মৰাপাট কলৰ মাহিলী ব্যয় কিমান হয় আৰু মাহিলী উৎপাদনৰ টকাৰে ব্যয় পূৰণ কৰিব পাৰে নে ?

(ঙ) এতিয়ালৈকে এই মৰাপাট কলটোৰ কিমান টকা লাভ আৰু কিমান টকা লোকচান হৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৭৪। (ক) হয়, হৈছে।

(খ) ১।১।৮৬ তাৰিখৰ পৰা, বৰ্ত্তমানে দৈনিক গড়ে ১·৫ টন কৈ উৎপাদন হৈছে।

(গ) ১।১।৮৬ তাৰিখে পুনৰ খোলাৰ পৰা ২৮।২।৮৬ তাৰিখলৈ মুঠ ২৭৪ জন কৰ্মচাৰী আৰু বিষয়াক পুনৰ নিযুক্তি দিয়া হৈছে আৰু তেওঁলোকে কাম কৰিছে।

(ঘ) মিলটো এতিয়ালৈকে পূৰ্ণ গতিত চলা নাই. গতিকে মিলৰ মাহিলী ব্যয় বা উৎপাদন ঠিৰাং কৰিব পৰা টান। পূৰ্ণ গতিত চলিলে মিলৰ আয়ৰ পৰা ব্যয় পূৰণ কৰিব পৰা হব।

(ঙ) মুঠ ৪১৭,০৬,৩২৪.৮৮ টকা লোকচান হৈছে।

বিঃ গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ বাবে টি টাউন শিল্প

শ্ৰীজগত হাজৰিকাই সুধিছে :

* ৩৭৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটী চাহ নিলাম কেন্দ্র ডাঙৰ হৈ অহাৰ লগে লগে ইয়াত এখন "টি টাউন শিল্প" গঢ়াৰ কথা চৰকাৰে ভাবিছেনে ?

(খ) যদি ভাবিছে, কেতিয়াৰ পৰা ব্যৱস্থা গ্ৰহণ কৰিব জনাবনে ?

শ্ৰীদিগেন বৰা ( উদ্যোগ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৭৫। (ক)—হয়, ভবা হৈছে।

(খ) আমিন গাঁৱত ৰেল বিভাগৰ পৰা আৱশ্যকীয় মাটি লৈ তাত চাহ নগৰী এখন সজাৰ কাৰণে অসম চৰকাৰে ১৯৮৬ চনৰ ২৭ ফেব্ৰুৱাৰী তাৰিখে এখন কমিটি গঠন কৰি দিছে আৰু উক্ত কমিটি খনক ছমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে।

Re: Construction of Bundhs in Dimru and Jugijan River

Shri Santi Ranjan Das Gupta Asked:

*376. Will the Minister, Flood Control be pleased to State—

(a) That to save the people of Jugijan Mauza in Hojai Constituency whether River Dimru and Jugijan will be controlled by constructing Bundhs on both sides of the Rivers ?

(b) Whether the Government is aware that every year the people of Jugijan Mauza suffers due to recurring Flood damage as caused by above two Rivers which are connected with River Kapili and River Jamuna ?

(c) Did previous Government made any survey about the cause of such recurring floods in Jugijan Mauza ?

শ্ৰীভবত চন্দ্ৰ নৰহ ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৭৬। (ক) বৰ্ত্তমান কোনো আঁচনি চৰকাৰে বিবেচনা কৰা নাই।

(খ) নাজানে।

(গ) নাই কৰা।

Re : Taxes received from new Vehicles

Shri Abdul Muqtadir Choudhury, asked :

(a) The amount of taxes received from the purchase of new vehicles for the year 1983-84, 1984-85 till date ?

(b) The rate of taxes ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

377. (a)—The amount of sales tax collected was as follows—

1983-84—Rs, 3,13,69,077·00

1984-85—Rs. 2,96,57,300·00

1985—86 Rs. 1,67,40,436·00 ( till 28th February 1986)

(b)—The rate of sales tax are as follows—

Motor Cars. 7%

All other motor vehicles 12%

বি : বোলছবিৰ প্ৰমোদ কৰ

শ্ৰীমুক্তাৰ হুছেনে সুধিছে :

*৩৭৮। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বোলছবিৰ প্ৰমোদ কৰ ৰেহাই দিয়াৰ বাবে চৰকাৰৰ নিৰ্দিষ্ট নিয়ম বা নীতি কি ?

(খ) বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পাছত কোনো বোলছবিক প্ৰমোদ কৰৰ পৰা ৰেহাই দিয়া হৈছেনে ? আৰু যদি হয় সেই বোলছবিটোৰ নাম কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৭৮। (ক)—বোলছবিৰ ওপৰত প্ৰমোদ কৰ ৰেহাই দিয়া সম্পৰ্কে এটি নীতি মন্ত্ৰী সভাই ১৯৭৭ চনত নিৰ্দিষ্ট কৰি দিয়ে। সেই নীতি অনুসৰি স্বদেশী আন্দোলন অথবা দেশপ্ৰেম মূলক অথবা ৰাষ্ট্ৰ গঠনক মূল ভেটি হিচাবে লৈ ৰূপায়িত কৰা বোলছবিৰ অথবা সৰু ল'ৰা-ছোৱালীৰ বাবে বিশেষ

ভাবে নিৰ্ম্মিত কৰা বোলছবি প্ৰমোদ কৰৰ পৰা ৰেহাইৰ বাবে সাধাৰণ ভাবে বিবেচনা যোগ্য বুলি ভৰা হয়। প্ৰাৰম্ভিক ভাবে বিবেচনা যোগ্য এই শ্ৰেণীৰ বোলছবি নিৰ্ম্মাতাৰ আবেদন অনুসৰি প্ৰথমতে তিনি জন সদস্যৰে গঠিত প্ৰিভিউ কমিটিৰ ( Preview Committee ) সন্মুখত প্ৰদৰ্শন কৰা হয়। এই সদস্য তিনিগৰাকী হ'ল- বিত্ত আয়ুক্ত বা তেওঁৰ প্ৰতিনিধি, শিক্ষা সচিব বা তেওঁৰ প্ৰতিনিধি আৰু সাংস্কৃতিক বিভাগৰ সঞ্চালক। কমিটিয়ে উপৰোক্ত নীতি লক্ষ্য ৰাখি বোলছবিৰ গুণাগুণ আৰু কৰ ৰেহাইৰ যোগ্য হয়নে নহয়, সেই বিষয়ে তেওঁলোকৰ এখন প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদনক ভিত্তি কৰি বিত্ত মন্ত্ৰীয়ে লোৱা সিদ্ধান্ত চূড়ান্ত সিদ্ধান্ত বুলি গণ্য কৰা হয়। ওপৰত উল্লেখিত বোলছবিৰ বাহিৰেও যিবোৰ বোলছবি ৰাষ্ট্ৰীয় বটা ( National Award Wining Films ) লাভ কৰে, সেই বোলছবি প্ৰমোদ কৰ ৰেহাইৰ বাবে বিবেচনা কৰা হয়।

(খ)—হয়, দিয়া হৈছে। 'এক পল' নামৰ পূৰ্ণ দৈঘ্য হিন্দী বোলছবি খনক এবছৰৰ বাবে প্ৰমোদ কৰৰ পৰা ৰেহাই দিয়া হৈছে।

### Re : Julanpur Bridge

Shri Abdul Rob Laskar asked :

* 379. Will the Minister, P. W. D. be pleased to state—

(a) Whether it is a fact that construction of Julanpur (Bridge) under Silchar P. W. D. Roads Division was sanctioned under M. N. P. Scheme ?

(b) Whether the contract has been given for construction, if so, when ?

(c) If so, whether the work has been started, if not, will the Government direct for construction of the work immediately ?

Shri Atul Bora ( Minister P. W. D , replied :

৩৭৯। (ক)—জুলনপুৰ দলং নিৰ্মাণৰ কোনো আঁচনি নিম্নতম চাহিদা কাৰ্য্য-ক্ৰমত লোৱা হোৱা নাই।

(খ)—প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

## Re: Khorel Tea Garden

Shri Altaf Hussain Mazumdar asked:

* 380. Will the Minister, Labour be pleased to state—

(a) Is the Government aware that Khorel Tea Garden with its out Gardens Masimpur and Kalinagar have been closed, resulting to unemployment of large number of labourers?

(b) If so, will the Government take steps to take over the same and provide employment to labourers?

(c) If not, will the Government make any other arrangement for employment of the said labourers?

শ্ৰীবাৰ্কি প্ৰসাদ টেলেঙ্গা (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

৩৮০। (ক)—হয়।

(খ)— চাহ বাগিছা খন পুনৰ খুলিবৰ বাবে যোগাযোগ চলাই থকা হৈছে।

(গ)—প্ৰশ্ন নুঠে।

## Re: Forest Task Force

Shri Silvius Kondpan asked:

* 381. Will the Chief Minister be pleased to state—

The assignment of Forest of Task Force and what is its present strength?

Shri Prafulla Kumar Mahanta (Chief Minister) replied:

381—There is no Force called Forest Task Force and as

such the question of its present strength does not arise.

বি : বিজনী S. E. অফিচ

শ্ৰীগনেশ বড়োৱে সুধিছে :

* ৩৮২। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।
বিজনী S. E. (অনুসন্ধান বিভাগ) অফিচ কোকৰাঝাৰৰ পৰা বিজনীলৈ কেতিয়া স্থানান্তৰ কৰা হব অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৮২। উক্ত মণ্ডল কাৰ্য্যালয়টি পুনৰ বিজনীলৈ স্থানান্তৰ কৰাৰ প্ৰস্তাৱ বৰ্ত্তমান নাই।

বি : কৃষিপাম নিগমৰ অৰ্থ সাহাৰ্য্য

শ্ৰীআব্দুল জলিলে সুধিছে :

* ৩৮৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ কৃষিপাম নিগমবোৰক এতিয়াও চৰকাৰে অৰ্থ সাহাৰ্য্য দি আছেনে নিজে চলিব পৰা হৈছে ?

(খ)—এই নিগম সমূহৰ সদস্য কৃষক সকলৰ আৰ্থিক অৱস্থা কিমান উন্নত হৈছে ?

(গ) কোনখন নিগমত কি কি খেতি বিশেষভাৱে উৎপাদন কৰা হৈছে ?

(ঘ) এই নিগম সমূহত উৎপাদিত সামগ্ৰী সমূহ কেনেকৈ ক'ত বিক্ৰী কৰা হয় ?

(ঙ) এই নিগম সমূহ অধিক শক্তিশালী কৰাৰ লগতে আৰু কৃষিপাম নিগম গঠন কৰাৰ আঁচনি চৰকাৰৰ আছে নেকি ?

শ্ৰীনীলমনি দাস (কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৮৩। (ক)—দি আছে, এতিয়াও নিজে চলিব পৰা হোৱা নাই।

(খ)—বৰ্ত্তমান আশানুৰূপ উন্নতি পৰিলক্ষিত হোৱা নাই।

(গ)—ইয়াৰ প্ৰতিলিপি এখন সদনৰ মেজত দাখিল কৰা হ'ল।

(ঘ)—নিগমত উৎপাদিত অতিৰিক্ত শস্য অংশীদাৰ সকলে ওচৰৰ বজাৰত বিক্ৰী কৰে।

(ঙ)—এই নিগম সমূহক অধিক শক্তিশালী কৰা অঁাচনি লোৱা হৈছে, কিন্তু নতুন কৃষিপাম নিগম গঠন কৰাৰ কোনো অঁাচনি বৰ্ত্তমান চৰকাৰৰ হাতত নাই।

বি: বিক্ৰী ৰচিদ

শ্ৰীৰসিদুল হকে সুধিছে :

* ৩৮৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজ্যত পাইকাৰী আৰু খুচুৰা বেচা-কিনাৰ প্ৰায় ক্ষেত্ৰত ৰচিদ নিদিয়া আৰু নোলোৱাৰ দুৰ্নীতিৰ প্ৰচলনৰ কথা বৰ্ত্তমান চৰকাৰে জানেনে ?

(খ) অসম গণপৰিষদ চৰকাৰে এই দুৰ্নীতি বন্ধ কৰাৰ কটকটীয়া কাৰ্য্যকৰী ব্যৱস্থাৰ ৰস্তাৱ পদক্ষেপ লবনে ?

(গ) বেচা-কিনাৰ ৰচিদ নিদিয়া বা নোলোৱাৰ অপৰাধৰ বাবে কোনো ব্যৱসায়িক বা খৰিদাৰক জেল জৰিমনাৰে শাস্তি দিয়াৰ দৃষ্টান্ত চৰকাৰৰ হাতত আছেনে ?

(ঘ) যদি নাই, তেন্তে চৰকাৰে তাৰ ব্যৱস্থা হাতত লবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে

৩৮৪। (ক)—The Assam Trade Articles (Licensing and Control order, 1982 মতে তালিকাভুক্ত সামাগ্ৰীৰ ক্ষেত্ৰত ১০.০০ (দহ) টকাৰ ওপৰত সামগ্ৰী বিক্ৰী কৰিলে বেপাৰীয়ে নগদ বিক্ৰীৰ ৰচিদ বা বিল গ্ৰাহকক দিব লাগে। ৰচিদ নিদিলে নাইবা কলা কাঠৰ ফলিত গ্ৰাহকে দেখাকৈ লিখি থোৱা মূল্যতকৈ বেছি ললে আইনতঃ দণ্ডনীয় কৰাৰ ব্যৱস্থা আছে। ৰচিদ নোলোৱা কথাটো গ্ৰাহকৰ নিজা কথা। বেপাৰীৰ পৰা গ্ৰাহকে ৰচিদ লোৱাৰ দাবী কৰিলে এনে ধৰণৰ বেমেজালীৰ সৃষ্টি হব নোৱাৰে।

(খ)—এই সংক্ৰান্তত কিবা অভিযোগ পালেততালিকে বিহিত ব্যৱস্থা লোৱাৰ আৰু দোষীক আইন মতে দণ্ডনীয় কৰাৰ ব্যৱস্থা আছে।

(গ)—তেনে কোনো অপৰাধৰ তথ্য চৰকাৰৰ হাতত নাই।

(ঘ)—প্ৰশ্ন নুঠে। যিহেতু তেনে অপৰাধৰ কথা চৰকাৰে নাজানে।

Re : Assets and liabilities

Shri Abdul Jabbar asked :

*385. Will the Chief Minister be pleased to state—

(a) The assets and liabilities at present of PWD Minister of the preceding Govt. ?

(b)—The assets and liabilities of the PWD Minister of the preceding Govt. in 1983 ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

৩৮৫। (ক)—জ্ঞানা নেয়ায় ।

(খ)—জনাব নোৱাবিম ।

Re : Birth of Child

Shri Santi Ranjan Das Gupta asked :

*386. Will the hon'ble Chief Minister be pleased to state—

(a) Whether on 17th Cctober, 1985 one house wife namely Jafurennessa gave birth to a child while standing on the queue line for enlistment of her name in the voter list in front of S. D. C. Office at Hojai ?

(b)—Is it a fact that medical certificates about her inability to attend physically were produced before the S. D. O. Hojai C) and S. D. C. Hojai were earlier rejected ?

(c) If so, whether any step the Government has taken against those officers ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) replied :

386. (a)—Yes, one Jafurennessa gave birth to a child at one corner of the S. D, C,s Office Hojai on 17th October. 1985 and not in the queue.

(b)—No such medical certificate was produced before S.D.O. Hojai & S. D. C. Hojai. Hence the queston of rejection not arise.

(c)—Does not arise.

### Re: Electrification in Cachar

Shri Abdul Muqtadir Choudhury asked :

* 387. Will the Minister, Power be pleased to state—

(a) The number of villages electrified in Cachar Karimganj District ?

(Figrue may be shown districtwise)

(b) Is it a fact that around 80% of the villages of Cachar District have been electrified whereas less than 40% villages of Karimganj District have been electrified till date ?

(c) The number of rural electrification divisions are there in Cachar District and Karimganj District ?

শ্ৰীদিগেন বৰা ( শক্তি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৮৭। (ক)—১৯৮৬ চনৰ ফেব্ৰুৱাৰীৰ শেষলৈকে কাছাৰ জিলাৰ ৯৭৯ খন আৰু কৰিমগঞ্জ জিলাৰ ৪২১ খন গাওঁলৈ বিদ্যুৎ সম্প্ৰসাৰণ কৰা হৈছে।

(খ)—কাছাৰ জিলাৰ মুঠ গাওঁৰ ৭২ শতাংশ আৰু কৰিমগঞ্জ জিলাৰ মুঠ গাওঁৰ ৪০ শতাংশলৈ ইতিমধ্যে বিদ্যুৎ সম্প্ৰসাৰণ কৰা হৈছে।

(গ)—কাছাৰ আৰু কৰিমগঞ্জ উভয় জিলাৰ বাবে এটা গ্ৰাম্য বৈদ্যুতিকৰণ নিৰ্মান সংমণ্ডল আছে। সেই সংমণ্ডলৰ মুখ্য কাৰ্য্যালয় হাইলাকান্দিত অৱস্থিত।

### ৰি: চাহ বাগিছাত খোৱা পানী যোগান

শ্ৰীনৰেণ তাঁতিয়ে সুধিছে :

* ৩৮৮। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বিশুদ্ধ খোৱা পানী যোগানৰ আঁচনি চাহ বাগিছা সমূহত কিমান দূৰ কাৰ্য্যকৰী কৰা হৈছে জনাবনে ?

(খ) কিমানখন চাহ বাগিচা এই আঁচনি অন্তৰ্ভুক্ত কৰা হৈছে আৰু কিমান খন চাহ বাগিছা এই আঁচনিৰ অন্তভুক্ত হবলৈ বাকী আছে, জনাবনে ?

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙ্গা ( শ্ৰম বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৮৮। (ক)—শ্ৰম বিভাগৰ দায়িত্বত চাহ বাগিছা সমূহত খোৱা পানী যোগানৰ কোনো নিজস্ব আঁচনি নাই।

(খ)—প্ৰশ্ন নুঠে।

## Re: Sonai Town Committee

Shri Abdul Rob Laskar asked :

* 389. Will the Minister, Municipal Administration be pleased to state—

(a) Whether tne Government has a scheme to constitute a town committee at Sonai ?

(b) If so, when ?

(c) If not, why ?

Shri Sahidul Alam Choudhury ( Minister, Municipal Administration ) replied :

389. (a), (b) & (c)—At present there is no Government decision to constitute a Town Committee at Sonai. The feasibility of constituting a Town Committee is being examined,

## বি : বিহপুৰীয়াত মহকুমা

শ্ৰীজগত হাজৰিকাই সুধিছে :

* ৩৯০। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) লক্ষীমপুৰ জিলাৰ বিহপুৰীয়াত নতুনকৈ মহকুমা স্থাপন কৰাৰ আঁচনি চৰকাৰে হাতত লৈছে নেকি ?

(খ) যদি লৈছে, উক্ত মহকুমাটো কেতিয়া খোলা হব জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৯০। (ক,—লক্ষীমপুৰ জিলাৰ বিহপুৰীয়াত নতুনকৈ মহকুমা স্থাপন কৰাৰ কোনো আঁচনি চৰকাৰে বৰ্ত্তমান হাতত লোৱা নাই।

(খ)—প্ৰশ্ন নুঠে।

## Re; Collection of Taxes.

Shri Abdul Muqtadir Choudhury asked :

* 391. Will the Minister, Transport be pleased to state—

The amount collected as taxes from the vehicles entered to Assam during the year 1983-84, 1984-85 and till date ?

Shri Lalit Chandra Rajkhowa ( Minister, Transport ) replied :

391.—Amount collected as taxes from the vehicles entered into Assam from other States as follows :

| | | |
|---|---|---|
| In | 1983-84 | Rs. 41,67,913·00 |
| In | 1984-85 | Rs. 68,12,563·00 |
| In | 1985-86 | Rs. 63,80,777·00 |

( upto 28th February, 1986 )

## বি : জিলা শিক্ষা বিষয়া

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

* ৩৯২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) জিলা শিক্ষা বিষয়া অসমত এতিয়া কেইজন আছে আৰু তেওঁলোকৰ নামবোৰ জনাবনে ?

(খ) জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ নাম আৰু জিলাতে কিমান কিমান বছৰৰ

বাবে আছে ? (পৃথকভাৱে সবিশেষ জনায় যেন)

(গ) কোনো কোনো বিষয়াক একেখন জিলাতে তিনি বছৰতকৈ অধিক সময়ৰ বাবে ৰখাৰ কাৰণ কি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৯২। (ক)—বৰ্ত্তমান ১২ জন জিলা প্ৰাথমিক শিক্ষা বিষয়াই কাম কৰি আছে। তেওঁলোকৰ নামবোৰ সন্নিবিষ্ট তালিকাত দিয়া হ'ল।

(খ)—জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ নাম আৰু বৰ্ত্তমান কাম কৰি থকা ঠাইৰ কাৰ্য্যকালৰ তালিকা এখন সদনৰ মেজত ৰখা হৈছে।

(গ)—বৰ্তমানে কাম কৰি থকা কোনো এজন জিলাপ্ৰাথমিক শিক্ষা বিষয়াবে বৰ্ত্তমান কৰ্ম্মস্থানত তিনি বছৰ সময় পূৰ্ণ হোৱা নাই।

## Re: S. M. D. Road

Shri Abdul Rob Laskar asked :

*393. Will the Minister, P. W. D. be pleased to State—

(a) The year in which S. M. D. Road under Silchar Sub-division was constructed ?

(b) The length of the Road ?

(c) How many K. Ms. of the Road has been black-topped ?

(d) Whether there is any proposal for black-topping of this road in the current year ?

(e) If so, when the work will be started ?

Shri Atul Bora (Minister, P. W. D.) replied—

৩৯৩। (ক)—প্ৰথম পঞ্চ বাৰ্ষিক পৰিকল্পনাত (১৯৫১-৫৫) সজা হৈছিল।

(খ)—৩০.৫০ কিঃ মিঃ

(গ)—৭.২০ কিঃ মিঃ

(ঘ)—নাই।

(ঙ)—প্ৰশ্ন নুঠে।

বি ঃ বুবৈ জলসিঞ্চন প্ৰকল্প ।

শ্ৰীবৰীন শইকীয়াই সুধিছে ঃ

১৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বুবৈ জলসিঞ্চন প্ৰকল্পৰ বাবে জৰীপ কাৰ্য্য শেষ হলনে আৰু এই জৰীপ কাৰ্য্য বিভাগীয় কোনটো সংমণ্ডলে কৰিছে ?

(খ) বুবৈ জলসিঞ্চন প্ৰকল্পৰ বাবে জৰীপ কাৰ্য্যৰ সময়ত কিছুমান লোকে বাধা দিয়াৰ কথাটো চৰকাৰে জানেনে ?

(গ) আৰু যদি জানে ইয়াৰ ব্যৱস্থা লৈছেনে ?

(ঘ) বুবৈ আৰু বৰঙ্গা জলসিঞ্চন প্ৰকল্পৰ কাম ১৯৮৬-৮৭ চনৰ বিত্তীয় বছৰতে আৰম্ভ কৰিবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১৮। (ক) জৰীপ কাৰ্য্য শেষ হোৱা নাই, বৰ্তমান জৰীপ কাৰ্য্য লক্ষীমপুৰ পশ্চিম জলসিঞ্চন সংমণ্ডলৰ অধীনত আছে ।

(খ)—হয়, জানে ।

(গ) ইয়াৰ বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে বিবেচনা কৰা হৈছে ।

(ঘ)—কৰাৰ প্ৰস্তাৱ নাই ।

Re : Aid to Assam Sahitya Sabha

Shri Debeswar Bora asked :

19. Will the Minister Education be pleased to state :

(a) The total amount of aids to Assam Sahitya Sabha and Boro Sahitya Sabha granted by Assam Government during 1983 to 1986.

(b) Whether the Govt. did not sanction the grant to the aforesaid two institutions in any academic year ?

(c) If so, the reason thereof ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১৯। (ক) অসম সাহিত্য সভাক তলত দিয়া পৰিমাণৰ অনুদান দিয়া হৈছে ১৯৮২-৮৩, ১·০০ ( এক লাখ ) টকা পৰিকল্পনা আঁচনি ভুক্ত । ৩৫ হাজাৰ টকা পৰিকল্পনা বৰ্হিভূক্ত আঁচনিত দিয়া হৈছে ।

১৯৮৩-৮৪ } কোনো অনুদান দিয়া।
১৯৮৪-৮৫ } নাছিল।

১৯৮৫-৮৬ (১) ৭০ হাজাৰ টকা পৰিকল্পনা বহিৰ্ভুক্ত আঁচনিত দিয়া হৈছে। ১·০০ লাখ টকা পৰিকল্পনা বাজেটত দিয়া হৈছে।

৩০,০০০ টকা বুৰঞ্জী সন্মিলন পাতিবৰ বাবে।

১২,০০০ টকা স্মৃতি গ্ৰন্থ প্ৰকাশ কৰিবৰ বাবে পৰিকল্পনা বাজেটত দিয়া হৈছে।

(২) ১৯৮২-৮৩ চনৰ, ১৯৮৩-৮৪ চনৰ আৰু ১৯৮৪-৮৫ চনৰ বাকী পোৱা অনুদানৰ বাবদ ১,৭৫,০০০·০০ টকা দিয়া হৈছে।

বড়ো সাহিত্য সভালৈ তলত দিয়া পৰিমাণৰ অনুদান দিয়া হৈছে।

৫০,০০০ হাজাৰ টকা পৰিকল্পনা আঁচনিত প্ৰাক্তন শিক্ষা মন্ত্ৰী আৰু বড়ো সাহিত্য সভাৰ সভাপতিৰ স্মৃতিৰক্ষাৰ্থে এটি ভৱন নিৰ্মাণৰ বাবে দিয়া হৈছে।

১৫,০০০ টকা স্মৃতিগ্ৰন্থ প্ৰকাশনৰ বাবে পৰিকল্পনা বহিৰ্ভুক্ত আঁচনিত দিয়া হয়।

১৯৮৪-৮৫ চনত ১০,০০০ টকা পৰিকল্পনা শিতানত আৰু ১৪,০০০ টকা পৰিকল্পনা বহিৰ্ভুক্ত আঁচনিত বছৰেকীয়া সভা পাতিবলৈ দিয়া হয়।

১৯৮৫-৮৬ চনত ১৪,০০০ টকা পৰিকল্পনা বহিৰ্ভুক্ত আঁচনিত অনুদান দিয়া হয় আৰু ১৪,০০০ টকা অনুদান স্মৃতিগ্ৰন্থ প্ৰকাশনৰ বাবে প্ৰস্তাৱ দিয়া হৈছে।

(খ)—বড়ো সাহিত্য সভাৰ কোনো অনুদান বন্ধ থকা নাই। অসম সাহিত্য সভাক ১৯৮২-৮৩ চনত অনুদান দিওঁতে চৰকাৰে কেইটামান চৰ্ত আৰোপ কৰে। সাহিত্য সভাই উক্ত চৰ্ত মানি লবলৈ অমান্তি হয় আৰু উক্ত বছৰৰ অনুদান কোষাগাৰত জমা দিছে।

১৯৮৩-৮৪ আৰু ১৯৮৪-৮৫ চনৰ বাবে কোনো অনুদান মঞ্জুৰ হোৱা নাছিল।

(গ)—আগতে উল্লেখ কৰা দৰে ১৯৮২-৮৩ চনৰ অনুদান দিওঁতে চৰকাৰৰ ই, চি, এ ৭৩/৮১/অংশ১/৯৫ তাং ৯।৪।৮২ চিঠি যোগে জনোৱা হৈছিল যে সাহিত্য সভাই চৰকাৰৰ ওচৰত লিখিত প্ৰতিশ্ৰুতি দিব লাগিব যে

সভাই চৰকাৰ বিৰোধী বা চৰকাৰে বেয়া পোৱা কাম নকৰে।

বি: উৱিয়ামগুৰি বান্ধ

শ্ৰীকুসুম্বৰ টাইবাই য়ে সুধিছে:

২০। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ইংৰাজী ১৯৮৫-৮৬ বছৰটোত বুঢ়াদিহিং গড়াখহনীয়া প্ৰতিৰোধ কৰিবলৈ চাচনী অঞ্চলৰ (ডিব্ৰুগড় জিলাৰ) উৱীয়ামগুৰি বান্ধৰ কাৰণে কিমান টকা মঞ্জুৰ কৰিছিল জনাবনে?

(খ) উক্ত বান্ধ সম্পূৰ্ণ হ'ল নে?

(গ) যদি হোৱা নাই এই বছৰৰ বানপানীৰ আগে আগে বান্ধ সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি জনাবনে?

(ঘ) ১৯৮৪-৮৫ বছৰত নাহৰকটীয়া নগৰত বুঢ়ীদিহিং গড়া খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ কিমান টকা অনুমোদন জনাইছিল অনুগ্ৰহ কৰি জনাবনে?

(ঙ)– বৰ্তমান চৰকাৰে নগৰখনক গড়াখহনীয়াৰ পৰা প্ৰতিৰোধ কৰিবলৈ কেনে ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

(চ)—বৰ্তমান নাহৰকটীয়া সমষ্টিত বুঢ়ীদিহিং নদীৰ বানপানীৰ পৰা প্ৰতিৰোধ কৰিবলৈ কেইটা মথাউৰি দিয়াৰ ব্যৱস্থা কৰিছে?

(ছ) ইতিমধ্যে মথাউৰি বিলাকৰ কাম সম্পূৰ্ণ হ'ল নেকি জনাবনে?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

২০। (ক)—১৭·৫০ লাখ টকা মঞ্জুৰ কৰা হৈছে।

(খ)—এখন আঁচনি শেষ হ'ল আৰু এখনৰ কাৰ্য্য চলি আছে।

(গ)– হয়।

(ঘ)—১৯৮৪-৮৫ চনত কোনো আঁচনিৰ টকা অনুমোদন কৰা নাই।

(ঙ)—পৰিস্থিতি সাপেক্ষে বিষয়টো গ্ৰহণ কৰা হব।

(চ) (ছ)—মাত্ৰ এটা মথাউৰি সজাৰ কাম এতিয়াও চলি আছে।

## Unstarred Questions and Answers

Date: 3rd April, 1986

Re : Post in Malaria Department

Shri Karnendu Bhattacharjee asked :

38. Will the Minister of state, Health be pleased to state—

(a) Whether it is a fact that a large number of posts under Malaria Deptt. in Cachar dist. are lying vacant ?

(b) If so, the number of such vacancies and when and how the Govt. proposes to fill the vacancies ?

Shri Jatin Mali ( Minister of State, Health ) replied :

38. (a)—Yes, there are some posts under NMEP lying vacant in Cachar Dist.

(b)—The number of such vacant posts are 8 ( eight ) Surveillance Workers. Out of eight posts 6 ( six ) posts have recently been filled up. The remaining two posts are being filled-up shortly.

Re : Police out post at Nabagota

Shri Maziruddin Ahmed asked :

39. Will the Minister, Home be pleased to state—

(a) Whether there has been great public demand for establishing an outpost at Nabagota Simlitola within Goalpara P. S: ?

(b) If so, whether the Govt. has contemplated to establish such an Outpost at Nabagota Simlitola ?

(c) If not, will the Govt. establish it early ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৯। (ক)—নবাগতা শিমলিতুলাৰ আৰক্ষী চকী স্থাপনৰ দাবীত এখন ৰাইজৰ দৰ্খাস্ত পোৱা হৈছে।

(খ —যিহেতু শিমলিতলাত এটা আৰক্ষী চকী বহুৱাৰ বিষয়ে বিবেচনা হৈ আছে সেইয়ে মাত্র এক কিঃ মিঃ দূৰত অৱস্থিত নবাগতা শিমলিতলাত চকী বহুৱাব কথা চৰকাৰে ভবা নাই।

(গ)—খ উত্তৰৰ পৰিপ্রেক্ষিতত প্রশ্ন নুঠে।

বিঃ গাওঁ অঞ্চলত খেলাধূলা

শ্ৰীমহেন্দ্র মোহন ৰায়চৌধুৰীয়ে সুধিছে :

৪০। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) গাওঁ অঞ্চলত খেলাধূলাৰ জৰিয়তে শাৰিৰীক আৰু মানসিক বৌদ্ধিক বিকাশৰ ক্ষেত্রত কেনে ধৰণে ব্যৱস্থা লব বুলি ভাবিছে ?

(খ) অসমত এতিয়ালৈ কিমানখন ষ্টেডিয়াম ( Stadium ) কৰা হৈছে ?

(গ) যিবোৰ জিলাত এতিয়ালৈকে কোনো এখনো ষ্টেডিয়াম নাই সেইবোৰত ষ্টেডিয়াম সজাৰ ক্ষেত্রত কিবা পদক্ষেপ লোৱা হৈছে নেকি ?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্রী ) য়ে উত্তৰ দিছে :

৪০। (ক) ক্রীড়া আৰু যুব কল্যাণ সঞ্চালকালয়ৰ জৰিয়তে অসমৰ প্রতিটো উন্নয়ণ খণ্ডত গ্রাম্য ক্রীড়াৰ আয়োজন কৰাৰ আঁচনি প্রচলিত আছে। গ্রামাঞ্চলত বাস কৰা সকলো ল'ৰা-ছোৱালীয়ে যাতে খেলাধূলাৰ প্রতি আকৃষ্ট হয় তাৰ বাবে প্রতিটো উন্নয়ণ খণ্ডত ভাৰপ্রাপ্ত বিষয়া জনক পদেন ক্রীড়া বিষয়া হিচাবে নিযুক্তি দিয়া হৈছে লগতে তেখেতক নিজৰ অঞ্চলত খেলা-ধূলা পতাৰ বাবে প্রতি বছৰে খেলৰ সামগ্রী আৰু আর্থিক অনুদান যোগান ধৰা হয়। ইয়াৰ উপৰিও ক্রীড়া পৰিষদৰ যোগেদি প্রতিটো মহকুমাত গ্রাম্য ক্রীড়াৰ আয়োজন কৰিবলৈ অনুদান দিয়া হয় আৰু পৰিষদে নিজেই ৰাজ্যিক পর্য্যায়ত গ্ৰাম্য ক্রীড়াৰ আয়োজন কৰা আৰু ৰাষ্ট্ৰীয় পর্য্যায়ত অনুষ্ঠিত গ্রাম্য ক্রীড়ালৈ ৰাজ্যিক দল গঠন কৰি অংশ গ্রহণ কৰাৰ বাবে পঠায়। আমাৰ গ্রামাঞ্চলৰ বহুতো ল'ৰা ছোৱালীয়ে ইয়াৰ ফলস্বৰূপে নিজস্ব প্রতিভা বিকাশত সুযোগ লাভ কৰিছে আৰু ৰাষ্ট্ৰীয় পর্য্যায়ত খ্যাতি অর্জন কৰিবলৈ সক্ষম হৈছে। উক্ত আঁচনিৰ যোগেদি এইদৰে অসমৰ গ্রামাঞ্চলৰ ল'ৰা-ছোৱালীহঁতৰ মানসিক, বৌদ্ধিক

আৰু শাৰিৰীক উৎকৰ্ষ সাধনত অৰিহনা যোগাবৰ প্ৰচেষ্টা চলোৱা হৈছে। এই প্ৰচলিত আঁচনি খনকে আৰু সম্প্ৰসাৰিত কৰি পঞ্চায়ত পৰ্য্যায়লৈকে নিয়াৰ চিন্তাধাৰা চৰকাৰৰ আছে।

(খ)—বৰ্তমানে তিনিখন ষ্টেডিয়াম, আছে। গুৱাহাটীৰ নেহৰু ষ্টেডিয়াম নগাওঁ ষ্টেডিয়াম আৰু যোৰহাট ষ্টেডিয়াম।

ষ্টেডিয়াম নিৰ্মাণ কাৰ্য্য চলি থকা ঠাই সমূহ ডিব্ৰুগড়, তিনিচুকীয়া কৰিমগঞ্জ, শিলচৰ, হাফলং, হাওৰাঘাট, তেজপুৰ, বিশ্বনাথ চাৰিআলি, জামুগুৰিহাট, কোকৰাঝাৰ, হাইলাকান্দি, মৰিগাওঁ, মীৰ্জা, গোৱালপাৰা আদি।

ইন্দোৰ ষ্টেডিয়াম, ইন্দোৰ হ'ল নিৰ্মাণ কাম চলি আছে, যোৰ-হাটত কুশল কোঁৱৰ ইন্দোৰ ষ্টেডিয়াম, জে, বি কলেজ ইন্দোৰ হল, নগাওঁ ইন্দোৰ ষ্টেডিয়াম। নিম্নতম সা-সবিধাখিনিৰে সৈতে উন্নত খেল-পথাৰ নিৰ্মাণৰ আঁচনি থকা ঠাই সমূহ—শিৱসাগৰ, বৰবং, বৰপেটা, বিজনী, নলবাৰী, ঘিলামৰা, ঢেকিয়াজুলি, টংলা, ছয়গাওঁ, ৰঙিয়া, ধুবুৰী, গোলাঘাট, ঢাইআলি, বোন্দাপাৰা, পিচলা, চামতা, চিপাঝাৰ, মৰিয়ণি, মৰিগাওঁ, ধেমাজি, দেউলকুছি, ধলাই, বাসকৃষ্ণ নগৰ, ওটমা, কোকৰাঝাৰ, বেজাৰা, শক্তি আশ্ৰম, কাউৰবাহা, পানীগঞ্জ, বগৰীবাড়ী, পুৰণিমাটি, শালমৰা, বিহুবৰ, হাজো, বালিজান, পুৰণি গুদাম, নাৰায়ণপুৰ, কামপুৰ, মঙ্গলদৈ, মাৰ্ঘেৰিটা।

(গ)—সপ্তম পৰিকল্পনাৰ ভিতৰত চৰকাৰৰ নিজৰ ফালৰ পৰা নতুন ৰাজধানী প্ৰকল্পৰ বাহিৰে অন্য কোনো আঁচনি নাই। কিন্তু কোনো জিলাৰ পৰা তেনে আঁচনি আহিলে আৰু চৰকাৰৰ গ্ৰহণযোগ্য হলে বিবেচনা কৰা হব।

বি: ধনশিৰি প্ৰকল্প।

শ্ৰীজয়নাথ শৰ্মাই সুধিছে:

৪১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ধনশিৰি প্ৰকল্পৰ মূল নালাৰ ওপৰত মুঠতে কেইটা চুট জলপ্ৰপাত কৰিবলৈ লোৱা হৈছে ?

(খ) এই কামৰ বাবে মুঠতে মূল নিবিদাৰ জৰিয়তে আৰু আনুসঙ্গিক নিবিদাৰ জৰিয়তে মুখ্য অভিযন্তাই আৰু অধীক্ষক অভিযন্তাই আৰু কাৰ্য্যবাহী অভিযন্তাই কিমান টকাৰ কাম ঠিকাদাৰক বিতৰণ কৰিছে তাৰ সবিশেষ বেলেগে জনাবনে ?

(গ) এই ক্ষেত্ৰত মূল নিবিদা আৰু ওপৰঞ্চি নিবিদা সমূহৰ বিতং বিৱৰণ (নম্বৰ, তাৰিখ, ধনৰ পৰিমাণ) জনাবনে ?

(ঘ) ওপৰোক্ত কাম সমূহৰ বৰ্তমান অগ্ৰগতি আৰু নিৰ্দ্ধাৰিত কৰ্মসূচীতকৈ কাম কম হৈছে নে বেছি হৈছে তাৰ সবিশেষ আৰু কাৰণ সমূহ জনাবনে ?

শ্ৰীভৱত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৪১। (ক)—ধনশিৰি প্ৰকল্পৰ মূল নলাৰ ওপৰত মুঠতে ৫ (পাঁচ) টা চুট জলপ্ৰপাত কৰিবলৈ লোৱা হৈছে।

(খ) এই কামৰ বাবে মূল নিবিদাৰ জৰিয়তে মুখ্য অভিযন্তাই ১,০৬,৮৭,০৬৮ টকাৰ কাম বিতৰণ কৰে। অধীক্ষক অভিযন্তা বা কাৰ্য্যবাহী অভিযন্তাই মূল নিবিদাৰ জৰিয়তে এই চুট জলপ্ৰপাতৰ কোনো কাম বিতৰণ কৰা নাই। আনুসঙ্গিক নিবিদা গ্ৰহণ কৰাৰ কোনো ব্যৱস্থা নাই। অৱশ্যে এই কামৰ চূড়ান্ত নক্সা (Design) আৰু প্ৰাক্কলন মতে কামৰ পৰিমাণ বঢ়াৰ বাবে মূল নিবিদাৰ মূল্য হব ১,৯২,৯১,৫০০ টকা।

(গ)—মূল নিবিদাত নিৰিখ নথকা ৯ টা কামৰ বিষয় (item) গৃহীত মূল্যবেদন পত্ৰৰ ১২ নং দফা মতে নিৰিখ ধাৰ্য্য কৰি পৰিপূৰক নিবিদা অনুসৰি কৰিবলৈ লোৱা হৈছে। এই পৰিপূৰক নিবিদাৰ জৰিয়তে মুঠ মূল্য হব ৩,৫১,৪৫,২০০ টকা। অৱশ্যে এতিয়াও পৰিপূৰক নিবিদা গৃহীত হোৱা নাই। গৃহীত মূল্য নিবিদা সমূহৰ বিতং বিৱৰণ তলত দিয়া হ'ল।

| | | | |
|---|---|---|---|
| ১। নিবিদা নং ৪৩৬ | মুখ্য অভিযন্তা (জল) | ১৯৮২-৮৩, | ২১,৭৮,৪১৮·০০ |
| ২। নিবিদা নং ৬৩২ | মুখ্য অভিযন্তা (জল) | ১৯৮৩-৮৪ | ২১,৭০,০৬৩·৭০ |
| ৩। নিবিদা নং ৬৩৪ | মুখ্য অভিযন্তা (জল) | ১৯৮৩-৮৪ | ২০,৭১,৫২১·৩০ |

৪। নিবিদা নং ৬৩৩ মুখ্য অভিযন্তা ( জল ) ১৯৮৩-৮৪, ২০,৮৯,০০১·০০
৫। নিবিদা নং ৬৩১ মুখ্য অভিযন্তা ( জল ) ১৯৮৩-৮৪, ২১,৭৩,০৬৩·৭০

(ঘ)—ওপৰোক্ত কাম সমূহৰ বৰ্তমান অগ্ৰগতি এনে ধৰণৰ—

| | | | | | | |
|---|---|---|---|---|---|---|
| ১। ৬৬০০ | ফুট | শিকলিত | অৱস্থিত | কাম— | ৭৫ | শতাংশ |
| ২। ৯০০০ | ,, | ,, | ,, | ,, | ৫৫ | ,, |
| ৩। ১২০০০ | ,, | ,, | ,, | ,, | ৪৫ | ,, |
| ৪। ১৫১০০ | ,, | ,, | ,, | ,, | ৫৫ | ,, |
| ৫। ১৬৫০০ | ,, | ,, | ,, | ,, | ৪৫ | ,, |

নিৰ্দ্ধাৰিত কৰ্মসূচী মতেই কাম হৈ আছে।

বি : খেলাধূলাৰ অনুদান।

শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰীয়ে সুধিছে :

৪২। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম ক্ৰীড়া সন্থাই কি কি ভিত্তিত গাওঁ অঞ্চলত খেলাধূলাৰ বাবে অনুদান আগবঢ়ায় ?

(খ) বৰ্তমানলৈ দৰং জিলাৰ গাঁও অঞ্চলত কিমান অনুদান দিয়া হৈছে ? ( তালিকা এখন দিব )

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

৪২। (ক)—অসম ক্ৰীড়া সন্থা নামাকৰণেৰে কোনো সন্থা নাই।

(খ) দৰং জিলাৰ গাওঁ অঞ্চলত তলত দিয়া ধৰণে অনুদান দিয়া হৈছে—

চিপাঝাৰ :

| | |
|---|---|
| খেল পথাৰ উন্নয়ণৰ বাবে | ১০,০০০·০০ টকা<br>১০,০০০·০০ টকা |
| ষ্টেডিয়াম নিৰ্মাণৰ বাবে— | ২,৩৪,৫০০·০০ টকা |

ঢেকিয়াজুলি :

| | |
|---|---|
| খেলপথাৰ উন্নয়ণৰ বাবে— | ১০,০০০·০০ টকা<br>১০,০০০·০০ টকা |
| টংলা : ঐ — | ১০,০০০·০০ টকা<br>১০,০০০·০০ টকা |

মাননীয় অধ্যক্ষ ঃ— এতিয়া মাননীয় সদস্য শ্ৰীগণেশ কুটুমে এটা বিষয় উত্থাপন কৰিব।

শ্ৰীগণেশ কুটুম ঃ—

মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় এটাৰ ওপৰত মই মাননীয় শিক্ষামন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব ৰিচাৰিছো। শোনিতপুৰ জিলা কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এজন শিক্ষকে সেই অঞ্চলৰে দুগৰাকী ছাত্ৰীক কু অভিপ্ৰায়েৰে গুৱাহাটীলৈ লৈ আহে। সেই ছাত্ৰী দুগৰাকীক পৰীক্ষাত পাচ কৰাৰ প্ৰলোভন দেখুৱাই লৈ আহে। আমি বাতৰি কাকতত আৰু আলোচনী ইত্যাদিত পোৱা মতে সেই ছাত্ৰী দুগৰাকীৰ এগৰাকীক শিক্ষকজনে নিজৰ জীয়েকৰ নিচিনা বয়স হোৱা স্বত্বেও ধৰ্ষণ কৰে। সেই নৈ গোটেই অসম জুৰি এই বিষয়টো বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ পাইছে আৰু স্থানীয় ৰাইজৰ মাজত যথেষ্ট আলোড়ণৰ সৃষ্টি হৈছে। সেই কাৰ্য্য আগৰ চৰকাৰ বাতিল হোৱাৰ আগৰ কাৰ্য্য আৰু এই প্ৰতিবাদ কৰাৰ লগে লগে শোণিতপুৰ জিলাৰ স্কুল পৰিদৰ্শক মহোদয়ে শিক্ষক গৰাকীক নিলম্বিত কৰিছিল। কিন্তু কি কাৰণত সেই শিক্ষক জনে যোৱা নিৰ্ব্বাচনৰ অৰ্থাত্ ১৬ ডিচেম্বৰৰ পিচ-দিনা ১৭ ডিচেম্বৰ তাৰিখে জিলা বিষয়া সকলে নিৰ্ব্বাচনী কাম কাজ কৰি থকা অৱস্থাত দুৰ্নীতিৰ আশ্ৰয় লৈ সেই ১৭ ডিচেম্বৰ তাৰিখেই তেওঁ পুনৰ চাকৰি লাভ কৰিলে আৰু স্কুলখনত যোগদানও কৰিলে। ইয়াৰ পাচত সেই বিদ্যালয়ত শিক্ষাৰ দিশত পৰিবেশ নষ্ট হৈছে আৰু সেইখন স্কুলত যি সকল শিক্ষক চোকা আছিল আৰু শালীনতা বোধ আছিল, চোকা আৰু শালীনতা বোধ থকা শিক্ষক সকলৰ এজন দুজন কৰি প্ৰায় ৪।৫ গৰাকী শিক্ষক এইখন বিদ্যালয়ৰ পৰা অন্য বিদ্যালয়লৈ বদলি হ'বলৈ বাধ্য হৈছে। সেই গৰাকী শিক্ষকৰ নাম মানিক বৰা। তেওঁ এম, এ পাচ নকৰাকৈ তলৰ পৰা ওপৰলৈ অৰ্থাত উচ্চতৰ মাধ্যমলৈ পদোন্নতি দিয়াহৈছে। গতিকে এম, এ পাচ নকৰাকৈ আৰু এই গৰ্হিত কাৰ্য্য চলি যোৱাৰ পাচত তেওঁক কেনেকৈ মকৰল কৰা হ'ল? গতিকে ১৭ ডিচেম্বৰ তাৰিখৰ এই কথাটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো আৰু অতি সোন-

কালে ইয়াৰ এটা বিহিত ব্যৱস্থা লব লাগে আৰু সেই শিক্ষক গৰাকীক অনতিপলমে বিহিত ব্যৱস্থা নোলোৱাকৈ থাকিলে কলাবাৰী উচ্চতৰ মাধ্যমিক স্কুলৰ শৈক্ষিক দিশটো নষ্ট হোৱাৰ সম্ভাৱনা আছে।

শ্ৰীবৃন্দাবন গোস্বামী ( মন্ত্ৰী ) :—

সন্মানীত অধ্যক্ষ মহোদয়, আমি চৰকাৰ গঠন কৰাৰ পূৰ্বে এই ঘটনাটো ঘটিছিল। এই বিষয়ে আমাৰ দৃষ্টিগোচৰ হৈছে। যি গৰাকী ছাত্ৰীক ধৰ্ষণ কৰিছিল সেই গৰাকী ছাত্ৰীয়ে যোৱা কালি মোক আবেদন যোগে জনাইছে। যি গৰাকী শিক্ষকৰ বিষয়ে অভিযোগ তুলিছিল প্ৰকৃততে এইটো এটা অমানবীয় বিষয় এজন শিক্ষকৰ কাৰণে। এই গোটেই বিষয়টো আমাৰ দৃষ্টিগোচৰ হোৱাৰ লগে লগে আমি তদন্ত কৰিবৰ কাৰণে বিভাগীয় বিষয়াক নিৰ্দেশ দিয়াহৈছে। বিস্ময় আৰু মহাজাতি কাকতত শিক্ষক জনক নিলম্বিত কৰা হৈছিল বুলি প্ৰকাশ পাইছে আৰু তাত প্ৰকাশ পোৱা মতে তদন্ত আয়োগ কৰি দিয়া হৈছে। মাননীয় সদস্য জনে যিটো বিষয়ে আলোচনা কৰিছে আচলতে তেওঁ ইংৰাজী বিষয়ৰ চাবজেক্ট টিচাৰহে আৰু তেওঁ প্ৰিভিয়াচহে পাচ কৰিছে। কেনেকৈ তেওঁক মকৰল কৰা হৈছে আমি এই গোটেই কথাটোৰ তদন্তৰ ব্যৱস্থা কৰিম। কেইদিনমান আগতে আমি গম পালো যে সেই শিক্ষক গৰাকীক চাকৰিত পুনৰ মকৰল কৰা হৈছে। ছাত্ৰী গৰাকীয়ে আবেদন জনোৱাৰ উপৰিও বিভিন্ন মহলে মোক এই বিষয়টোৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰিছে। আমি মাননীয় সদস্য গৰাকীক এই গোটেই বিষয়টো অনতিপলমে তদন্ত কৰি যথাবিহিত ব্যৱস্থা লোৱাৰ কথা জনাম।

শ্ৰীময়িহুল ইচলাম বৰা :— মাননীয় অধ্যক্ষ মহোদয়, আজিৰ দৈনিক অসম কাকতত প্ৰকাশিত 'শাস্তিমূলক ব্যৱস্থা প্ৰত্যাহাৰৰ দাবীত কৰ্ম্মচাৰী পৰিষদে ব্যৱস্থা লব' শীৰ্ষক বাতৰিটোৰ প্ৰতি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। বাতৰিটোৰ প্ৰকাশ হোৱা মতে : সদৌ অসম কৰ্ম্মচাৰী পৰিষদৰ কেন্দ্ৰীয় কাৰ্য্যালয়ৰ পৰা পৰিষদৰ সভাপতি শ্ৰীমহেন্দ্ৰ কেওঁট আৰু সাধাৰণ সম্পাদক শ্ৰীচৰণ ডেকাই যুটিয়া ভাবে প্ৰকাশ কৰা বিবৃতিত কয় যে অসম আন্দোলনৰ বিগত ৬ বছৰীয়া সময় ছোৱাত তেতিয়াৰ

চৰকাৰে অসমত শ্ৰমিক কৰ্ম্মচাৰীৰ ওপৰত উদ্দেশ্য প্ৰণোদিত ভাবে জাপি দিয়া শাস্তিমূলক ব্যৱস্থা সমূহ স্বৰ্ত বিহীন ভাবে মাৰ্চ ৩১ তাৰিখৰ ভিতৰতে প্ৰত্যাহাৰ কৰিবলৈ যোৱা ২৮ ফেব্ৰুৱাৰী আৰু ১, ২ মাৰ্চত শিৱসাগৰত অনুষ্ঠিত হোৱা পৰিষদৰ পঞ্চম বাৰ্ষিক সাধাৰণ সভাই চৰকাৰৰ ওচৰত দাবী জনাইছিল আৰু তাকেই কৰাত চৰকাৰ বিফল হলে পৰবৰ্ত্তী ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰিষদ বাধ্য হব বুলি সকিয়াই দিয়া হৈছিল। কিন্তু শাস্তিমূলক ব্যৱস্থা প্ৰত্যাহাৰৰ ক্ষেত্ৰত লেহেম গতি অব্যাহত ৰখাৰ ফল স্বৰূপে এতিয়াও বহুতো শ্ৰমিক কৰ্ম্মচাৰীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা প্ৰত্যাহাৰ কৰা হোৱা নাই আৰু আনহাতে বহু কৰ্ম্মচাৰী শ্ৰমিকৰ বিৰুদ্ধে বাহাল থকা শাস্তিমূলক ব্যৱস্থা অসম আন্দোলনৰ লগত জড়িত নহয় বুলি বৰ্ত্তমানৰ চৰকাৰখনকো পতিয়ন নিয়াবলৈ চক্ৰান্তমূলক ভাবে এচাম বিষয়াই অপচেষ্টা চলোৱা পৰিষদৰ দৃষ্টিগোচৰ হৈছে। এনে ষড়-যন্ত্ৰৰ তীব্ৰ প্ৰতিবাদ জনাই পৰিষদে আঙুলিয়াই দিয়ে যে অসম আন্দোলন অন্যায় ভাবে দমন কৰাৰ উদ্দেশ্যৰে সেই সময়ৰ চৰকাৰ তথা ৰাজ্য প্ৰশা-সনৰ এচাম বিষয়াই উদ্দেশ্য প্ৰণোদিত ভাবে বহু কৰ্ম্মচাৰী ছাত্ৰ যুৱকৰ বিৰুদ্ধে বোমা বিস্ফোৰণকে ধৰি মনেসজা তথা পৰিকল্পিত ফৌজদাৰী গোচৰত জড়িত কৰি অত্যাচাৰ উত্‌পীড়ন চলাইছিল আৰু বহু কৰ্ম্মচাৰীৰ বিৰুদ্ধে তেনে মনে সজা গোচৰৰ অভিযোগত শাস্তিমূলক গোচৰ অসম আন্দো-লনৰ লগত জড়িত নহয় বুলি প্ৰতিপন্ন কৰিবলৈ ষড়যন্ত্ৰ চলাই সেই চাম শ্ৰমিক কৰ্ম্মচাৰীৰ বিৰুদ্ধে বাহাল থকা শাস্তিমুলক ব্যৱস্থা পৰিকল্পিতভাবে নিগাজী কৰিবলৈহে যে চেষ্টা চলোৱা হৈছে তাত সন্দেহ নাই বুলি পৰি-ষদে দৃঢ়ভাবে ব্যক্ত কৰিছে। গতিকেই এই ক্ষেত্ৰত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো তেওঁলোকে কৰা অভিযোগটো সঁচা নেকি আৰু এই ক্ষেত্ৰত আমাৰ চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা হাতত লৈছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতত ওলোৱা, বাতৰিটোৰ সম্পৰ্কত মই স্পষ্টভাবেই জনাইছো যে অসম চৰকাৰে অসম চুক্তিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি শ্ৰমিক কৰ্ম্মচাৰী সকলৰ ওপৰত

যিবোৰ শাস্তিমুলক ব্যৱস্থা লোৱা হৈছিল সেইবোৰ ইতিমধ্যে প্ৰত্যাহাৰ কৰা হৈছে আৰু ইয়াৰ বাহিৰেও যিবিলাক গোচৰ এতিয়াও ন্যায়ালয়ত আছে আৰু গোচৰ বিলাকৰ সম্পৰ্কত কি ব্যৱস্থা লব পৰা যায় আৰু কেনেকৈ সোনকালে আন্দোলন সংক্ৰান্ত গোচৰ বিলাক উঠাৰ পৰা যায় এই সম্পৰ্কে গৃহ মন্ত্ৰী মহোদয়ক দায়িত্ব দিয়া হৈছে। ইয়াৰ বাহিৰেও যিবিলাক অইল ইণ্ডিয়া আৰু কেন্দ্ৰীয় চৰকাৰৰ কৰ্ম্মচাৰীক আন্দোলন সংক্ৰান্তত শাস্তিমূলক ব্যৱস্থা দিয়া হৈছিল তেওঁলোকৰ এই শাস্তিমূলক ব্যৱস্থা উঠাই লবৰ কাৰণে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে। মই আশা ৰাখিছো নিশ্চয় এই সংক্ৰান্তত এটা সিদ্ধান্ত লব পৰা হব। এই ক্ষেত্ৰত যিটো লেহেম গতি হোৱা বুলি কৈছে মই ভাবো এই বিষয়ত কৰ্ম্মচাৰী সকলেও সহায় সহযোগ আগবঢ়াব লাগে।

মাননীয় অধ্যক্ষ মহোদয়: এতিয়া মাননীয় সদস্য গৌতম ৰায়ে এটা বিষয় উত্থাপন কৰিব।

শ্ৰীগৌতম ৰায়: মাননীয় অধ্যক্ষ মহোদয়, মই আজি এই সদনত গৃহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো। বিষয়টো হ'ল—যোৱা ইং ২৯-৩-৮৬ তাৰিখৰ ডুপৰীয়া এটামান বজাত শ্ৰীমান কলিতাৰ ঘৰত সোমাই কিছুমান লোকে তেওঁৰ ঘৰত থকা আচবাব বিলাক লগতে গাড়ীয়ো ভাঙি দিছে। তেখেতৰ মিচেচে কেনচাৰ ৰোগত ভুগি আছে আৰু অলপতে ভেলোৰৰ পৰা আহিছে। কেচুৱাক গাখীৰ খুৱাই থকা অৱস্থাত তেখেতক চিবিয়াচ ভাবে এচলট্ কৰিছে আৰু কেচুৱাক গাখীৰ খুৱাই থকা ফিডীং বটলটোৱো ভাঙি পেলাইছে। গতিকেই এনে এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত তত্কালীন ব্যৱস্থা লবলৈ মই গৃহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো বিষয় ইয়াত উত্থাপন কৰিছে এই বিষয়টো দৃষ্টিগোচৰ হৈছে। এই ঘটনাটো সংঘটিত হোৱাৰ পাচত কেইদিনমান আগতে ঘৰৰ পৰিয়ালে মোক লগ ধৰিছিল। ইয়াৰ পিচত মাননীয় সদস্য শ্ৰী দূৰ্গাদাস

বড়ো ডাঙৰীয়াই তেওঁলোকৰ দ্বৰলৈ গৈ সকলো কথাৰ বুজ লৈ আহিছিল। এই সম্পৰ্কত যি সকল দোষী সেই সকলক শাস্তি দিয়াৰ কাৰণে সংশ্লিষ্ট বিষয়াক নিৰ্দ্দেশ দিয়া হৈছে আৰু ইতিমধ্যে কেবাজনো লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

মাননীয় অধ্যক্ষ :— আইটেম নং ২

শ্ৰীদিলীপ কুমাৰ শইকীয়া :—মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৬ চনৰ ১১ মাৰ্চ তাৰিখৰ 'দৈনিক জনমভূমি' কাকতত প্ৰকাশিত "চেমনীয়া গৰখীয়াক পথাৰত গুলিয়াই চিকাৰ কৰা ঘটনা" শীৰ্ষক বাতৰিটোৰ প্ৰতি মই গৃহ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো।

শ্ৰীভৃগু কুমাৰ ফুকন : ( গৃহ মন্ত্ৰী )— যোৱা ১৯৮৬ চনৰ ১১ মাৰ্চ তাৰিখে 'দৈনিক জনমভূমি কাকতত প্ৰকাশিত' চেমনীয়া গৰকীয়াক পথাৰত গুলিয়াই চিকাৰ কৰা ঘটনা' শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। ঘটনাৰ বিৱৰণ এনে ধৰণৰ :—

যোৱা ইং ৭৷৩৷৮৬ তাৰিখে পুৱা ৯ মান বজাত শ্বেখ গোলাপখান, পিতা ফকিৰ খান, সাং যোৰহাট আৰু শ্ৰীপুনাৰাম শইকীয়া, পিতা ভোগেশ্বৰ শইকীয়া, সাং ধোৱাতোলা, মাজুলি, এওঁলোক দুয়ো মাজুলিত থাকি ধান আৰু সৰিয়হৰ বেপাৰ কৰে। সেইদিনা একেগাৱঁৰ নিবাসী ( ধোৱাতলা নিবাসী, মাজুলী ) শ্ৰীবগসী ভূঞাৰ ১ (এক) নলীয়া বন্দুকটো ( বন্দুক নং এইচ, এম, ০১০৭৪, লাইচেন্স নং ৬৪২২ ) তেওঁৰ পত্নীৰ পৰা শ্বেখ গোলাপখানে খুজি আনি, শ্ৰী পোনাৰাম শইকীয়াৰ লৈতে তিনিটা গুলি কিনি নজনি বিলত চৰাই চিকাৰ কৰিবৰ কাৰণে গৈছিল।

উক্ত নজনি বিলৰ দাঁতিত, শালমাৰা মৌজাৰ নতুন বচামৰা গাঁৱৰ মিচিং লৰা ৫ টাই মাৰ্বল গুটি খেলি আছিল। সেই সময়ত শ্বেখ গোলাপ খান আৰু পোনাৰাম শইকীয়াই সেই ফালেদি চিকাৰ কৰি ঘূৰি আহিছিল। আমাক জনোৱা মতে বন্দুকৰ গুলি খাজিথোৱা অৱস্থাত লোক দুজনে লৰা কেইটাৰ ফালে বন্দুক টোৱাই মাৰিম মাৰিম বুলি থাকোতে হঠাৎ গুলি ফুটি যায় আৰু দুয়ো তাৰ পৰা পলাই যায়। কলাই দলেৰ লৰা শ্ৰী

মুজিব দলে মুখত গুলি লাগি ঘটনাস্থলিতে মৃত্যু হয় আৰু (১) শ্ৰীভোগেশ্বৰ কাৰ্দনৰ ল'ৰা শ্ৰীচৰ্ব্বা কাৰ্দন আৰু শ্ৰীবিপিন দলেৰ ল'ৰা শ্ৰীদিলীপ দলেৰ গাত গুলি লাগি আহত হয়। বাকী কেইজন লৰাই চিঞৰ-বাখৰ কৰে।

চিঞৰ-বাখৰ শুনি ওচৰৰ মানুহ বিলাক আহি ঘটনাস্থলিত উপস্থিত হয়। আৰু ঘটনাৰ সবিশেষ জানি লগে লগে পুলিচক খবৰ দিয়ে। পুলিচ গৈ আচামিক নাপালে কিন্তু জখমী শ্ৰীচৰ্ব্বা, কাৰ্দন আৰু শ্ৰীদিলীপ দলেক চিকিৎসাৰ বাবে বনগাওঁ ৰাজ্যিক চিকিৎসালয়ত ভৰ্ত্তি কৰায়। আৰু মৃত মুজিব দলেৰ মৃতদেহ সুৰৎহাল কৰি মৰণোত্তৰ পৰীক্ষা কৰি মৃতদেহটো গৃহস্থক চমজাই দিয়া হয়।

আচামী শ্বেখ গোলাপ খান আৰু পোনাৰাম শইকীয়াৰ বিষয়ে তদন্ত কৰি জানিব পৰা গল যে তেওঁলোক দুয়োয়ে দুবছৰ মানৰ আগৰ পৰা মাজুলিত থাকি ধান, সৰিয়হৰ বেপাৰ কৰে আৰু বন্দুকৰ মালিক শ্ৰীবগলী ভুঞাৰ লগত তেওঁলোক দুয়োয়ে ওতঃপ্ৰোত সম্পৰ্ক। পুলিচে বিচাৰ কৰি দুয়ো পলাতক আচামীক ধৰি আনি জেল হাজোতলৈ প্ৰেৰণ কৰে আৰু বন্দুক সহ সকলো যাৱতীয় সামগ্ৰী জব্দ কৰে। আচামী দুয়োয়ে ন্যায়াধীশ দণ্ডাধীশ আদালতৰ হাকিমৰ আগত তেওঁলোকে গুলি মৰাটো স্বীকাৰ কৰে।

ৰৰ্ত্তমান মোকৰ্দ্দমাটো উচ্চপদস্থ বিষয়াসকলে তদন্ত কৰি আছে আৰু বৰ্ত্তমান তদন্তাধীন অৱস্থাত আছে। এই সন্দৰ্ভত জেংৰাইমুখ (মাজুলি) আৰক্ষী থানাৰ মোকৰ্দ্দমা নং ৮/৮৬ ভাৰতীয় দণ্ডবিধি আইনৰ ৩৩২/৩২৪/৩৪ ধাৰা সৈতে আৰ্মচ এক্ট ২৫ (১) (ক) ধাৰাত শ্বেখ গোলাপখান আৰু পোনাৰাম শইকীয়াৰ বিৰুদ্ধে মোকৰ্দ্দমা ৰুজু কৰা হৈছে। আৰু বন্দুকৰ মালিক শ্ৰীবগলী ভুঞাৰ বিৰুদ্ধেও উক্ত থানাই এটি মোকৰ্দ্দমা ৰুজু কৰা হৈছে। এই সন্দৰ্ভত মোকৰ্দ্দমা নং ৪০/৮৬, আৰ্মচ এক্ট ২৯ (খ) ধাৰাত ৰুজু কৰা হয়।

৩নং কাৰ্য্যসূচী :—

শ্ৰীজয়নাথ শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা ২৩ আৰু ২৪ মাৰ্চ

তাৰিখে "নিউজ ষ্টাৰ" কাগজত প্ৰকাশ পোৱা দুটা বিষয় আজিৰ সদনত উত্থাপন কৰিব বিচাৰিছো। এই বিষয় দুটা হল— ভায়লেচন অব ফাইনেন্সিয়েল ৰুলচ্ — বাই এচ, এইচ, টি, ও এলেজ্‌ড্ আৰু "ইৰে-গুলাৰিটিজ ইন্ এচ, এইচ, টি, ও এলেজড্"। এই বিষয় দুটা নিউজ ষ্টাৰ কাগজত প্ৰকাশ হৈ গৈছে আৰু সেই কাৰণে এই বিষয় দুটা মই মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। কিয়নো এই ঘটনা কেইটাৰ পৰা আমি দেখিবলৈ পাইছো যে প্ৰায় ১ লাখ ১৬ হাজাৰ টকা অনিয়মিত ভাবে খৰচ কৰা হৈছে আৰু দেবেন গগৈ নামৰ লোক এজনক এখন সাধাৰণ কাগজত ৰেভিনিউ ষ্টাম্পত চহী কৰি ১৬ হাজাৰ টকা পেমেণ্ট কৰিছিল। এই সম্পৰ্কত যুটিয়া সঞ্চালকৰ নিচিনা এজন দায়িত্বশীল বিষয়াই, যিজনে এই বিলখন পাছ কৰিছিল, তেওঁ কোনো নীতি নিয়ম পালন নকৰাকৈয়ে সামান্য কাগজ এটুকুৰাত চহী লৈ পূৰ্ব্ব চৰকাৰৰ দিনত ৰাজনৈতিক নেতাৰ লগত মোকাবিলা কৰি চৰ-কাৰী ধনৰ দুৰ্ঘোৰ অপচয় কৰিছে। এই কাগজখনে সাধাৰণতে চৰকাৰৰ বিৰুদ্ধে একো নিলিখে। তেনে ক্ষেত্ৰত এই দায়িত্বশীল বিষয়াজনে যি অনিয়মৰ আশ্ৰয় লৈছে আৰু এই কাগজখনে প্ৰকাশ কৰিছে, তাৰ পৰা আমি অনুমান কৰিব পাৰো যে এই ঘটনাৰ অন্তৰালত নিশ্চয় আৰু কিবা ডাঙৰ ঘটনা সোমাই আছে আৰু সেই কাৰণে নিৰ্দ্দিষ্টকৈ প্ৰকাশ কৰা এই অভিযোগৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা লব লাগে আৰু ভৱিষ্যতে যাতে ৰাজহুৱা ধনৰ অপচয় নহয় তাৰ ব্যৱস্থা কৰিব লাগে। এই অভি-যোগ ক্ষেত্ৰত অডিট ৰিপোৰ্টেও এটা কথা স্পষ্টকৈ দেখুৱাই দিছে যে যিহেতু এই বিভাগৰ নিজা কেন্দ্ৰীয় গেৰেজ আছে, তেনে ক্ষেত্ৰত ব্যক্তি-গত গেৰেজত গাড়ী ভাল কৰিব দিয়া দেখুৱাই চৰকাৰী ধনৰ অপচয়হে কৰা হৈছে। গতিকে গোটেই বিষয়টো গুৰুত্ব সহকাৰে অনুসন্ধান কৰাৰ প্ৰয়োজন হৈ পৰিছে। এই ঘটনাৰ ক্ষেত্ৰত যি হিচাপ নিকাচ দেখুউৱা হৈছে তাত কেতবোৰ গাড়ীৰ নম্বৰ আৰু অভাৰ টাইম দিয়া বুলি প্ৰমাণ দেখুৱাইছে। আনহাতে দেবেন গগৈ নামৰ মানুহজনক এখন টাইপ কাগজত ৰেভিনিউত চহী লৈ বিভাগীয় দায়িত্বত থকা কৰ্ম্মচাৰীক বায়পাচ কৰি

এই টকা উলিয়াই লৈ গৈছে। স্বাধীনতাৰ পিচৰ ৩৮ বছৰে চৰকাৰী কাম-কাজবোৰ যি ধৰণে চলি আহিছে তেনেবোৰ ঘটনাৰ গণ পৰিষদ চৰকাৰৰ দিনত যাতে পুনৰাবৃত্তি নহয়, তাৰ কাৰণে উপযুক্ত ব্যৱস্থা হাতত লব লাগে আৰু যি সকল বিষয়াই এনে ধৰণে মিছা বিল দি বা মিছা প্ৰমাণ দেখুৱাই চৰকাৰী ধনৰ অপচয় কৰিছে, তেনে বিষয়াৰ কাৰ্য্য কলাপ বোৰ কঠোৰ হাতে দমন কৰিব বুলি বিভাগীয় মন্ত্ৰী মহোদয়ে আজিৰ এই সদনতে আশ্বাস্ দিব বুলি মই অনুৰোধ কৰিলো।

শ্ৰীযতীন মালী ( স্বাস্থ্যমন্ত্ৰী ) ঃ— যোৱা ২৩ মাৰ্চ তাৰিখে News Star বাতৰি কাকতত প্ৰকাশিত "Violation of Financial Rules by SHTO alleged" আৰু ২৪ ফেব্ৰুৱাৰী তাৰিখে উক্ত কাকতত প্ৰকাশিত "Irregularities in SHTO alleged" শীৰ্ষক বাতৰিটোৰ সন্দৰ্ভত কোৱা যায় যে—ৰাজ্যিক স্বাস্থ্য পৰিবহন সন্থাটো ১৯৭৪ চনত ৩৫০ খন গাড়ীৰ গোটেৰে আৰম্ভ হৈছিল। দিন যোৱাৰ লগে লগে গাড়ীৰ সংখ্যাও বাঢ়ি বৰ্ত্তমান দুগুণতকৈও বেছি হৈছে কিন্তু গাড়ীৰ সংখ্যা অনুপাতে আৱশ্যকীয় কাৰিকৰী কৰ্ম্মীৰ সংখ্যা বঢ়া নাই। ফলস্বৰূপে পৰিবহন সন্থাত কামৰ বোজা বহু পৰিমাণে বাঢ়ি গৈছে আৰু এই কথাটো চৰকাৰৰ উৰ্দ্ধতম কৰ্তৃপক্ষৰ নজৰলৈ অনা হৈছে। যিহেতু স্বাস্থ্য পৰিবহন সন্থাটো প্ৰত্যক্ষভাবে চিকিৎসা সেৱাৰ লগত জড়িত সেয়েহে কামৰ বোজা আত-ৰাবলৈ নাইবা আৱশ্যকীয় কামবোৰ সময়মতে সমাধা কৰিবলৈ বাহিৰা মানুহ ( Extra hand ) লগোৱাৰ বাহিৰে আন উপায় নাছিল। সময় মতে কামবোৰ তৎকালীন ভাবে দিব লগা হোৱাত বাহিৰৰ প্ৰতিস্থান দুই এটিকো কামবোৰ কৰিবলৈ দিয়া হয় তাৰুপ্তে আৱশ্যকীয় যথা বিধি নিয়ম পালন কৰি। উল্লেখযোগ্য যে এই কামবোৰৰ ভিতৰত বিশেষকৈ welding-ৰ কামবোৰ বাহিৰা প্ৰতিস্থানৰ দ্বাৰা কৰাটো অপৰিহাৰ্য্য, কিয়নো welding-ৰ বৰ্ত্তমানৰ গোটেৰে কামৰ বোজা কমোৱাটো কোনো পধ্যেই সম্ভৱ নহয়। তাতে প্ৰায়ে দুৰ্ঘটনাৰ পতিত গাড়ীবোৰ আহি থাকে লগতে এম্বুলেন্সৰ Welding-ৰ কামো বহু পৰিমাণে কৰিব লগীয়া হয়।

এইবোৰৰ উপৰিও অসম মন্ত্ৰী পৰিষদৰ সিদ্ধান্ত ক্ৰমে মন্ত্ৰী পৰিষদৰ গাড়ী সমূহ স্বাস্থ্য পৰিবহন সন্থাতেই মেৰামতি কৰিবলৈ দিয়া হয়। এনেয়েই পৰিবহন সন্থাৰ কেন্দ্ৰীয় কাৰখানাত কামৰ বোজা, তাতেই আকৌ উক্ত সিদ্ধান্ত ক্ৰমে গাড়ীবোৰ অহাত কামৰ বোজা ভীষণ পৰি-পৰিমাণে বাঢ়ি যায়। এই সংক্ৰান্তত স্বাস্থ্য বিভাগৰ আয়ুক্তৰ লগত যুটীয়া সঞ্চালক কাৰিকৰীয়ে বিতংভাবে আলোচনা কৰে আৰু Extra hand ( viz daily wage / Casual / O. T. etc ) নহলে কামবোৰ সময়মতে কৰাতো সম্ভৱ নহয় বুলি কয়। তেতিয়া আয়ুক্তই ৪।৭।৮৫ তাৰিখে ( HLA 561 / 85 / 3 চিঠিৰ মৰ্ম্মে ) extra hand খটুৱাবলৈ অনুমোদন দিয়ে যেতিয়ালৈকে কাৰিকৰী কৰ্ম্মী নিযুক্তি দিয়া নহয়। উক্ত চিঠিৰ মৰ্ম্মে যুটীয়া সঞ্চালক কাৰিকৰীয়ে ১৭ জুলাই তাৰিখে ( SHTO / 38 / 85 / 6490 চিঠিৰ মৰ্ম্মে উপকৰা বানচ ( O.T. ) দি হলেও কামবোৰ কৰিব লাগিব বুলি জনোৱা হয় (চিঠিৰ প্ৰতিলিপি গাঠি দিয়া হল) আৰু সেই হিচাবে কামবোৰ কৰি থকা হয়। উল্লেখ-যোগ্য যে উক্ত কাৰিকৰী পদসমূহ নিয়োগ কৰাহেতেন চৰকাৰৰ মাহিলি খৰচ প্ৰায় বিশ হাজাৰ হলহেতেন। তেনে স্থলত চাৰি মাহৰ মুঠ ১৮,৭৬৭=৬৬ টকা উপকৰা ভাৱে দি ( O. T. ) ইমানবোৰ কাম সমাধা কৰা হয়। চৰকাৰে ইতিমধ্যে "চ" পত দেখুওঁৱা পদ সমূহ ৰাজ্যিক স্বাস্থ্য পৰিবহন সন্থাৰ কাৰণে মঞ্জুৰ কৰিছে।

আনহাতে বাহিৰৰ প্ৰতিস্থানৰ দ্বাৰা তেনে কৰি এক লাখৰো অধিক খৰচ কৰাৰ সংক্ৰান্তত কোৱা হয় যে উপৰোক্ত কাৰণ সমূহৰ বাবে কামবোৰ বাহিৰৰ প্ৰাতস্থানৰ দ্বাৰা নকৰাৰ কোনো উপায় নাছিল অৱশ্যে এই সকলোবোৰ যুটীয়া সঞ্চালক কাৰিকৰীৰ বিত্তীয় ক্ষমতাৰ ভিতৰত কৰা হৈছিল নীতিগত ভাবে। গতিকে উক্ত কাৰ্য্যই বিত্তীয় ক্ষমতা ভঙ্গ কৰাৰ কথা নুঠে।

আনহাতে Salt Iodization plant টোৰ সন্দৰ্ভত কোৱা যায় যে UNICEF যিহেতু স্বাস্থ্য বিভাগৰ লগত জড়িত সেয়ে UNICEF য়ে বিচাৰিছিল যে স্বাস্থ্য বিভাগৰ কাৰিকৰী বিভাগটোৱে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ লগলাগি plant টো কাৰ্য্যকৰী কৰক আৰু

এই ক্ষেত্ৰত স্বাস্থ্য বিভাগৰ ৩ জন বিষয়া কলিকতাত অৱস্থিত Asstt. Salt Commissioner ৰ তলত ৬ মাহৰ প্ৰশিক্ষণ লৈ যোগান বিভাগৰ লগ লাগি কিছুদিন চলাই আৰু কিছু পৰিমাণে Iodization Salt প্ৰস্তুত কৰে ।

কিন্তু যোগান বিভাগৰ অপৰিহাৰ্য্য কাৰণবশতঃ plant টোৰ কাম বন্ধ হৈ থাকে ঃ প্ৰশিক্ষণ প্ৰাপ্ত বিষয়া কেইজন কেইদিনমান এনেয়ে থকাত নিজৰ বিভাগলৈ ঘূৰাই পঠিয়াই । পিচত চৰকাৰে plant টো Statfed ক দিয়াটো সিদ্ধান্ত লয় আৰু সেয়েহে এই ক্ষেত্ৰত স্বাস্থ্য বিভাগৰ কৰিবলগীয়া একো নাছিল । গতিকে স্বাস্থ্য বিভাগৰ অকৰ্মন্যতাৰ প্ৰশ্ন নুঠে ।

চৰকাৰৰ নীতিৰ লগত সঙ্গতি ৰাখি আজি সদনত কব বিচাৰিছো শুদ্ধ চিন্তা আৰু নিকা মনেৰে কাম কৰিবলৈ আহিছো । কোনো মানুহ দুৰ্নীতিত লিপ্ত হলে সেই মানুহ বা ব্যক্তিক কঠোৰ হাতেৰে দমন কৰাৰ বাবে সকলো প্ৰচেষ্টা সকলো আচনি লম, মই আশ্বাস দিছো ।

শ্ৰীজয়নাথ শৰ্ম্মা—মই এটা বিশেষ অভিযোগ আনিছো । যিখন বিলৰ কথা কৈছো এজন মানুহ যাৰ নাম ঠিকনা নাই, টকাটো লৈছে । টায়াৰ মটৰ পাৰ্টচৰ কথা কৈছো । গেৰেজৰ ঠিকনা দিছে, চাইন বৰ্ড উঠি যাব পাৰে । এই বিশেষ অভিযোগসমূহৰ তৎকালীন ভাবে চৰকাৰে ব্যৱস্থা লব লাগে । কাৰণ এজন দায়িত্বশীল বিষয়াই এখন সাধাৰণ কাগজৰ ওপৰত ৰেভিনিউ ষ্টাম্পত চহী কৰি ১৬ হাজাৰ টকাৰ পেমেণ্ট কৰাৰ নজিৰ থাকে তেন্তে এইটোত নিশ্চয় বিত্তীয় নীতি ভঙ্গ কৰা হব । এক লাখ ষোল্ল হাজাৰ টকাৰ পেমেণ্ট কৰিবৰ কাৰণে জইণ্ট ডিৰেক্টৰৰ পাৱাৰৰ ভিতৰত আছে নে নাই, সেই কথাটো মন্ত্ৰী মহোদয়ে অনা নাই । মই অনুৰোধ কৰিছো যাতে এই পইচা খোৱা বেপাৰ বন্ধ কৰে । মই অডিট ৰিপোৰ্টটো দিছো । অভাৰ টাইম দিয়াটো বন্ধ কৰিছে, অথচ অভাৰ টাইমৰ পইচা দিয়া হৈছে । দাল মে কোচ কালা হ্যায় । এই পইচা খোৱা বেপাৰ বন্ধ কৰাৰ ব্যৱস্থা সোনকালে যদি নকৰে তেন্তে মনে মনে পইচা খাই থাকিব । গতিকে এই তথ্যসমূহ সদনৰ জৰিয়তে হস্তান্তৰ কৰিছো । আশা ৰাখিছো এই দোষী বিষয়াসকলৰ ওপৰত

ব্যৱস্থা লব। আগৰ চৰকাৰে যেনেকৈ পইচা খোৱাত উৎসাহ দিছিল, আমাৰ চৰকাৰে সেই উৎসাহটো বন্ধ কৰি শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

শ্ৰীযতীন মালি (ৰাজ্যিক মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, হেল্‌ঠ ট্ৰেন্সপৰ্ট অৰগেনাইজেচনৰ সমন্ধত যিহেতু আজিৰ সদনত সন্মানিত সদস্য গৰাকীয়ে আকৰ্ষণমূলক অভিযোগ আনিছে, এই সম্পৰ্কত চৰকাৰৰ তৰফৰ পৰা বিবৃতি দিছো আৰু আগৰ চৰকাৰে যেনেকৈ দুৰ্নীতিত প্ৰশ্ৰয় দিছিল, উৎসাহ আৰু অবিহণা যোগাইছিল তাৰ বিপৰীতে মই আগতে কৈছো শুদ্ধ আৰু নিকা চৰকাৰ এখন গঢ়াৰ মানসেৰে আমাৰ চৰকাৰে সম্পূৰ্ণ সবল ভাবে দুৰ্নীতি ৰোধ কৰিব। যিকোনো দুৰ্নীতি পৰায়ণ লোকৰ ক্ষেত্ৰত আমি ব্যৱস্থা লম। যি অভিযোগ আহিছে, এই ক্ষেত্ৰত ব্যৱস্থা লম বুলি জনাইছো।

## Government Bill

৪ নং কাৰ্য্যসূচী

Shri Chandra Arandhara ( Minister)—Hon'ble Speaker Sir, I beg leave to introduce the Assam Panchayati Raj Bill, 1986.

Mr. Speaker—Is it the pleasure of the House to gront leave to introduce the Bill ?

( Voice : 'Yes', 'Yes' )

Leave is granted.

There is a message from Raj Bhavan :

"Raj Bhavan,
Gauhati"
March 31, 1986

I, Bhishma Narain Singh, Governor of Assam, recommend the Assam Panchayati Raj Bill, 1986 for its introduction in the Assam legislative Assembly

under Article 207 (1) of the Constitution of India.

Bhishma Narain Singh
Governor of Assam.

Shri Chandra Arandara ( Minister )—I beg to introduce the Assam Panchayati Raj Bill, 1986.

( Secretary read out the title of the B ll )

অধ্যক্ষ : এতিয়া ৫নং (ক) কার্য্যসূচীমতে কৃষি বিভাগৰ মন্ত্ৰীয়ে কব ।

Shri Nilamani Das ( Minister )—I beg to move that the Assam Agricultural University ( Amendment ) Bill, 1986 be taken into consideration.

অধ্যক্ষ : মাননীয় সদস্য দেৱকুমাৰ বৰাই ইয়াত কব নেকি ?

শ্ৰীদেব কুমাৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যি সংশোধনী অনা হৈছে তাক সমৰ্থন কৰো ।

অধ্যক্ষ—সংশোধনীৰ ওপৰত পিচত কব । এতিয়া বিলৰ ওপৰত কওক ।

শ্ৰীদেব কুমাৰ বৰা—অধ্যক্ষ মহোদয়, অসম কৃষি বিশ্ববিদ্যালয় সংশোধনী বিলখনৰ সম্পৰ্কত অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপিত হৈছে । ইয়াত কেতবোৰ সংশোধনী আনিব খোজা হৈছে । ১৯৮৪ চনত অসম বিশ্ববিদ্যালয় বিলখনৰ যি সংশোধনী ঘটোৱা হৈছিল তাৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ যি মৌলিক অধিকাৰ আইন আছিল সেই আইন খনৰ যথেষ্টখিনি বিকৃতি ঘটোৱা হৈছিল । এই গোটেই বিকৃতিটো ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত ভাবে কৰা হৈছিল । কৃষিৰ ক্ষেত্ৰত আমি গুৰুত্ব আৰোপ কৰো । কিন্তু কৃষি বিশ্ববিদ্যালয়ত উপাচাৰ্য্যজনৰ অহৰ্তা নাইকিয়া কৰিবলৈ সংশোধন কৰা হৈছিল ।

অধ্যক্ষ মহোদয়, ইয়াৰ আগৰ সংশোধন ১৯৮৪ চনত বিগত যি চৰকাৰ আছিল সেই চৰকাৰে কোনো বিশেষ ব্যক্তিক আপ্যায়ন কৰিবৰ কাৰণে এই আইনখন সংশোধন কৰি কেতবোৰ ব্যৱস্থা সংলগ্ন কৰিছে যাৰ দ্বাৰা এই কৃষি বিশ্ববিদ্যালয়খনক ধ্বংসৰ পথলৈ ঠেলি দিয়া হৈছিল । সেই কাৰণে কৃষি বিশ্ববিদ্যালয়ত এজন উপাচাৰ্য্য থাকিবৰ বাবে পূৰ্ব্বৰ এক্টত আছিল যে তেওঁ এজন কৃষি বিশেষ দক্ষতা সম্পন্ন লোক হব

লাগে। কৃষিৰ ক্ষেত্ৰত যি কুৱালিফিকেশ্বন ফিক্স কৰা হৈছিল সেই কুৱালিফিকেশ্বন পূৰ্ব্বৰ এক্টত কোৱা হৈছিল। শিক্ষাগত অহৰ্তাৰ বিষয়ে ভাইচ চেন্সেলাৰজন কেনেকুৱা হব—

The Vice-Chancellor shall be a whole-time officer of the University. He shall be an eminent scholar and administrator with background of Agriculture, Animal Husbandry and Veterinary Education, Research and Development and with at least ten years' experience. The first Vice-Chancellor after the commencement of this Act should be appointed by the Chancellor for a period not exceeding five years and on such terms and conditions.

এতিয়া যি কথা কোৱা হ'ল, পূৰ্ব্বৰ এক্টত আছিল কৃষি বিশ্ববিদ্যালয়ৰ ভাইচ চেন্সেলাৰক নিযুক্তি দিবৰ কাৰণে সেই ভাইচ চেন্সেলাৰৰ কাৰণে প্ৰাৰ্থীজন এগ্ৰিকালচাৰ এনিমেল হাজবেণ্ডাৰী, ভেটেৰিনাৰী এডুকেশ্বন বা ৰিচাৰ্চ দেভেলাপমেণ্ট এই বিষয়ৰ বিশেষ অহৰ্তা থাকিব লাগে। ১৯৮৪ চনত যি সংশোধনী ঘটোৱা হল সেই সংশোধনীৰ দ্বাৰা এই মৌলিক কথাবিলাক নাইকিয়া কৰি পেলাই এনেকুৱা এটা বিসংঙ্গতিপূৰ্ণ কথা কৰা হৈছিল, সেই বিসংগতিপূৰ্ণ কথাবিলাক মই উত্থাপন কৰিব খোজো। সেয়া হ'ল যে এজন ভাইচ চেন্সেলাৰৰ কাৰণে আগৰ যিখিনি কুৱালিফিকেশ্বন সেই কুৱালিফিকেশ্বন নাইকীয়া কৰি সেই খিনিৰ ক্ষেত্ৰত কোনো ধৰণৰ কুৱালিফিকেশ্বন, এগ্ৰিকেলচাৰ শিক্ষা নথকাকৈ এজন ভাইচ চেন্সেলাৰ হব পৰা বিষয় এটা সন্নিবিষ্ট কৰা হল, যাৰ দ্বাৰা অসম কৃষি বিশ্ববিদ্যালয় ধ্বংসৰ মুখলৈ থেলি দিয়া হৈছিল। ইয়াৰ মাজত কিছুমান কুৱালিফিকেশ্বনৰ যি কথা আছিল সেইখিনি নাইকিয়া কৰি দিছে আৰু তাৰ পিচত আমাৰ বিশ্ববিদ্যালয় চলি আছে। সেই বিশ্ববিদ্যালয়ত এজন ইঞ্জিনিয়াৰক এগ্ৰিকেলচাৰ ইউনিভাৰচিটিৰ ভাইচ চেন্সেলাৰ হিচাবে নিযুক্ত কৰা হল।

অসম এখন কৃষি প্ৰধান ৰাজ্য। এই ৰাজ্যখনৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ কাৰণে এখন কৃষি বিশ্ববিদ্যালয় অনা হৈছিল। সেই বিশ্ববিদ্যালয়ৰ কাম কাজ চলাবৰ কাৰণে এজন কৃষিবিদ লাগিছিল। কিন্তু তাকে নকৰি এক্টখনৰ দ্বাৰা যি কোনো ইঞ্জিনিয়াৰক বা মানুহকে এই কৃষি বিশ্ববিদ্যালয়ৰ ভাইচ চেন্সেলাৰ হব পৰা ব্যৱস্থা কৰা হৈছে। এই কৃষি বিশ্ব-বিদ্যালয়খন ধ্বংস কৰিবৰ কাৰণে এনে ধৰণৰ ষড়যন্ত্ৰ কৰি আমাৰ বিধান সভাৰ মজিয়াত বিগত দিনৰ চৰকাৰে এই এক্টখন ধ্বংসমূখী কৰিবৰ কাৰণে প্ৰয়োগ কৰা হৈছিল। সেই ক্ষেত্ৰত যি সংশোধনী অনা হৈছে আগৰ যিখিনি কথা ভাইচ চেন্সেলাৰ কোন হব লাগে, সেই কথা ইয়াত দিয়া হৈছে। সেই কথাটো হল যে কৃষি বিজ্ঞানী হব লাগে। ইয়াত যি কথা উত্থাপন কৰা হৈছে তাক আৰু নতুনকৈ দিয়াৰ কোনো প্ৰয়োজন নাই। গতিকে মই এই বিলখন সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Mr. Speaker—The motion is that the Assam Agricultural University (Amendment) Bill, 1986, be taken into consideration.

(The Motion is passed)

There is an amendment in the name of Shri Maziruddin Ahmed. He is absent. Now Minister to move.

Shri Nilamoni Das (Minister)—Sir, I beg to move that the Assam Agricultural University (Amendment) Bill, 1986 be taken into consideration clause by clause.

Mr. Speaker—There is no amendment to clause 2 to 11 which do form part of the Bill. Clause 1, preamble, enacting formula and short title of the bill do form part of the bill. (The motion is adopted)

Shri Nilamoni Das (Minister)—Sir, I beg to move that

the Assam Agricultural University ( Amendment ) Bill, 1986 be passed.

Mr. Speaker—The Motion is that the Agricultural University ( Amendment ) Bill, 1986 be passed.

( The motion is passed )

Shri Brindaban Goswami ( Minister )—Sir, I beg to move that the Assam Repealing ( No. II ) Bill, 1986 be taken into consideration.

Mr. Speaker—Motion moved.

Shri Altaf Hossain Mazumdar—Mr. Speaker, Sir, I oppose this Bill for repealing the Assam Colleges ( Taking over of Management and Control ) Act, 1985. This Act 1985 wanted to take over the deficit colleges of the State. Now by the Repealing Bill Government is going to shirk the responsibility of higher education in the State. The said Act was passed for effecting uniformity and improvement in the management of the colleges, and to provide more facilities for higher education in the State. Sir, you are aware that the condition, and its management were completely in a mess. Due to all this the Government came forward for the improvement of the higher education in the State. The Government could have rendered financial assistance, Government could have given all other assistance to the colleges, but this is a retrogate step taken by the AGP Government. The Act was passed because a large number of Degree colleges are covered under the Deficit grants-in-aid Scheme. But in most

of the colleges, there is no proper management and control of the college affairs. Then again as mentioned by me earlier, there is no uniformity in the control and management of these colleges. This resulted in the deterioration of the academic atmosphere. It was felt keenly that in the interest of higher education in the State there should be uniformity in the management and control of these colleges. Moreover, it was found that most of these colleges suffered from lack of proper and basic facilities like building, equipment, hostel accommodation etc. which are vital for maintaining proper academic standard in the colleges. Now the colleges will be made to suffer if this Repealing Bill is passed because Government will not provide every college the basic facilities and help that will be necessary to raise the standard of education in the State. So again I reiterate that Government is going to shirk the responsibility of providing higher education to the people of the State. So, I oppose the Bill.

শ্বেখ আব্দুল হামিদ—অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে উত্থাপন কৰা বিলখন মই সমৰ্থন কৰিছো। আগৰ চৰকাৰে ৰাজনৈতিক উদ্দেশ্য পূৰণৰ খাটিৰত ১৯৮৫ চনত এই বিলখন আনিছিল, তেতিয়া আমি কলেজতে আছিলো আৰু কলেজ শিক্ষক সকলে ইয়াৰ বিৰোধীতা কৰিছিল। আচলতে আমি জানো চৰকাৰে হাইস্কুল প্ৰাদেশিকী কৰণ কৰিছিল কিন্তু প্ৰাদেশিকী কৰণ কৰাৰ পাচত দেখা গল ঘৰৰ বেৰ নোহোৱা হ'ল, চাল নোহোৱা হ'ল। প্ৰদেশিকী কৰণ কৰাৰ পাচত স্কুল পৰিচালনাৰ সকলো দায়িত্ব চৰকাৰে লব লাগে। প্ৰাদেশিকী

কৰণৰ নামত মাত্ৰ ভেকোভাওঁনা কৰা হ'ল। শিক্ষক সকলে পাব লগা প্ৰাপ্যখিনিও নাপালে। একে ধৰণেই কলেজবিলাকৰো চৰকাৰী কৰণ কৰাৰ ক্ষেত্ৰত ষড়যন্ত্ৰ কৰা হৈছে। ইয়াৰ মূখ্য উদ্দেশ্য আছিল, অসম ৰাজ্যৰ শিক্ষক সকলৰ মুখবন্ধ কৰি ৰখা। এতিয়া যি খন 'ৰিপিলিং' বিল আনিছে মই সেইখনক সন্মতি জনাইছো ইয়াৰ শ্বেখ আব্দুল হামীদ লগতে মাননীয় সদস্য সকলেও সন্মতি জনাই বিলখন গৃহীত হোৱাত সহায় কৰিব বুলি আশা ৰাখিছো।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী — অধ্যক্ষ মহোদয়, আজিৰ সদৰত শিক্ষা মন্ত্ৰী ডাঙৰীয়াই অসমৰ কলেজ সম্পৰ্কত যিখন বিল উত্থাপন কৰিছে, সেইখনৰ প্ৰতি মই সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষৰ মাননীয় সদস্য গৰাকীয়ে যি বিৰোধীতা কৰিছে মই তাৰ আৰু বিৰোধীতা কৰিছো। এই কাৰণে কৰিছো যে — অসমত গণপৰিষদ চৰকাৰ প্ৰতিষ্ঠিত হোৱাৰ পিচত এই বাৰ বাজেটত শিক্ষাৰ শিতানত যথেষ্ট খিনি পইচা দিয়া হৈছে। ইয়াৰ প্ৰকৃত উদ্দেশ্য হৈছে, শিক্ষা জগতখন যাতে নিকা আৰু দূৰ্নীতি মুক্ত হয়। এইটো গণপৰিষদৰ প্ৰধান আৰু মূল উদ্দেশ্য। শিক্ষাৰ নামত যাতে ৰাজনীতি কৰিব নোৱাৰে, আৰু দূৰ্নীতি পৰায়ণ লোকৰ যাতে অৱসান হয় এইটোয়ে মূল উদ্দেশ্য। বিগত দিনৰ একুৰি ওঠৰটা বছৰে আমি দেখিবলৈ পাইছো শিক্ষা জগতখন ৰিগত চৰকাৰটোৱে সম্পুৰ্ণ নিয়ন্ত্ৰণ কৰিব পাৰে। এনে কৰাৰ ফলত শিক্ষা জগতখন একেবাৰে গেলি গ'ল। ইয়াৰ কাৰণেই প্ৰাথমিক শিক্ষক সকলে একান্ত বাধ্যহৈ তেওঁলোকৰ খেয়াল খুটি মতে কাম কৰি যাব লগা হৈছিল। কাৰণ তাকে নকৰিলে চৰকাৰে তেওঁলোকক বদলি কৰিব আৰু শাস্তিমূলক ব্যৱস্থা লব। কলেজ প্ৰাদেশীকৰণৰ নামত কলেজৰ শিক্ষক সকলক কাবু কৰি ৰখা হৈছে। এইটো অতি ঘৃণনীয় কথা। আমি এইটো সম্পূৰ্ণ বিৰোধীতা কৰো। ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত ভাবে এনে কৰা হৈছে। যোৱা একুৰি ওঠৰটা বছৰে যি ৰাজনৈতিক প্ৰচাৰ চলোৱা হ'ল তাৰ অৱসান ঘটাবলৈকে শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এই বিলখন আনিছে আৰু ইয়াৰ বাবে তেখেতক আমি ধন্যবাদ দিছো। যি সকল মাননীয় সদস্যই ইয়াৰ বিৰোধীতা কৰিছে সেই সকলেও যেন ইয়াৰ জড়িয়তে

দূৰ্নীতি পৰায়ণ লোকক সহায় কৰাৰ প্ৰচেষ্টাহে চলাইছে। গতিকে আমি ইয়াৰ বিৰোধীতা কৰিছো আৰু মাননীয় সদস্য সকলক এই বিলখনৰ প্ৰতি সমৰ্থন জনাবলৈ অনুৰোধ কৰিছো।

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী )— মাননীয় অধ্যক্ষ মহোদয়, আজি আমি যি খন বিল ইয়াত উত্থাপন কৰিছো সেইখন আইন পূৰ্ব্বৰ চৰকাৰেই তৈয়াৰ কৰিছিল। সেই কাৰণে, দুগৰাকী মাননীয় সদস্যই উপযুক্ত ভাবেই তেখেত সকলৰ মত সদনত প্ৰকাশ কৰিছে। ইউ, এম, এফ ৰ সদস্য গৰাকীয়েও ইয়াৰ বিৰোধীতা কৰিছে, তেখেতক মই ধন্যবাদ জনাইছো। আমি অতি সচেতনভাবে এই বিলখন ইয়াত উত্থাপন কৰিছো। আন এগৰাকী সদস্যইও এই বিষয়টোৰ প্ৰতি সম্পূৰ্ণ সচেতনতাৰ লক্ষ্য কৰিছে আৰু এই প্ৰস্তাবটোৰ প্ৰতি সমৰ্থন জনাইছে। অসম গণপৰিষদ চৰকাৰে, অসমৰ জনসাধাৰণক এক প্ৰত্যয় আৰু প্ৰতিশ্ৰুতি দিছিল। উচ্চ শিক্ষা স্বতন্ত্ৰবীয়া কৰিব লাগে, ৰাজনৈতিক হস্তক্ষেপৰ পৰা মুক্ত কৰি শিক্ষাৰ অভিলেখ স্থাপন কৰিব লাগে। সেই প্ৰতিশ্ৰুতি ৰক্ষাৰ উদ্দেশ্য পূৰ্ব্বৰ চৰকাৰে ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত ভাৱে কৰা আইনৰ ব্যৱস্থা বিলাক প্ৰত্যাহাৰ কৰিবলৈ আমি সমৰ্থ হৈছো।

আজি মই পূৰ্বৰ শাসক দলৰ সদস্য সকলক এটা প্ৰশ্ন কৰিব বিচাৰিছো। ১৯৭৫ চনৰ ৪ চেপ্তেম্বৰত অসমৰ প্ৰাথমিক স্কুলৰ শিক্ষক সকলৰ চাকৰি চৰকাৰীকৰণ কৰা হল ? ১৯৭৫ চনৰ পৰা আজি ১৯৮৬ চন পালেহি। মই সুধিব বিচাৰিছো যে প্ৰাথমিক স্কুলৰ শিক্ষক সকলৰ চাকৰি চৰকাৰী কৰণ কৰাৰ পিচত শিক্ষক সকলৰ কি লাভালাভ হল ? তেওঁলোকে পেন্‌চন নাপালে, মেডিকেল এলাউন্স নাপালে, গ্ৰেটুইটি নাপালে। তেওঁলোকে পালে কি ? প্ৰাথমিক স্কুলৰ শিক্ষক সকলৰ চাকৰিৰ নিৰাপত্তাৰ কাৰণেই তেওঁলোকৰ চাকৰি বিলাক চৰকাৰী কৰণ কৰা হৈছিল। কিন্তু তাৰ ঠাইত যি অনিয়ম, যি যাতনা এই শিক্ষক সকলৰ জীৱনলৈ আনি দিলে তাক বৰ্ণাব নোৱাৰি। মোৰ বাসভবনলৈ শিক্ষক সকল আহি আপত্তি কৰিছিল যে তেওঁলোকে পেঞ্চন পোৱা নাই, গ্ৰেটুইটি পোৱা নাই, মেডিকেল বানচ পোৱা নাই আৰু যি বিলাক সা-সুবিধা দিব লাগিছিল সেই বিলাক একেবাৰে পোৱা নাই তেওঁ-

লোকৰ দুৰ্নীতি ইমান ওপৰত স্তৰলৈ গৈছিল যে তেওঁলোকে মোক কৈছিল যে আমাক বঢ়ি দিয়ক আৰু ঠাই দেখুৱাই দিয়ক আমি ফাচ লাগি মৰিম। আচলতে শিক্ষক সকলৰ কল্যাণ চিন্তা কৰিয়েই, তেওঁ-লোকৰ চাকৰিৰ নিৰাপত্তা দিয়াৰ কাৰণেই চৰকাৰীকৰণ ব্যৱস্থা লোৱা হৈছিল যদিও এই বিলাক কাৰ্যকৰী কৰিব নোৱাৰিলে। যি বিলাক আচনি পূৰ্বৰ চৰকাৰে লৈছিল সেই বিলাক আচনি নিশ্চয় বেয়া নাছিল। কিন্তু এই আচনি বিলাক পূৰ্বৰ চৰকাৰে কাৰ্যকৰী নকৰি শিক্ষক সকলৰ কণ্ঠৰোধ কৰিলে। ৰাজনৈতিক হস্তক্ষেপ কৰি সকলোকে কাবু কৰিলে। নতুন নতুন আইন প্ৰণয়ন কৰা হল। কিন্তু এই বিলাক কাৰ্যকৰী ব্যৱস্থা লোৱা হলনে নাই তাৰ কোনো খবৰ নাই। মাধ্যমিক শিক্ষক সকলৰ কাৰণে, প্ৰাথমিক শিক্ষক সকলৰ কাৰণে যি কল্যাণমুখী কাম কৰিব লাগিছিল সেই বিলাক নকৰাৰ কাৰণেই সমস্যাৰ সৃষ্টি হ'ল। যি সকলে ইমান দিনে এটাও সমস্যাৰ সমাধান কৰিব নোৱাৰিলে তেখেত সকলে আজি প্ৰস্তাব উত্থাপন কৰিছে যে চৰকাৰীকৰণ কৰিব লাগে? পূৰ্বৰ দৰে ইয়াৰ জৰিয়তে যাতে শিক্ষক সকলৰ চাকৰিলৈ নিৰাপত্তা আছে। ১৯৭৫ চনৰে পৰা আজিলৈকে কিমানখন ব্লেক বৰ্ড দিব পাৰিলে? শতকৰা ২৫ খনো ব্লেক বৰ্ড দিব পৰা নাই। আচলতে কাম কৰিবলৈ কোনো নিয়ম নীতি নালাগে বা চৰকাৰীকৰণো কৰিব নালাগে। লাগে এটা ভাল মন। ভাল মন এটা থাকিলে চৰকাৰীকৰণ নকৰাকৈয়ো বহুত কাম কৰিব পাৰি। কলেজ শিক্ষক সকলৰ চাকৰি চৰকাৰী নকৰিলে যি খিনি অসুবিধা হব সেই খিনি আমি নিশ্চয় চাম। শিক্ষক সকলৰ যি খিনি প্ৰাপ্য সেই খিনি আমি চাম। এই সকল আমাৰ ওচৰলৈ অহাৰ কাৰণে নহয়। আমাৰ ওচৰলৈ নাহিলেও তেওঁলোকে যিখিনি পাৰ লাগে সেই খিনি পাবই। ৰাষ্ট্ৰীয় উচ্চ শিক্ষা বিকাশৰ নীতি সন্মুখত ৰাখিয়েই আমি এই সকলো বিলাক কৰি যাম। ইয়াত কোনো ৰাজনৈতিক উদ্দেশ্য থাকিব নোৱাৰে। আগৰ শিক্ষা মন্ত্ৰীৰ কোঠালৈ আবেদন জনাবলৈ নহাৰ কাৰণেই, চৰকাৰৰ লগত সহযোগ নকৰাৰ কাৰণেই তেওঁলোকৰ দৰমহা বানচ বন্ধ কৰি ৰখা হৈছে আমি এইটো কেতিয়াও হবলৈ নিদিওঁ। আমাৰ ওচৰলৈ আহকেই বা

নাইকেই যাৰ যিটো প্ৰাপ্য সেইটো পাবই। ১৯৭৫ চনৰ ৪ চেপ্তেম্বৰত প্ৰাথমিক স্কুলৰ শিক্ষকৰ চাকৰি চৰকাৰী হোৱাৰ পিচত যি সকল ৰিটায়াৰমেণ্টত গ'ল সেই সকলে ২৫।৫০ বা ৭৫ টকাকৈ পালে। তাৰ পিচত ১৯৭৫ চনৰে পৰা ১৯৮০ চনৰ ভিতৰত যি সকল ৰিটায়াৰমেণ্টত গ'ল তেওঁলোকে একো নাপালে। আমাৰ সন্মুখলৈ এই ধৰণৰ বহুত আপত্তি আহিছে। বহুত বিলাক অনিয়ম কৰাৰ কাৰণে এজিয়েও আপত্তি কৰিলে। আইন যি বিলাক কৰিলে সকলো বিলাকতে বিসংগতি থাকি গ'ল। তথাপি এই বিলাক নিয়াৰিকৈ কৰিবলৈ চেষ্টা কৰা হলেও বহুত সমস্যাৰ মিমাংসা কৰিব পাৰিলেহেঁতেন। এই ধৰণৰ কোনো সমস্যাকে সমাধান কৰিব নোৱাৰা অৱস্থাত এতিয়া কলেজ শিক্ষকৰ চাকৰি চৰকাৰীকৰণ কৰিলে এইটো এটা ডাঙৰ বোজাহে হব। সেই কাৰণেই ৰাষ্ট্ৰীয় যিটো নতুন শিক্ষা নীতি আলোচনা বিলোচনা কৰি থকা হৈছে, এই ক্ষেত্ৰত এইটো কথা প্ৰায় সকলোৱেই কৈছে যে শিক্ষা ব্যৱস্থাত স্বতন্ত্ৰতা আনিব লাগে, ৰাজনৈতিক হস্তক্ষেপৰ পৰা মুক্ত হব লাগে। শিক্ষানীতিত চৰকাৰী ভাৱে হস্তক্ষেপ নকৰাটোৱেই আমাৰ বৰ্ত্তমান নতুন চৰকাৰৰ নীতি। এইটোৱেই হৈছে আগৰ চৰকাৰ আৰু এতিয়াৰ চৰকাৰৰ মাজৰ দৃষ্টিভংঙ্গীৰ প্ৰাৰ্থক্য। আগতে যি ধৰণেৰে ব্যাপক ভাৱে শিক্ষা ব্যৱস্থাৰ ৰাজনৈতিক হস্তক্ষেপ চলিছিল সেইটো এতিয়া চলিবলৈ দিয়া নহয়। অসম গণ পৰিষদ গঠন হোৱাৰ আগতে মই সদৌ অসম ছাত্ৰ সন্থাৰ লগত জৰিত আছিলো। আমি তেতিয়াই শিক্ষা জগতৰ স্বতন্ত্ৰতাৰ কথা কৈছিলো। শিক্ষানুষ্ঠানৰ পৱিত্ৰতাৰ কথা কৈছিলো। এতিয়া এ জি পি গঠিত হোৱাৰ পিচতো ৰাজনৈতিক হস্তক্ষেপ কেতিয়াও কৰা নহয়। ৰাষ্ট্ৰীয় শিক্ষা নীতিক এ জি পিয়ে সন্মান জনাই আহিছে। শিক্ষক সকলৰ যি গণতান্ত্ৰিক অধিকাৰ সেইটো আমি ৰক্ষা কৰিবলৈ চেষ্টা কৰি যাম। মই আশা কৰিছো, মই যিখিনি কথা কলো তাৰ পৰিপ্ৰেক্ষিতত মাননীয় সদস্য গৰাকীয়ে তেখেতৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব। কাৰণ অসমৰ শিক্ষক সকলৰ চাকৰি জীৱনলৈ যিটো শঙ্কা আহিছে আমি সেই শংকাৰ পৰা আতৰাই ৰাখিম। আমি সেই কাৰণেই শিক্ষা বিৰোধী আইন প্ৰত্যাহাৰ কৰিব বিচাৰিছো। ইয়াত কোনো ৰাজনৈতিক উদ্দেশ্য নাই, আমাৰ আইনে

কওকে বা নকওকেই শিক্ষানুষ্ঠান বিলাক, শিক্ষাৰ পৰিবেশ ধুনীয়া কৰিব লাগিব এইটো আমাৰ নৈতিক দায়িত্ব। আমাৰ পাৰ্টিয়ে ৰাইজক যি আশ্বাস দি আহিছে সেই মতেই কাম কৰি যাব। ইয়াকে কৈ মই সামৰণী মাৰিলো।

Mr. Speaker—Now, I put the motion before the august House. The motion is that the Assam Repealing (No. II) Bill, 1986 be taken into consideration.

( Voice—yes, yes )

The Motion is passed. Now Item 6 (b). There is no amendment to Clause 2 of the Bill. So I put the motion to vote that Clause 2 do form part of the Bill. The motion is passed. Clause 2 do form part of the Bill. There is an amendment to Clause 3 of the Bill in the name of Shri Brindaban Goswami, Minister of Education. Now Shri Goswami, Minister of Education to move.

Shri Brindaban Goswami, (Minister, Education)—Sir, I beg to move that the Clause 3 shall be deleted.

Mr. Speaker—Now, I put the amendment to vote. The question is that the "Clause 3 shall be deleted" The amendment is accepted. The Clause 3 is deleted.

There is an amendment to Clause I of the Bill in the name of Shri Brindaban Goswami, Minister, Education.

Shri Brindaban Goswami, (Minister, Education)—Sir, I beg to move that the Item (ii) of Clause I shall be deleted and the existing item (iii) shall be renumbered as item (ii).

Mr. Speaker—Now, I put the amendment before the House. The question is that Item (ii) of Clause I shall be deleted and the existing item (iii) shall be renumbered as item (ii). The amendment is accepted and item (ii) of Clause I is deleted and the existing item (iii) is renumbered as item (ii) and Clause I as amended do stand part of the Bill.

Now I put preamble, Enacting Formula and Short Title of the Bill. The preamble, Enacting Formula and Short Title form part of the Bill. ( The motion was adopted )

Now item No. 6 (c).

Shri Brindaban Goswami, (Minister, Education)—Mr. Speaker Sir, I beg to move that the Assam Repealing (No. II) Bill 1986, be passed.

Mr. Speaker—The motion is that the Assam Repealing (No. II) Bill, 1986, be passed.

The motion is passed. The Bill is passed.

Private Members Resolution

Now Agenda Item No. 7—( Shri Ramendra De—Absent )

Shri Amritlal Basumatari—Mr. Speaker Sir, I beg to move that the House do now recommends to the State Government to move the Govt. of India to set up an All India Radio Station at Kokrajhar, Centre of Bodo Culture.

মাননীয় অধ্যক্ষ মহোদয়, কোকৰাঝাৰত আকাশবাণীৰ এটা কেন্দ্ৰ পাবৰ কাৰণে কোকৰাঝাৰ বাসী ৰাইজে বহুত দিনৰ পৰা চেষ্টা কৰি আহিছে আৰু কেন্দ্ৰৰ লগতো বহুতো যোগাযোগ দৰ্খাস্ত আদি কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ ব্ৰোড কাষ্টিং মিনিষ্ট্ৰীৰ চাব কমিটি এটাই এই প্ৰস্তাৱত এগ্ৰি হোৱা বুলি শুনিছিলো। সেই কাৰণে এই প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে বুলি আজি মই সদনত উত্থাপন কৰিছো। কোকৰাঝাৰ জিলাখন বড়ো সংস্কৃতিৰ কেন্দ্ৰ স্বৰূপ। ইতিমধ্যে অন্য এখন আইনৰ দ্বাৰা বড়ো ভাষাক অসমৰ কাৰ্য্যালয় ভাষা অৰ্থাৎ এচোচিয়েট লেঙ্গুৱেজ বুলি ঘোষণা কৰিছে। গতিকে কোকৰাঝাৰ ৰাইজৰ এই বহুদিনীয়া দাবীটো পূৰণৰ কাৰণে আজি বিধান সভাত মই প্ৰস্তাৱ আকাৰে দাঙি ধৰিলো।

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅমৃতলাল বসুমতাৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে সেই সন্দৰ্ভত কব বিচাৰিছো—অসমৰ সাংস্কৃতিক বৈশিষ্ঠ আৰু ভৌগলিক ৰাজনৈতিক গুৰুত্বৰ বিবেচনাত ৰাজ্যখনত আকাশবাণীৰ অধিকতৰ সংখ্যক কেন্দ্ৰ সংস্থাপনৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনায় আহিছে। এই সন্দৰ্ভত বড়ো সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ সদৃশ কোকৰাঝাৰে বিশেষ গুৰুত্ব লাভ কৰি আহিছে। ইতিমধ্যে সপ্তম পাছবছৰীয়া পৰিকল্পনাৰ সময় চোৱাত ৰাজ্যখনত ৬ টা নতুন অনাতৰ কেন্দ্ৰ পাতিবলৈ কেন্দ্ৰীয় চৰকাৰে আচনি লৈছে। তাৰ ভিতৰত ২—১০ কিলোৱাট শক্তিসম্পন্ন ট্ৰেন্সমিটাৰ আৰু ষ্টুডিঅ' সহ এটা মেডিয়াম ওৱেভ কেন্দ্ৰ কোকৰাঝাৰত পতাৰ কথাও সেই আচনিত আছে। আচনিমতে অনুৰূপ শক্তিসম্পন্ন আন এটা কেন্দ্ৰ পতা হব তেজপুৰত। ইয়াৰ উপৰিও যোৰহাটত ২—৫ কিলোৱাট আৰু নগাওঁ হাফলং আৰু ধুবুৰীত একোটাকৈ ২-৩ কিলোৱাটৰ স্থানীয় এফ এম কেন্দ্ৰ পতাৰ প্ৰস্তাৱ কৰা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে জনাইছে।

কোকৰাঝাৰ কেন্দ্ৰটোৰ ট্ৰেন্সমিটাৰৰ বাবে ১০ একৰ আৰু ষ্টুডিও আৰু কৰ্মচাৰী বাস গৃহৰ বাবে ৬ একৰ মাটিৰ প্ৰয়োজন হব বুলি কেন্দ্ৰীয় চৰকাৰে ইঙ্গিত দিছিল। আকাশবাণী কৰ্তৃপক্ষৰ পৰা শেহতীয়াকৈ জানিব পৰামতে ট্ৰেন্সমিটাৰৰ বাবে চান্দমাৰীত ১০ একৰ মাটি বিচাৰি পোৱা

হৈছেই। লগতে নগৰৰ ভিতৰতে ষ্টুডিওৰ বাবে ২ একৰ আৰু তাৰ লগতে লগাকৈ বা ১, ২ কিলোমিটাৰ ভিতৰত কৰ্মচাৰীৰ বাস গৃহৰ বাবে ৩-৪ একৰমান মাটি বিচাৰি উলিওৱাৰ দৰ্কাৰ বুলিও আকাশবাণী কৰ্তৃপক্ষই জনাইছে। এই ক্ষেত্ৰত আকাশবাণী কৰ্তৃপক্ষলৈ সকলো ধৰণৰ সহযোগিতা আগবঢ়াবলৈ কোকৰাঝাৰৰ উপায়ুক্তক কোৱা হৈছে।

কোকৰাঝাৰকে ধৰি কেউটা প্ৰস্তাৱিত নতুন কেন্দ্ৰ যাতে যথা সম্ভৱ সোনকালে স্থাপিত হয়, তাৰ বাবে ৰাজ্য চৰকাৰে গভীৰ আগ্ৰহ প্ৰকাশ কৰি আহিছে আৰু এই ক্ষেত্ৰত সকলো ধৰণৰ সহায় সহযোগিতা অগ্ৰাধিকাৰ ভিত্তিত আগবঢ়াবলৈও উদ্যোগ লৈ আহিছে।

গতিকে মই মাননীয় সদস্য গৰাকীক এই প্ৰস্তাৱটো উঠাই লবৰ কাৰণে অনুৰোধ জনালো।

শ্ৰীঅমৃত লাল বসুমতাৰী—অধ্যক্ষ মহোদয়, মই গৃহ মন্ত্ৰীৰ বিবৃতিত সন্তুষ্ট হৈছো আৰু তেখেতক ধন্যবাদ জনাইছো কোকৰাঝাৰত এই আঁচনি লোৱাৰ কাৰণে। সেই কাৰণে মই এই প্ৰস্তাৱটো উঠাই লৈছো।

Mr. Speaker—Is it the pleasure of the House to grant leave to the hon. Member to withdraw his resolution ?

( Voices—yes, yes. )

The resolution Stands withdrawn.

Shri Binai Khungur Basumatari—Mr, Speaker Sir, I beg to move that this Assembly do recommend to the Govt. of Assam to amend the Indian Stamp Act and Indian Registration Act for the purpose of excluding the jurisdiction of the provisions of these two Acts, in the matter of registration of all or any Instruments of Sale or Transfer of land from within the Tribal Belts and Blocks in Assam. Sir, I have moved this resolution in line with the repeated commitment given by this Government and in particular reference to

Clause X of the Memorandum of Settlement arrived between All Assam Student Union, All Assam Gana Sangram Parishad, State and Central Govts in presence of the Prime Minister of India, on 15th August, 1985. By this Clause, we have seen in this House, that there seems to be an honest intention on the part of the new Government to restore to the tribals the lands which have been alienated by virtue of deeds transfer or instrument of sale or transfer recognised by virtue of the Indian Stamp Act and Indian Registration Act.

Sir, while pressing for acceptance of this resolution I shall have to record from the Constitution of India in regard to Article 245 which has specified the position of these two Acts. i. e. the Indian Stamp Act and the Indian Registration Act. Sir, I quote Article 245 which goes like this :

"Extent of laws made by Parliament and by the Legislatures of the States. (1) Subject to the provision of the Constitution, Parliament may make laws for the whole or any part of the territory of India, and the Legislature of a State may make law for the whole or any part of the State.

(2) No law made by Parliament shall be deemed to be invalid on the ground that it would have extra territorial operation.

Then again, Sir, this law passed by the Parliament will have an effect on the State of Assam, or any

part of it. Therefore, Sir, this Indian Stamp Act and the Indian Registration Act, they have over-riding power for the entire nation. But the next Article i. e. Article 246 also authorises certain Acts of the Parliament may be amended by the State Legislature. So, Sir, this Article 246 empowers this Assembly to have an amendment of these two Acts. Sir, I quote Article 246.

"246. Subject matter of laws made by Parliament and by the Legislatures of States. (1) Notwithstanding anything in clauses (2) and (3), Parliament has exclusive power to make laws with respect to any of the matters enumerated in List 1 in the Seventh Schedule ( in this Constitution referred to as the "Union List')."

These two Acts are not in the Union List. Therefore, Sir this clause does not affect us. But the next Clause (2) affects us. I quote.

"(2) Notwithstanding anything in Clause (3), Parliament, and, subject to Clause (1), the Legislature of any State also, have power to make laws with respect to any of the matters enumerated in List III in the Seventh Schedule ( In this Constitution referred to as the "Concurrent List" )."

Therefore, Sir these two Acts fall in the Union List and therefore, this Assembly has every right and power to amend these Indian Acts and if we go through the two Acts, Indian Stamp Act and Indian Registration Act, then we will see that every States

have amended those Acts as per particular demand of a particular State and it is necessary. Then I refer to clause (3) of the same Article. I quote

"(3) Subject to clauses (1) and (2), the Legislature of any State has exclusive power to make law for such State or any part thereof with respect to any of the matters enumerated in List II in the Seventh Schedule (in this Constitution referred to as the "State List")

There were certain subjects in regard to this land rules. Land has been divided through this Act into two parts, moveable properties and holdings and Agricultural land. Agricultural land is entirely within the jurisdiction of the State list, whereas the property holdings land is in the jurisdiction of the Concurrent List. Therefore, Sir these two acts clearly enunciate that this Assembly has the power and authority to amend this two Acts. Now, Sir I would like to go back to these two Acts. Sir, why is it necessary for us to amend these two Acts i. e. the Indian Stamp Act and the Indian Registration Act. First of all Sir, we have to state what is this Indian Registration Act. Sir, this Indian Registration Act 1908 has its own Objects and Reasons and in the beginning of the Statement of Objects and Reasons it is clearly stated that I quote "this Registration Act is a pure consolidating Bill. The provisions relating to the registration of documents are now scattered about in seven enactments. The object of the present Bill is to collect these provisions and to incoroate them

in one Act. This will make the law more escertainable"

Therefore, Sir, it is clear that this Indian Registration Act is the consolidating Bill relating to the registration of documents. What are the documents? These documents are the sale deed and instrument of transfer of the land. This is contradictory with the present Assam Land and Revenue Regulation Act 1886 and its Chapter 10 of the provision. Sir. Chapter 10 specifically say that land belonging to the tribals will not be transferred, they will not be registered and in fact, Government of Assam has repeatedly issued many circulars and orders to all the Registration authority that land sold by the tribals should not be accepted and registered. But in spite of these circulars and orders we have seen that the Registrars and Sub Registrars in the District and Sub-Divisional headquarters continue to register the sale of tribal land. This Act is supreme. But still then the Registrars are registering the documents. Therefore, under the plea of Indian Registion Act these transfer, sale or instrument of sale are to be registered. Therfore, in the matter of land falling in the tribal belts and blocks, the purpose of the State government has been nullified by the existence of these Act. Therefore, Sir the government should amend the act as in case of other States. Because otherwise the onous purpose of the government to stop alination of the tribal belts

and blocks will not bear fruit. So in order to give effect to the purpose of the government, the land belonging to the tribals should not be registered. I have not asked for the exclusion of the entire State from the operation of the provision of the Act. But I have asked that only land belonging to the tribal belts and blocks should be excluded from the jurisdiction. Sir, I have already said that this Act specifically says that there will be Registrar and Sub-Registrar at the district level and the Registrar and Sub-Registrars are to be controlled by the provision of the Indian Registration Act. Sir, you are aware, since you are also a learned lawyer that while registering we will have to purchase stamp for sale or transfer and no registration can be effected if the documents are not stamped. Therefore, Sir this big Act say that for every transfer and sale certain amount of stamp are to be used. So the Indian Stamp and Registration Act are very closely related.

Mr. Speaker—It is 12.30 PM now. You will continue after lunch.

After Lunch Break

Mr. Speaker, Shri Binai Khungur Basumatari will continue.—

Shri Binai Khungur Basumatari—Mr. Speaker, Sir, I was dealing with the offices of the Registrar and Sub-Registrars in the matter of registration of the transfer and sales of lands. The Indian Registration Act under

Section VII says: "The State Govt. shall establish in every district an office to be styled as the office of the Registrar and in every Sub-district an office or offices to be styled the office of the Sub-Registrars or the offices of the Joint Sub-Registrars". Therefore, Sir, by the provision of the Indian Registration Act. offices of Registrars and Sub-Registrars are to perform their duties as per the Act. Now, Sir, if the Govt. of Assam really wishes to stop the alienation of the land of the tribals which are sold out by the tribals for many reasons, then these Registrars and Sub-Registrars should be released from the bindings of the provision the Act. Therefore, Sir, to release these officers from the bindings of the provision of the Act, Government must amend the Act. Then, Sir, in the Indian Stamps Act, it is also mandatory that adequate stamps are to be provided while registering the documents of sales and in the Schedule of the Indian Stamps Act everything is detailed as to what are the instruments which require to be provided for proper fixation. Sir, in the schedule list of 58, it has been properly detailed and it is not only in the Schedule 58 but in all other schedules it has been clearly mentioned that it is binding on the part of the sellers and buyers to execute the deed on proper stamp duties, Now, Sir, there are many sections of people in Assam who say that tribals are also responsible for selling their own lands. Sir, we would say that yes, it is true because the

tribals are forced to do so due to their economic position. The landed property is the only property which fetches any value in the market and that is why the tribals, who do not have any other property which can fetch more value in the market, prefer to sell out the landed property when the tribals face economic difficulties. They do not hesitate to sell out their landed property when they are hungry and for the necessity of their children. They are forced to sell out their lands due to economic distress and they sell it out under the purview of the Act. Sir, if the Govt. of Assam is really serious to stop the alienation, I would request the Govt. particularly this new Govt. who have repeatedly assured us that they are doing good for us, to come forward with an amendment pertaining to the instrument of the sale and transfer of lands. Sir, once again—I would request the Govt. to come forward and remove the handicps that stand in the sincere and honest motive of protecting the tribal people.

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো এপ্ৰিহেনস্বন লৈ প্ৰস্তাৱটো দাঙি ধৰিছে অৱশ্যে তেখেতে এপ্ৰিহেনশ্বন কৰাৰ কাৰণ হৈছে জনজাতীয় এলেকা বোৰত বিশেষকৈ মাটিবোৰ বেআইনী ভাবে হস্তান্তৰ হৈ আছে আৰু অসমত এতিয়ালৈকে থকা পঞ্চল্লিশ টা ট্ৰাইবেল বেল্ট আৰু ব্লকৰ ক্ষেত্ৰত চেপ্তাৰ টেন যি ভাবে কাৰ্য্য কৰী কৰিব লাগিছিল সেই ভাবে কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই। ১৯৪৮ চনৰ পৰা ট্ৰাইবেল বেল্ট আৰু ব্লকৰ সৃষ্টি কৰা হৈছিল আৰু যোৱা আঠত্ৰিশ বছৰে এই ক্ষেত্ৰত যি ভাবে কাৰ্য্যকৰী কৰিব লাগিছিল সেই ভাৱে কৰা হোৱা নাই, যি ভাবে সংৰক্ষণ কৰিব

লাগিছিল সেই ভাবে বিশেষ কৈ বিগত চৰকাৰৰ দিনত তেনে ভাবে কাৰ্য্যকৰী নকৰাৰ কাৰণে জনজাতীয় এলেকা সমূহত মাটিৰ সমস্যাৰ সৃষ্টি হৈ পৰিছে আৰু জনজাতীয় এলেকা আৰু ব্লকত থকা জনজাতীয় লোক-সকলে ৰক্ষণাবেক্ষণ পোৱা নাই। এই প্ৰসঙ্গত তেখেতে ইণ্ডিয়ান ষ্টেম্প এক্ট আৰু বেল্ট এক্টৰ পৰিবৰ্ত্তন বিচাৰিছে। কাৰ্য্যকাৰী কৰিব নালাগে এক্সক্লুশ্যন কৰিব লাগে। এই প্ৰসঙ্গত মই কব খোজো যে এই সন্দেহ অমূলক কিয়নো ষ্টেম্প এক্ট আৰু বেল্ট এক্ট জনজাতীয় এলেকাত প্ৰয়োগ কৰিব নালাগে এইটো হব নোৱাৰে। কথা হৈছে অ-জনজাতীয় লোকৰ হাতত জনজাতীয় সকলে মাটি বেচিব নালাগে এই বিলাক কাৰ্য্যকৰী হব নালাগে সেইটো নহয়। এজন জনজাতীয় লোকে আন এজন জনজাতীয় লোকৰ ওচৰত মাটি কিনিব পাৰিব আৰু মৰ্টগেজ দিব পাৰিব। জন-জাতীয় লোক সকলে বেংৰ পৰা লোন আদিৰ কাৰণে মৰ্টগেজৰ প্ৰয়োজন আছে তেনেকুৱা ডীড কিছুমানৰ আৰু আইন কিছুমামৰ প্ৰয়োজন আছে আৰু যদি সেইটো কাৰ্য্যকৰী কৰা নহয় জনজাতীয় লোকসকল এটা অসুবিধাৰ সন্মুখীন হব সেই পৰিপ্ৰেক্ষিতত মই থুলমূলকৈ মাননীয় সদস্য গৰাকীৰ অৱগতিৰ কাৰণে এই কথা খিনি কলো। ইয়াৰ উপৰিও ইণ্ডিয়ান ষ্টেম্প এক্ট, ১৮৯৯ আৰু ইণ্ডিয়ান ৰেজিষ্ট্ৰেশ্যন এক্ট, ১৯০৮ এই আইন দুখন গোটেই ভাৰতত প্ৰচলিত হৈ আছে। মাটি কিনা-বেচা, বন্ধক, লিজ, দান আদিৰ ক্ষেত্ৰত স্বীকৃতি লাভ কৰিব লগা হলে সেই সম্পৰ্কীয় দলিল ভাৰতীয় পঞ্জীয়ন আইন ১৯০৮ মতে পঞ্জীয়ন কৰিব লাগে।

অধ্যক্ষ মহোদয়, দলিল পঞ্জীয়ন কৰাৰ ক্ষেত্ৰত ষ্টেম্প ডিউটি আৰু ৰেজিষ্ট্ৰেশ্যন ফীজ, পঞ্জীয়ন মাচুল ইণ্ডিয়ান ষ্টেম্প এক্ট আৰু ৰেজিষ্ট্ৰেশ্যন এক্ট মতে আদায় কৰা হয়। ৰেজিষ্ট্ৰেশ্যন এক্ট মতে অসমৰ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ ক্ষেত্ৰত দলিল পঞ্জীয়ন বৰ্হিভূত কৰাৰ কাৰণে ব্যৱস্থা নাই। যদি ট্ৰাইবেল বেল্ট আৰু ব্লকত মাটি কিনা বেচা ক্ষেত্ৰত দলিল পঞ্জীয়ন-ভুক্ত কৰা কথাটো উঠাই দিয়া হয়, তেন্তে সেই ট্ৰাইবেল বেল্ট আৰু ব্লকত থকা অভাৱগ্ৰস্ত জনজাতীয় আৰু অ-জনজাতীয় মাটিৰ মালিকসকলে

তেওঁলোকৰ বেমাৰ-আজাৰ, বিয়া-বাৰু, ল'ৰা-ছোৱালী পঢ়া-শুনাৰ আদিৰ ক্ষেত্ৰত টকা পইচাৰ দৰকাৰ হলে অবৈধ ভাবে মাটি হস্তান্তৰ কৰিবলৈ সুবিধা গ্ৰহণ কৰিব। আনহাতে হেজাৰ নিৰীহ জনজাতীয় লোকক ঠগিবৰো সম্ভাৱনা আছে। জনজাতীয় লোকৰ স্বাৰ্থৰ খাতিৰতে ৰেজিষ্ট্ৰেশ্বন ফীজ আৰু ষ্টেম্প ডিউটি দিয়াটো ভাল। সেয়েহে মাননীয় সদস্য গৰাকীক প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনালো। যিহেতু জনজাতীয় এলেকাৰ বেল্ট আৰু ব্লকৰ ক্ষেত্ৰত ৰক্ষণাবেক্ষণৰ যিটো ব্যৱস্থা আছে সেইটো কাৰ্য্যকৰী কৰিবৰ আৱশ্যক আৰু জনজাতীয় লোক সকলে ঠিকমতে এই সুবিধা বিলাক পোৱাৰ কাৰণে এইটো কৰিব পৰা হব। এটা কথা বিশেষকৈ লক্ষ্য কৰিব লাগিব যে বিগত চৰকাৰৰ দিনত জনজাতীয় লোকৰ স্বাৰ্থ ৰক্ষা কৰা হলে বোধহয় এই সমস্যা আহি নপৰিলেহেতেন। থুলমূলকৈ মই মাননীয় সদস্য গৰাকীক এইখিনি কথা অনুৰোধ জনাব বিচাৰিছো যিহেতু জনজাতীয় বেষ্টনি আৰু খণ্ডসমূহ ৰক্ষণাবেক্ষণ দিয়াৰ যিহেতু ব্যৱস্থা আছে সেই পৰিপ্ৰেক্ষিতত এই প্ৰস্তাৱটো গ্ৰহণ যোগ্য নহয় সময়োপযোগী হোৱা নাই সেই কাৰণে মাননীয় সদস্য গৰাকীয়ে প্ৰস্তাৱটো উঠাই লোৱাটো বাঞ্চনীয় বুলি মই বোধ কৰিছে।

Shri Binai Khungur Basumatari—Mr. Speaker, Sir, it is true that by excluding the provisions of this Act our people may suffer in certain cases. I accept the arguments placed by the Hon'ble Revenue Minister but while doing so he has failed to convince me as to how he and his Government proposes to take action against transfer of land illegally to the non-tribals. In fact, the Government has repeatedly given circulars but to no effect. If he can convince me how he can stop that I may as well accept his advice but he has failed to convince me and I would like to request him

to assure me how he contemplates to stop this illegal transfer.

শ্ৰীথানেশ্বৰ বড়ো ( ৰাজহ মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কৈছে যে কিছুমান কথাত কনভিন্স হৈছে যদিও এইটো কেনেকৈ বন্ধ কৰা যায় এই সম্পৰ্কে পৰিষ্কাৰ হব পৰা নাই বুলি কৈছে। মই কব বিচাৰিছো যে নতুন চৰকাৰে এইটো কাৰ্য্যকৰী কৰিবলৈ নিশ্চয় ব্যৱস্থা লব আৰু এতিয়ালৈকে এই জনজাতীয় আবেষ্টনী আৰু খণ্ডসমূহ ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে চেপ্টাৰ টেনৰ প্ৰয়োগৰ ক্ষেত্ৰত ইতিমধ্যে ৯ জন এ-ডি-চি নিয়োগ কৰা হৈছে আৰু ১৯ জন এচ-ডি-চি নিয়োগ কৰা হৈছে। গতিকে এই ক্ষেত্ৰত ইনভেষ্টিগেশ্যন চলি আছে আৰু তথ্য সংগ্ৰহ কৰি থকা হৈছে। আন এটা কথা হৈছে ব্লক আৰু বেল্টৰ মাজত কিমান গাওঁ আছে কিমান গাওঁৰ অন্তৰ্ভুক্তি হৈছে সেইটো লিখিত ভাৱে উলিয়াই লবলগীয়া হৈছে। সকলো ৰাইজে যাতে কিমান খন গাওঁ আছে জানিব পাৰে সেইটো ভাল। এতিয়া বহুতেই মাটি বিক্ৰী কৰাৰ সময়ত আৰু যিয়ে কিনে সিও ভালদৰে নাজানে সেই কাৰণে কিছুমান কথা তেনেকুৱা বেআইনী ভাবে হৈ আছে। কিছুমান লোক গাওঁবুঢ়া বা অন্যান্য লোকৰ লগত প্ৰলোভনত পৰে বা মিচলীড হয়। ইয়াৰ দ্বাৰাও বেআইনী হস্তান্তৰ কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা হয়। মই এতিয়া আশ্বাস দিছো যে নতুন চৰকাৰে টাইবেল বেল্ট আৰু ব্লকৰ ৰক্ষণাবেক্ষণৰ কাৰণে প্ৰকৃতাৰ্থত এই ক্ষেত্ৰত কাম কৰি যাব।

Mr. Speaker—Mr. Basumatari, will you withdraw your resolution ?

Shri Binai Khungur Basumatari—Sir, I am quite satisfied with the assurance given by the Hon'ble Revenue Minister and so I wish to withdraw my resolution.

Mr. Speaker – Is it the pleasure of the House to grant leave to withdraw the resolution ? (voices – yes, yes)

with the leave of the House the resolution is withdrawn.

## ADJOURNMENT

The House then rose and stood adjourned till 10 A. M. on Monday, the 7th April, 1986.

Dr. P. N. Hazarika,
Secretary,
Assam Legislative Assembly.

Dated, Dispur
The 3rd April, 1986